www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

□ PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মদ্যপান অস্থায়ী আত্মহত্যাৰ লেখীয়া, সি যি সুখ কঢ়িয়াই আনে সি প্ৰকৃততে দুখহে। — বাৰ্টাণ্ড ৰাছেল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

□প্ৰথম বছৰ □সংখ্যা- ১৮৪ □ মঙ্গলবাৰ □৫ মে', ২০২৬ চন □ Volume/Year- I □ Issue- 184 □ Monday □ 5th May, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

# অজেয় হিমন্ত



ইতিহাস গঢ়ি তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিলে বিজেপি মিত্ৰজোঁটে

| | |
|---|---|
| BJP | 82 |
| AGP | 10 |
| BOPF | 10 |
| INC | 19 |
| AIUDF | 02 |
| OTH | 03 |

## মাত্ৰ ২১খন আসনতে সীমাবদ্ধ কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্য

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ অসমৰ ৰাজনৈতিক ইতিহাসত নজিৰ সৃষ্টি কৰি বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটে তৃতীয়বাৰৰ বাবে ৰাজ্যত চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছে। অভিলেখ গঢ়ি এই মিত্ৰজোঁটে মুঠ ১০২খন বিধানসভা আসন দখল কৰি ৰাইজৰ ভাষ্য স্পষ্টভাৱে প্ৰতিফলিত কৰিছে। এককভাৱে বিজেপি দলে লাভ কৰিছে ৮২খন আসন, আনহাতে মিত্ৰজোঁটৰ আন দুটা দল অসম গণ পৰিষদ আৰু বড়োলেণ্ড পিপলছ ফ্ৰণ্টে (বিপিএফ) ১০খন আসন লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ ভিতৰত অসম গণ পৰিষদ, বিপিএফে যুটীয়াভাৱে এই আসনসমূহ দখল কৰে। অন্যফালে, কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যজোঁটে মাত্ৰ ২১খন আসন লাভ কৰি বিফলতা স্বীকাৰ কৰিবলগীয়া হয়। কংগ্ৰেছে এইবাৰ মাত্ৰ ১৯খন আসনত জয়লাভ কৰিবলৈ সক্ষম হয়, আনহাতে AIUDFএ লাভ কৰে দুখন আসন আৰু তৃণমূল কংগ্ৰেছে এখন আসন লাভ কৰি নিজৰ উপস্থিতি অটুট ৰাখে। এই ফলাফলে অসমৰ ৰাজনৈতিক □ ৬ পৃষ্ঠাত

□ পৰাস্ত গৌৰৱ-লুৰিণজ্যোতি-দেৱব্ৰত-ৰিপুন □

## ধূলিস্যাৎ বিৰোধী মিত্ৰজোঁট



**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ ৰাজ্যত এইবাৰৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী মিত্ৰজোঁটে বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোঁটৰ বিৰুদ্ধে একত্ৰিত হৈ এঘৰী যুঁজাৰ চেষ্টা চলাইছিল যদিও আজিৰ ফলাফলে সেই চেষ্টা সম্পূৰ্ণৰূপে বিফল হোৱা বুলি স্পষ্ট কৰি দিছে। বিৰোধী মিত্ৰজোঁটৰ মূল দল কংগ্ৰেছে এইবাৰৰ নিৰ্বাচনত পুনৰ শোচনীয় পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হৈছে। ৰাজ্যৰ মূল বিৰোধী দলটোৱে ১২৬ জনীয়া বিধান-সভাত ১০০খন আসনত □ ৬ পৃষ্ঠাত



নতশিৰে গ্ৰহণ কৰিলোঁ ৰাইজৰ ৰায়, দায়িত্বশীল বিৰোধী হিচাপে কাম কৰিম

## পৰাজয় স্বীকাৰ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ অসম বিধানসভা নিৰ্বাচনৰ ফলাফলত কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী মিত্ৰজোঁটৰ চৰম পৰাজয়ৰ পিছতে অসম □ ৬ পৃষ্ঠাত

'আগলৈও একে আদৰ্শ দৰ্শনেৰে আগুৱাই যাম'

## খোৱাঙত পৰাজয় স্বীকাৰ অজাপ সভাপতি লুৰীণজ্যোতি গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ মে'** ঃ খোৱাং বিধানসভা সমষ্টিত পৰাজয় বৰণ কৰাৰ পাছতে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি □ ৬ পৃষ্ঠাত

মুখ-থেকেচা প্ৰমোদ বড়োৰ ইউপিপিএলৰ

## বড়োভূমিত হাগ্ৰামাৰ যাদু



**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ৪ মে'** ঃ বড়োভূমিৰ ৰাজনীতিত অভাৱনীয় পৰিৱৰ্তন দেখা গ'ল। বিগত পাঁচবছৰ ধৰি বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিল (বিটিচি)ৰ শাসনভাৰ গভৰাই থকা প্ৰমোদ বড়ো নেতৃত্বাধীন ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল) ১৬ সংখ্যক অসম বিধানসভা নিৰ্বাচনত □ ৬ পৃষ্ঠাত

## ১৭, ২৭২ ভোটৰ ব্যৱধানত বিজেপিৰ কুশল দুৱৰীক পৰাস্ত অখিল গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ মে'** ঃ ৰাজ্যৰ বিৰোধী ঐক্যৰ অন্যতম মুখ্য শক্তি কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদ (অজপ)ৰ নেতা লুৰীণজ্যোতি গগৈ পৰাজয় বৰণ কৰাৰ পিছতে ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ ফালে সমগ্ৰ ৰাজ্যৰ দৃষ্টি নিবদ্ধ হৈ পৰে। □ ৬ পৃষ্ঠাত

ডিএমকে-এআইএডিএমকে ধূলিসাৎ, চৰকাৰ গঠনৰ বাবে সাজু টিভিকে

## তামিলনাডুত ছুপাৰষ্টাৰ বিজয়ৰ বিজয়

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ চিনেমাৰ পৰ্দাৰ দৰেই এক নাটকীয় মূৰ লৈ তামিলনাডুৰ ৰাজনীতিত আত্মপ্ৰকাশ কৰিছে অভিনেতাৰ পৰা ৰাজনীতিবিদ হোৱা জোচেফ বিজয়ে। তেওঁৰ নৱগঠিত দল তামিলাগা ভেট্ৰি কাজাগাম (টিভিকে)য়ে ৰাজ্যখনৰ প্ৰতিষ্ঠিত ৰাজনৈতিক শক্তি ডিএমকে আৰু এআইএডিএমকে-ক ধৰাশায়ী কৰি এক অভূতপূৰ্ব জনমত গঢ়ি তুলিবলৈ সক্ষম হৈছে। শেহতীয়া নিৰ্বাচনী বিশ্লেষণ অনুসৰি, বিজয়ৰ টিভিকে-এ ৩৪.৯০ শতাংশ ভোট লাভ কৰি ৰাজ্যখনৰ সৰ্ববৃহৎ □ ৬ পৃষ্ঠাত

□ পেৰাম্বুৰ, তিৰুচিৰাপল্লীত বিজয়ৰ জয় □



## অসম-বংগত ভোট চুৰিৰ অভিযোগ পুনৰ উত্থাপন ৰাহুল গান্ধীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ অসম আৰু পশ্চিম বংগত বিৰোধী মিত্ৰজোঁটৰ শোচনীয় পৰাজয়ৰ পাছত কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে পুনৰ ভোট চুৰিৰ অভিযোগ উত্থাপন কৰিছে। নিৰ্বাচন আয়োগৰ সহযোগত অসম আৰু পশ্চিম বংগত স্পষ্টৰূপে ভোট চুৰি হৈছে বুলি দাবী কৰি তেওঁ নিজৰ এক্স (পূৰ্বৰ টুইটাৰ) হেণ্ডেলত পোষ্ট কৰে। ৰাহুল গান্ধীয়ে লগতে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে উত্থাপন কৰা অভিযোগক পূৰ্ণ সমৰ্থন □ ৬ পৃষ্ঠাত

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতৰ ৰায়

## সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন নাকচ ফাষ্টট্ৰেক আদালতৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ মে'** ঃ ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন আজি নাকচ কৰে। অভিযুক্ত পক্ষ আৰু অসম □ ৬ পৃষ্ঠাত

২০৬খন আসনত জয়েৰে নিশ্চিত হ'ল বিজেপিৰ চৰকাৰ



মমতা বেনাৰ্জীৰ ১৫ বছৰীয়া শাসনৰ অৱসান

## বংগত মমতাৰ পতন! বিজেপিৰ ঐতিহাসিক জয়

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ যোৱা বছৰৰ নৱেম্বৰ মাহত বিহাৰ বিধানসভা নিৰ্বাচনত এন ডি এৰ বিপুল জয়ৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গংগা নদীৰ উপমা দি কৈছিল যে 'গংগা বিহাৰৰ পৰা বংগলৈ বৈ যায়'। সেই কথাষাৰ আজি সঁচা হৈ পৰিল। সুদীৰ্ঘ ১৫ বছৰৰ অন্তত পশ্চিম বংগত তৃণমূল কংগ্ৰেছৰ চৰকাৰৰ পতন ঘটিল আৰু বিজেপিয়ে এক ঐতিহাসিক জয় সাব্যস্ত কৰিলে। প্ৰায় দুশখন আসনৰ কাষ চাপি বিজেপিয়ে ৰাজ্যখনত নিজৰ আধিপত্য বিস্তাৰ □ ৬ পৃষ্ঠাত

■ এন ডি এ-ৰ মুখথেকেঁচা; মাথোঁ ২খন আসন ■

## কেৰালাত কংগ্ৰেছ নেতৃত্বাধীন ইউডিএফৰ শতকেৰে বৃহৎ জয়

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ অসম বিধানসভা নিৰ্বাচনৰ ফলাফলৰ লগতে আজি কেৰালা বিধানসভাৰ নিৰ্বাচনী ফলাফলো ঘোষণা কৰা হয়। □ ৬ পৃষ্ঠাত





'আধুনিক প্ৰযুক্তিৰ অনন্য উদাহৰণ'

## অপাৰেচন সেন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তিত ৰাজনাথ সিঙৰ গৌৰৱোক্তি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ অপাৰেচন সেন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তিৰ কিছুদিন পূৰ্বে, সোমবাৰে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই অভিযানক ভাৰতীয় সেনাই সন্ত্ৰাসবাদী সংগঠন আৰু তেওঁলোকৰ পৃষ্ঠপোষক- □ ৬ পৃষ্ঠাত

"বিজেপিৰ প্ৰথম কাম হ'ব বাংলাদেশ সীমান্ত ছীল কৰাৰ বাবে BSFক মাটি দিয়া"

## অসমৰ জনতাক কৃতজ্ঞতা জ্ঞাপন ড° হিমন্ত বিশ্ব শৰ্মাৰ

জুবিন গাৰ্গ ইছ্যুত কংগ্ৰেছৰ নিকৃষ্ট ৰাজনীতিৰ বাবে ৰাইজে শাস্তি দিলে ঃ হিমন্ত বিশ্ব শৰ্মা




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ মে'** ঃ একশৰ অধিক আসন লাভ কৰি অসমত তৃতীয়বাৰলৈ চৰকাৰ গঠনৰ দিশত আগবাঢ়িছে এনডিএ মিত্ৰজোঁট। সোমবাৰে ভোটগণনাৰ পিছতে ঘোষিত এই ফলাফলে স্বাভাৱিকতে উল্লাসৰ সৃষ্টি কৰিছে বিজেপি, অগপ আৰু বিপিএফৰ নেতা- □ ৬ পৃষ্ঠাত

অসম, পশ্চিম বংগ, পুডুচেৰীৰ জনতালৈ কৃতজ্ঞতা মোদীৰ

## দিল্লীৰ বিজেপি মুখ্য কাৰ্যালয়ৰ পৰা দেশবাসীক সম্বোধন প্ৰধানমন্ত্ৰী মোদীৰ

□ নীতিন নবীনৰ নেতৃত্বৰ প্ৰশংসা; গংগা, ব্ৰহ্মপুত্ৰ, মা কামাখ্যাৰ আশীৰ্বাদ □



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফল চূড়ান্ত হোৱাৰ পিছতে দিল্লীস্থিত বিজেপিৰ মুখ্য কাৰ্যালয়ৰ পৰা দেশবাসীক সম্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই ঐতিহাসিক জয়ক কেন্দ্ৰ কৰি তেওঁ নিজৰ অভিব্যক্তি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী গৰাকীয়ে কয় যে আজিৰ এই জয় ঐতিহাসিক □ ৬ পৃষ্ঠাত

## APCCৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙৰ পদত্যাগ, নিৰ্বাচনী পৰাজয়ৰ দায়িত্ব স্বীকাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ মে'** ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ (APCC) তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙে আজি পদৰ পৰা ইস্তফা দিলে। শেহতীয়া অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ ভয়াৱহ পৰাজয়ৰ পিছতে তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গেলৈ লিখা এখন চিঠিত জিতেন্দ্ৰ সিঙে জনায় যে তেওঁ তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ অসম প্ৰদেশ কংগ্ৰেছ □ ৬ পৃষ্ঠাত



## মোবাইলে ছাত্ৰ-ছাত্ৰীৰ জীৱন ধ্বংস কৰি পেলাইছে, ভাল কামত ব্যৱহাৰ কৰিব নোৱাৰিলে মানুহৰ জীৱনত ডাঙৰ শত্ৰু ঃ ড° মিণ্টু পাঠক

# ডিমাকুছিৰ ৰজাগড়ত সুখ্যাতিৰে উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ২ মে’ ঃ** সদৌ বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ৰজাগড় জ’ন সমিতিৰ উদ্যোগত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা। চাহ সন্থাৰ ৰজাগড় জ’ন সমিতিৰ অন্তৰ্গত অঞ্চলৰ পৰা সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতীত্বৰে উত্তীৰ্ণ প্ৰায় ১৬৫ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, ফুলাম গামোচা আৰু একোখনকৈ অভিধানেৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ৰজাগড় জ’ন সমিতিয়ে। ৰজাগড়ৰ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত শুক্ৰবাৰে অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানটিৰ আঁত ধৰে দৰং জিলাৰ জনপ্ৰিয় ইউটিউবাৰ ৰাকেশ ডেকাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি টংলা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক ড° মিণ্টু পাঠকে ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ পৰিকল্পনাৰ ক্ষেত্ৰত সজাগ হ’বলৈ আহ্বান জনাই। নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলৰ ক্ৰমাত বাঢ়ি মবাইল আসক্তিৰ কথা উনুকিয়াই বিশিষ্ট শিক্ষাবিদ গৰাকীয়ে ভাল কামত মবাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰিলে মবাইল ফোনে মানুহৰ বাবে ডাঙৰ শত্ৰু হৈ পৰে বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰী সকলক মবাইলৰ ব্যৱহাৰ ধনাত্মক দিশত কৰিবলৈ আহ্বান জনাই। একেখন সভাত উপস্থিত থাকি টংলা প্ৰেচিডেন্সি জুনিয়ৰ কলেজৰ অধ্যক্ষ মোহন শৰ্মাই ছাত্ৰ-ছাত্ৰী সকলক নিজৰ কেৰিয়াৰক লৈ এতিয়াৰে পৰা সচেতন হ’বলৈ আহ্বান জনাই পৰীক্ষাৰ নম্বৰৰ লগতে মূল্যবোধৰ শিক্ষাৰ ওপৰতো গুৰুত্ব দিবলৈ আহ্বান জনাই। সম্বৰ্ধনা অনুষ্ঠানত ওদালগুৰি জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি প্ৰমোদ হাজৰিকা, ডিমাকুছি জ’ন সমিতিৰ সভাপতি কেদাৰ খৰেল, সম্পাদক হেমচন্দ্ৰ ডেকা, অৱসৰী শিক্ষক সন্তো হাজৰিকা আৰু খগেন চহৰীয়া, ওপৰ নালাপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অভিজিৎ দাস, শিক্ষক পংকজ বড়া, নাগাৰা নামৰ পাঠক লক্ষ্যধৰ দাস প্ৰমুখ্যে বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## গেৰুৱা গাঁওবাসীয়ে নাম কীৰ্তন আৰু বেণ্ডপাৰ্টিৰে স্বগৃহলৈ জনালে আদৰণী

# টংলা গেৰুৱাৰ যুৱক সতীশ ৰাভাৰ ভাৰতীয় সেনাত ২৪ বছৰে দেশৰ সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰি স্বগৃহত পদাৰ্পণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টৰ, টংলা, ২ মে’ ঃ** ওদালগুৰি জিলাৰ টংলাৰ সমীপৰ দ্যা আৰ্মী ভিলেজ খ্যাত গেৰুৱা গাঁৱত আজি এক আবেগিক আৰু অন্তৰস্পৰ্শী দৃশ্যই সকলোৰে মণ মোহিত কৰে। গেৰুৱা গাঁও নিবাসী প্ৰাক্তন ভাৰতীয় সেনা তৰুণ ৰাভাৰ সন্তান সতীশ ৰাভাই ভাৰতীয় সেনাত সুদীৰ্ঘ ২৪ বছৰ ২৩ দিন দেশমাতৃৰ সেৱাত নিয়োজিত হৈ অৱসৰ গ্ৰহণ কৰি আজি স্বগৃহত সোশৰীৰে পদাৰ্পণ কৰে। ২০০২ চনৰ এপ্ৰিল মাহত ভাৰতীয় সেনাত যোগদান কৰি অৱসৰ গ্ৰহণ কৰা হাবিলদাৰ সতীশ ৰাভাই আজি দুপৰীয়া নিজ গাঁৱত পদাৰ্পন কৰাৰ মুহূৰ্তত গাঁওবাসীয়ে আদৰিঅনা দৃশ্য আছিল অতি আবেগ ভৰা। গেৰুৱা গাঁৱৰ আই মাতৃ সকলে নাম কীৰ্তনেৰে আৰু পুৰুষ সকলে বৰ কাঁহ আৰু বেণ্ডবজাই সম্পূৰ্ণ মাংগলিক ৰীতি-নীতিৰে ৰাজ পথৰ পৰা স্বগৃহলৈ আদৰি আনে। সকলোৰে অন্তৰ চুই যোৱা মুহূৰ্ত্তত ৰাইজৰ প্ৰতি গৰাকীয়ে গামোচা পিন্ধাই স্বগৃহলৈ তেওঁক আদৰাৰ দৃশ্য আছিল সকলোৰে মম মোহিত কৰা। হাবিলদাৰ সতীশ ৰাভাই আজি শেষবাৰৰ বাবে সামৰিক পোছাকত স্বগৃহত উপস্থিতহৈ ৰাইজে তেওঁক আদৰ সাদৰেৰে আদৰণী জনোৱা মুহূৰ্ততটোৱে তেওঁক আবেগিক কৰি তোলে। হাবিলদাৰ সতীশ ৰাভাই স্বগৃহত প্ৰবেশ কৰাৰ পূৰ্বে গাঁওবাসীৰ লগত গাঁৱৰ ৰাজহুৱা নামঘৰত সেৱা লয়। ইয়াৰ পিছতে গাঁওবাসী আৰু পৰিয়ালে তেওঁৰ চৰণ ধুৱাই আয়তিৰ উৰুলিৰে ঘৰৰ চোতালত জ্যেষ্ঠ সকলৰ ওচৰৰ আঁঠু কাঢ়ি সেৱা লয়। অৱসৰৰ পিছত স্বগৃহত উপস্থিত হোৱা হাবিলদাৰ সতীশ ৰাভাই নিজৰ মনৰ ভাব ব্যক্ত কৰি কয় যে, দেশ মাতৃৰ সেৱাত অসম, উত্তৰাঅঞ্চল, কাশ্মীৰ, মধ্য প্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ, আদিৰ উপৰিও বহিঃৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকা আৰু ভূটানত সেৱা আগবঢ়োৱা সুযোগ জীৱনৰ বাবে স্মৰণীয় হৈ ৰ’ব। মই ভাৰতীয় সেনাত নিষ্ঠা আৰু দক্ষতাৰে সেৱাত থকা বাবে দক্ষিণ আফ্ৰিকা আৰু ভূটানত অতিবাহিত সময়বোৰ জীৱনত আটাইতকৈ স্মৰণীয়হৈ ৰ’ব বুলি মনোভাৱ ব্যক্ত কৰে। তেওঁ নতুন প্ৰজন্মৰ যুৱক-যুৱতী সকলক ভাৰত চৰকাৰে আগবঢ়োৱা অগ্নিবীৰত যোগদান কৰি দেশ সেৱা কৰিবলৈ আহ্বান জনায়। ভাৰতীয় সেনাৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিচত সুবিধা অনুযায়ী পুনৰ দেশ মাতৃৰ প্ৰতি সেৱা আগবঢ়োৱা ইচ্ছা প্ৰকাশক কৰে হাবিলদাৰ সতীশ ৰাভাই। গেৰুৱা গাঁওবাসীয়ে সুদীৰ্ঘ দিনৰ অন্তত গাঁৱৰ লৰা সতীশ ৰাভাক সোশৰীৰে আদৰিবলৈ পাই গৌৰৱ অনুভৱ কৰে।

■ শোক স্তব্ধ ব্যাসপাৰাকে ধৰি টংলা অঞ্চল ■

# অৱসৰপ্ৰাপ্ত শিক্ষক, জ্যোতিষী মহেন্দ্ৰ দেৱশৰ্মাৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টৰ, টংলা, ২ মে’ ঃ** ওদালগুৰি জিলাৰ টংলা নগৰৰ ৪ নং খণ্ডৰ চিত্ৰনগৰ নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক, জ্যোতিষী মহেন্দ্ৰ দেৱশৰ্মা(৭১)ৰ কালি সন্ধিয়া ৫-৩৫ বজাত চিকিৎসাধীন অৱস্থাত হৃদৰোগত আক্ৰান্ত হৈ চাংসাৰিস্থিত এইমছ হাস্পাতালত মৃত্যু ঘটে। পানেৰী অঞ্চলৰ ৪ নং ভূটিয়াচাং প্ৰাথমিক বিদ্যালয়ৰ ১৯৮২ চনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাবে শিক্ষকতা আৰম্ভ কৰি ২০১৫ চনৰ ফেব্ৰুৱাৰী মাহত অৱসৰ গ্ৰহণ কৰা শ্ৰীশৰ্মা জ্যোতিষ শাস্ত্ৰত পাৰ্গত জ্যোতিষী হিচাবেও ৰাইজৰ মাজত সুপৰিচিত আছিল। তেখেতৰ আকষ্মিক বিয়োগত ব্যাসপাৰাৰ উপৰি টংলা, পানেৰী, বেংবাৰী আদি অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। বটিয়মাৰী জ্যোতিস্মৃতি সংঘৰ প্ৰতিষ্ঠাপক সদস্য, পঞ্চজ্যোতি বিহু দলৰ প্ৰতিষ্ঠাপক সদস্য হোৱাৰ উপৰি পানেৰী সাহিত্য সভাৰ সদস্য শ্ৰী শৰ্মা ১৯৫৫ চনৰ ১মাৰ্চত দৰং জিলাৰ ব্যাসপাৰাত জন্মগ্ৰহণ কৰিছিল। সামাজিক কাম-কাজত আগৰণুৱা সদা মিষ্টভাষী শ্ৰীশৰ্মাই মৃত্যুৰ সময়ত পত্নীৰ লগতে তিনি গৰাকী জীয়ৰী, দুজন জোৱাই আৰু নাতি-নাতিনীসহ, জ্যেষ্ঠ ভাতৃ-বৌ, ভতিজা আৰু যথেষ্ট সংখ্যক আত্মীয়ক ইহসংসাৰত এৰি যায়। আজি ব্যাসপাৰাৰ নিজ জন্ম গাঁৱত পৰিয়াল-পৰিজন, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি আৰু যথেষ্ট সংখ্যক গুণমুগ্ধ ৰাইজে তেওঁলৈ অন্তিম শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছত অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। তেখেতৰ মৃত্যুত ব্যাসপাৰা দুৰ্গা পূজা সমিতি, ব্যাসপাৰা সেৱক সংঘ, বিষ্ণু মন্দিৰ পৰিচালনা সমিতি, চিত্ৰনগৰ লক্ষ্মী মন্দিৰ পৰিচালনা সমিতি, টংলা সাহিত্য সভা, পানেৰী সাহিত্য সভা, ওদালগুৰি জিলা সাহিত্য সভা, ওদালগুৰি জিলা বড়োলেণ্ড সাংবাদিক সন্থা, সদৌ টংলা ৰঙালী বিহু সন্মিলনী, টংলা প্ৰেছ ক্লাব আদিয়ে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## পত্নীক ঘপিয়াই হত্যা স্বামীৰ

# বিজনীত চাঞ্চল্যকৰ হত্যাকাণ্ড

**অসম বাৰ্তা, বিজনী, ২ মে’ ঃ** শুকুৰবাৰে নিশা চিৰাং জিলাৰ বিজনী থানাৰ অন্তৰ্গত মঙ্গোলিয়ানৰ থুৰিবাৰীত এক লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে। স্থানীয় শুকুৰ বসুমতাৰী (৫৫) নামৰ এজন লোকে সুৰাসক্ত অৱস্থাত পত্নীক দাৰে ঘপিয়াই হত্যা কৰা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি শুকুৰবাৰে দিনযোৱাভাৱে পৰিয়ালটোৰ ঘৰত চলি থকা নাতিনীয়েকৰ নামকৰণৰ মাঙ্গলিক অনুষ্ঠানৰ অন্তত নিশা ১২ মান বজাত স্বামী শুকুৰ বসুমতাৰীয়ে(৫৫) সুৰাসক্ত অৱস্থাত পত্নী সবিতা বসুমতাৰীক(৪৪) দাৰে ঘপিয়াই হত্যা কৰে। জানিব পৰা মতে স্বামী আৰু পত্নী দুয়োজনেই সুৰা সেৱন কৰিছিল। সুৰাসক্ত অৱস্থাত স্বামী-পত্নীৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। এনে পৰ্যায়তে সুৰাৰ ৰাগীত মাতাল শুকুৰ বসুমতাৰীয়ে দাৰে ঘপিয়াই হত্যা কৰে পত্নীক। আজি পুৱাৰ ভাগত ঘটনাস্থলীত বিজনীৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। আনহাতে আৰক্ষীৰ দলটোৱে হত্যাকাণ্ডত ব্যৱহৃত দা’খন জব্দ কৰাৰ লগতে হত্যাকাৰী স্বামী শুকুৰ বসুমতাৰীক ঘৰতেই গ্ৰেপ্তাৰ কৰি বিজনী থানালৈ লৈ আহে। পাছত ৫৪/২৬ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# নিশামণি হালৈৰ পৰিয়ালক সাক্ষাৎ গোৰ্খা ছাত্ৰ সন্থাৰ; গভীৰ সমবেদনা জ্ঞাপন



**অসম বাৰ্তা, গোৰেশ্বৰ, ২ মে’ ঃ** ৰঙালী বিহুৰ আনন্দ-উলাহৰ মাজতে যোৱা ২৪ এপ্ৰিলৰ পুৱতি নিশা তামোলপুৰৰ নোৱাখাটত সংঘটিত হোৱা এক মৰ্মান্তিক পথ দুৰ্ঘটনাই সমগ্ৰ ৰাজ্যতে গভীৰ শোকৰ ছাঁ পেলাইছে। এই দুৰ্ঘটনাত গোৰেশ্বৰৰ নিজঝাৰগাঁও নিৱাসী নাগাৰা নামৰ জনপ্ৰিয় পাঠিকা তথা বিশিষ্টা বিহুৱতী নিশামণি হালৈয়ে অকালতে প্ৰাণ হেৰুওৱা ঘটনাই অঞ্চলটোত এতিয়াও শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। এই মৰ্মান্তিক ঘটনাৰ পাছতে শিল্পীগৰাকীৰ নিজঝাৰগাঁৱৰ বাসগৃহত বিভিন্ন দল-সংগঠন, সাংস্কৃতিক কৰ্মী, শুভাকাংক্ষী আৰু গুণমুগ্ধসকলে সমবেদনা জ্ঞাপনৰ বাবে সোঁত বোৱাইছে। এনে পৰিপ্ৰেক্ষিততে আজি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা চমুকৈ আগছুৰ এটি সঁজাতি দল শোকাকুল পৰিয়ালটোক সাক্ষাৎ কৰিবলৈ তেখেতসকলৰ বাসগৃহত উপস্থিত হয়। সংগঠনটোৰ তামোলপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক বিপ্লৱ চিমৰীয়াৰ নেতৃত্বত অহা দলটোৱে প্ৰথমে নিশামণি হালৈৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু পৰিয়ালটোৰ সৈতে কিছু সময় অতিবাহিত কৰি এই দুখৰ সময়ত গোৰ্খা ছাত্ৰ সন্থাৰ লগতে সমগ্ৰ গোৰ্খা সমাজ তেওঁলোকৰ কাষত থিয় হৈ আছে বুলি আশ্বাস প্ৰদান কৰে। লগতে কয় যে নিশামণি হালৈৰ দৰে এগৰাকী প্ৰতিভাশালী লোকশিল্পীৰ অকাল বিয়োগ কেৱল এটি পৰিয়ালৰ বাবে নহয়, বৰঞ্চ সমগ্ৰ অঞ্চল আৰু অসমীয়া সমাজখনৰ বাবেও এক অপূৰণীয় ক্ষতি। উক্ত কাৰ্যসূচীত সংগঠনটোৰ তামোলপুৰ জিলা সমিতিৰ উপ-সভানেত্ৰী ৰশ্মি ছেত্ৰী, সম্পাদক ৰাজু চিটৌলা, কাৰ্যনিৰ্বাহক সদস্য সংগীত মগৰ, পূব ডেফেলী আঞ্চলিক সমিতিৰ সভাপতি বিশাল মৈনালী, নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ সভাপতি ৰবি শংকৰ উপ্ৰেতি প্ৰমুখ্যে আন কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।

## বাৰিষাৰ পূৰ্বে পথ মেৰামতিৰ দাবী

# কলিয়াবৰত একাধিক শোচনীয় পথে জ্বলা-কলা খুৱাইছে গঞাক

**অসম বাৰ্তা, কলিয়াবৰ, ৪ মে’ ঃ** কলিয়াবৰত এতিয়া একাধিক শোচনীয় পথে সৰ্বসাধাৰণ গঞা ৰাইজক জলা কলা খুওৱা পৰিলক্ষিত হৈছে। বিশেষকৈ ইয়াৰ বামুণী পথাৰ অঞ্চলৰ এটা পথে পথচাৰী সাধাৰণ ৰাইজক হাৰাশাস্তি ভোগাই আহিছে। কেইবাবছৰ ধৰি বামুণী পথাৰৰ পৰা শাকমুঠীয়া চাহ বাগিছা সংযোগী পথটোৰ জৰাজীৰ্ণ ৰূপৰ বাবেই ছাত্ৰ-ছাত্ৰীৰ লগতে ৰোগী অহা যোৱা ক্ষেত্ৰতো অসুবিধাৰ সন্মুখীন হৈছে। শীঘ্ৰে পথচোৱা নিৰ্মাণৰ দাবী তুলিছে সাধাৰণ লোকসকলে। ইফালে ইয়াৰ নিজৰি - হাত বাগান আৰু মিছা সংযোগী পথৰ দুৰৱস্থাই অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজক দীৰ্ঘদিন ধৰি জীয়াতু ভোগাই অহাৰ অভিযোগ উত্থাপন হৈ আহিছে যদিও সংশ্লিষ্ট বিভাগ তথা চৰকাৰে লেশমানো গুৰুত্ব দিয়াৰ অভিযোগ উঠিছে। উল্লেখ্য যে, হাটবৰ গাঁও পঞ্চায়তৰ অধীনৰ নিজৰিৰ পৰা নিজৰি পথাৰ, হাত বাগান, ওপৰ দাঙা হৈ মিছা সংযোগী কেঁচা পথটি আজি কোপতি পকীকৰণ নোহোৱাত সংশ্লিষ্ট জনসাধাৰণে যাতায়াতৰ ক্ষেত্ৰত অশেষ কষ্ট ভোগ কৰিব লগা হৈছে। বিশেষকৈ ভাৰত বৰ্ষই স্বাধীনতা লাভ কৰাৰ ৭৮বছৰৰ পাছতো অতিকৈ পাছপৰা অঞ্চলটোৰ উন্নয়ন কৰাৰ ক্ষেত্ৰত স্থানীয় পঞ্চায়ত প্ৰতিনিধি তথা বিধায়ক গৰাকীয়ে গুৰুত্ব আৰোপ নকৰা কথাই ৰাইজক ক্ষুব্ধ কৰি তুলিছে। বিশেষকৈ অংগনৱাদী কেন্দ্ৰ আৰু স্কুল কলেজলৈ যোৱা ছাত্ৰ ছাত্ৰীৰ লগতে চিকিৎসা কৰ্মী আশা কৰ্মী, নিতৌ অফিচ কাছাৰিলৈ যোৱা লোক সকলে যাতায়াতৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সন্মুখীন হৈ আহিছে। বাৰিষা বতৰৰ কথা নকলোৱেবা। পথটোত সঘনে চলাচল কৰা ট্ৰেক্টৰ আদি দঘূৰ যান বাহনে কেঁচা পথটি অনিষ্ট কৰি আহিছে। আজি অঞ্চলটোত পৰিভ্ৰমণ কৰাৰ সময়ত স্থানীয ক্ষুব্ধ লোকে কেঁচা পথটোৱে পথচাৰীক জলা কলা খুৱাই অহাৰ কথা দোহাৰে। অঞ্চল বাসী ৰাইজে বাৰিষাৰ পূৰ্বে পথ মেৰামতিৰ দাবী জনাইছে।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উজ্জ্বলিল প্ৰণৱ পৌডেল

**অসম বাৰ্তা, গোৰেশ্বৰ, ২ মে’ ঃ** সদ্যঘোষিত ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ডিষ্টিংচন নম্বৰেৰে উজ্জ্বলিল গোৰেশ্বৰৰ প্ৰণৱ পৌডেল। অঞ্চলটোৰ ভূটান সীমান্তৰ দেউচুঙা নিৱাসী পিতৃ ধনপতি পৌডেল আৰু মাতৃ যমুনা পৌডেলৰ সুযোগ্য সন্তান তথা টংলাৰ নেচনেল পায়নিয়াৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ কলা শাখাৰ মেধাৱী ছাত্ৰ প্ৰণৱ পৌডেলে সকলো বিষয়তে লেটাৰ নম্বৰসহ মুঠ ৯৩.৪ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। মেধাৱী ছাত্ৰজনৰ এনে সফলতাত তেওঁৰ পিতৃ-মাতৃৰ লগতে সমগ্ৰ অঞ্চলটোৰ লোকসকল উৎফুল্ল হৈ পৰিছে। ছাত্ৰগৰাকীয়ে ভৱিষ্যতে উচ্চ শিক্ষা গ্ৰহণ কৰি এগৰাকী দক্ষ প্ৰশাসনিক বিষয়া হোৱাৰ লক্ষ্য লৈ আগবাঢ়ি যোৱাৰ কথা উল্লেখ কৰে। ইপিনে, একে অঞ্চলৰে আন কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাত উল্লেখযোগ্য ফলাফল লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। অঞ্চলটোৰ মৃণ্ময় ডেকাই ৯৪ শতাংশ, দীপেশ খৰেলে ৯০ শতাংশ, বিকাশ বিশ্বকৰ্মাই ৮৯.২ শতাংশ, অঞ্জনা দেৱীয়ে ৮৭.৭ শতাংশ, আশিষ গদাইলীয়ে ৮৫.৫ শতাংশ, সৃজনা শ্ৰেষ্ঠই ৮৪ শতাংশ, আৰয়ান খৰেলে ৮২ শতাংশ আৰু বাসুদেৱ কৌশিকে ৮০.৮ শতাংশ নম্বৰ লাভ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ এনে সাফল্যত সন্তোষ প্ৰকাশ কৰি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ লগতে স্থানীয় বিভিন্ন দল-সংগঠনে ছাত্ৰ-ছাত্ৰীসকলৰ বাসগৃহত উপস্থিত হৈ সম্বৰ্ধনা জনোৱাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰে।

**NAME CORRECTION**

In my Aadhar Card my name has been wrongly recorded as Pranjal Doley instead of Mithun Doley. But my actual name is Mithun Doley, which is recorded in my all relevant papers and documents. Both Mithun Doley and Pranjal Doley is the same name and i.e. myself. Applying for correction at the appropriate authority.

Mithun Doley
S.O.- Potai Doley
R.O.- Dirpai Ajarguri
P.O.- Ukhamati
P.S.- Gogamukh
Dist- Dhemaji, Assam

AB-60/2026

# মৰিগাঁও জিলা কৃষি বিভাগৰ অধীনত কৃষক সজাগতা সভা


**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, মৰিগাঁও, ২ মে’ ঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ অধীনত তথা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ (CSSঔATMA) উদ্যোগত ৰাসায়নিক সাৰৰ সুষম প্ৰয়োগ সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে শনিবাৰে বিশেষ সজাগতামূলক কাৰ্যসূচী ৰূপায়ন কৰা হয়। ধৰিত্ৰী মাতৃ বচাও শীৰ্ষক অভিযানৰ অংশৰূপে ভূৰবন্ধা ব্লক তথা কৃষি চক্ৰৰ অধীনত আয়োজিত অনুষ্ঠানত ৰাজ্যিক কৃষি ব্যৱস্থাপনা আৰু প্ৰসাৰণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ডাইৰেক্টৰ ৰাজীৱ কুমাৰ ভূঞা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত আয়োজিত অনুষ্ঠানত ৰাসায়নিক সাৰৰ সঠিক ব্যৱহাৰ প্ৰসংগত কৃষক সকলৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত জিলা কৃষি বিষয়া গৰাকীয়ে কৃষিখণ্ডত অনিয়ন্ত্ৰিত আৰু অবাধ হাৰত ৰাসায়নিক সাৰ তথা কীটনাশক প্ৰয়োগ ৰোধ কৰিবলৈ জিলা কৃষি বিষয়া গৰাকীয়ে আহ্বান জনায়। উক্ত অনুষ্ঠানত মাটিৰ উৰ্বৰতা শক্তি বাহাল ৰখা, ইউৰিয়া আৰু DAPৰ অবিবেচিত ব্যৱহাৰে মাটিৰ স্বাস্থ্য কি দৰে নষ্ট কৰিছে আদি বিষয়ত আলোকপাত কৰি ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা পৰিহাৰ কৰি জৈৱিক সাৰ, কেচুসাৰ, মিশ্ৰ সাৰৰ ব্যৱহাৰ কৰি মাটিৰ উৰ্বৰতা বৃদ্ধি কৰাৰ প্ৰসংগত বিশদভাৱে আলোকপাত কৰা হয়। ইয়াৰ উপৰিও ভূমি স্বাস্থ্য প্ৰমাণ পত্ৰ আৰু ইয়াৰ প্ৰয়োজন আৰু উপকাৰিতা, প্ৰাকৃতিক কৃষি, জৈৱিক কৃষিৰ সন্দৰ্ভত ব্যাপক ভাৱে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। প্ৰায় শতাধিক কৃষক ৰাইজৰ উপস্থিতিত আয়োজিত সজাগতা অনুষ্ঠানত মহকুমা কৃষি বিষয়া তথা নডেল বিষয়া মুছাহীদ ফাৰুকী, মেহেদী আৰিফ হুচেইন, গৌতম নাথ, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া পদুম বৰা, ভূৰবন্ধা কৃষি চক্ৰৰ উন্নয়ন বিষয়া লোনা বৰুৱা, আত্মাৰ ডেপূটী প্ৰজেক্ট ডাইৰেক্টৰ হীৰা মণি দাস, গছৰ গুৰি কৃষি চক্ৰৰ উন্নয়ন বিষয়া অম্লান নাথ, গেৰুৱা কৃষি চক্ৰৰ উন্নয়ন বিষয়া অনিৰ্বাণ দত্ত, ভূৰবন্ধা ব্লকৰ BTM অভিজিৎ বৰদলৈ, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথৰ লগতে কৃষি সম্প্ৰসাৰণৰ সহায়ক সকল উপস্থিত থাকে।

# অভয়াপুৰী মহাবিদ্যালয়ত একেদিনাই দুখনকৈ সভা অনুষ্ঠিত কৰি বিদাই সম্বৰ্ধনা জনালে ড° নুৰ ৰহমান ভূঞাক

**অসম বাৰ্তা, লেংটিছিঙা, ২ মে’ ঃ** নামনি অসমৰ ঐতিহ্যমণ্ডিত অভয়াপুৰী মহাবিদ্যালয়ত ১৯৯৫ চনৰ ১২ ডিচেম্বৰত প্ৰৱক্তা হিচাপে যোগদান কৰি সুদীৰ্ঘ ৩০ বছৰ ৪ মাহ ১৪ দিন নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ অন্তত যোৱা ৩০ এপ্ৰিলত অৱসৰ গ্ৰহণ কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক ড° নুৰ ৰহমান ভূঞাই। ড° নুৰ ৰহমান ভূঞাক বিদায় জনাবলৈ ৩০ এপ্ৰিলত পুৱাৰ ভাগত কলেজ খনত ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা বিভাগীয় ভাৱে অনুষ্ঠিত কৰে এখন বিদায় সম্বৰ্ধনা সভা। বিভাগীয় মূৰব্বী অধ্যাপক ভাস্কৰ জ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্যে ব্যাখ্যা কৰে সহযোগী অধ্যাপিকা ৰংগীনা বসুমতাৰীয়ে। উক্ত সভাত ড° নুৰ ৰহমান ভূঞাক ফুলাম গামোচা, মানপত্ৰ, শৰাই আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। আনহাতে উক্ত দিনাই আবেলি দুই বজাত কলেজ খনৰ শিক্ষক-কৰ্মচাৰীৰ যৌথ উদ্যোগত অনুষ্ঠিত হয় আন এখন বিদায় সম্বৰ্ধনা সভা। কলেজ খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাণজিৎ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত ড° নুৰ ৰহমান ভূঞাক ফুলাম গামোচা, মানপত্ৰ, শৰাই, শল আৰু ধৰ্মীয় গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। কলেজখনত ড° নুৰ ৰহমান ভূঞাই তেওঁৰ কৰ্মময় জীৱনৰ কলেজখনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে সাত বছৰ সেৱা আগবঢ়ায়। এক বছৰ কলেজ পৰিচালনা সমিতিৰ শিক্ষক প্ৰতিনিধিত্ব কৰাৰ লগতে কলেজ খনত ১২ বছৰ শিক্ষা সম্প্ৰসাৰণ কেন্দ্ৰৰ সমন্বয়ক হিচাপে সেৱা আগবঢ়াইছিল। অভয়াপুৰী মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে আই কিউ এ ছি হিচাপে চাৰি বছৰ সেৱা আগবঢ়ায়। ড° নুৰ ৰহমান ভূঞাই কলেজখনৰ উন্নয়নৰ বাবে গঠিত বিভিন্ন উপ-সমিতি সমূহৰো সদস্য পদ লাভ কৰি দক্ষতাৰে সেৱা আগবঢ়াইছিল বুলি উপস্থিত বক্তা সকলে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। উক্ত সভাত ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰাজেশ তেৱাৰী, অভয়াপুৰী কলেজ শিক্ষক পৰিষদৰ সভাপতি জগান নাথ দাস, ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক ভাস্কৰ জ্যোতি দাস, শিক্ষা বিভাগৰ মূৰব্বী অধ্যাপক আতোৱাৰ ৰহমান, জেষ্ঠ অধ্যাপক ড° হিতুৰাম ৰায়, আৰবী বিভাগৰ মুৰব্বী অধ্যাপক আমজাদ হুছেইন আৰু অধ্যাপক ধৰ্মেন্দ্ৰ দাস আদিয়ে বিদায়ী সভাত উপস্থিত থাকি ড° নুৰ ৰহমান ভূঞাৰ কৰ্মময় জীৱনৰ আলোকপাত কৰে।

## ‘সৰস্বতী বন্দনাৰ পৰিৱৰ্তে বৰগীত পৰিৱেশনেৰে আৰম্ভ কৰা হ’লে অধিক সুখী হ’লোহেঁতেন’

# দৰং জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ নৱনিৰ্মিত ভৱন উদ্বোধন



**অসম বাৰ্তা, মঙলদৈ, ২ মে’ ঃ** দৰং ন্যায়িক জিলাৰ অৱদান তাৎপৰ্যপূৰ্ণ। ১৯৮৪ চনৰ পহিলা অক্টোবৰত স্থাপন হোৱা দৰং ন্যায়িক জিলাই বিগত দশকত স্থানীয় পৰ্যায়ত আইনী প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ সম্পূৰ্ণ সূক্ষ্মতাৰে সেৱা আগবঢ়াই আহিছে। এইক্ষেত্ৰত মঙলদৈ উকীল সন্থাই আগবঢ়াই অহা অৱদান উল্লেখযোগ্য। ১৯১৬ চনত অবিভক্ত জিলা হিচাপে থকা অৱস্থাত গঠন হোৱা মঙলদৈ উকিল সন্থাই ন্যায় প্ৰশাসনত গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদান কৰি আহিছে। বৰ্তমান ৬০০ সদস্য থকা মঙলদৈ বাৰ এছ’চিয়েছন সক্ৰিয় সংগঠন-এই মন্তব্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ তথা দৰং ন্যায়িক জিলাৰ প’ৰ্টফলিঅ’ জাৰ্জ নেলচন চাইলোৰ। শুকুৰবাৰে দৰং জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ নৱনিৰ্মিত ভবন উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰি ন্যায়াধীশ গৰাকীয়ে ভাষণ প্ৰসংগত এইদৰে কয়। মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ নৱনিৰ্মিত ভৱন সময়ৰ প্ৰয়োজনীয়তা বুলি উল্লেখ কৰি ন্যায়াধীশ চাইলোই কয় যে নৱ-নিৰ্মিত ভৱনটি ন্যায়িক আন্তঃগাঁথনিৰ অবিৰত প্ৰচেষ্টাৰ এক প্ৰতিফলন বুলি উল্লেখ কৰে। অত্যাধুনিক সা-সুবিধা থকা নৱ-নিৰ্মিত আদালত ভৱনটিয়ে সকলোকে ইতিবাচক সেৱা আগবঢ়াব বুলি উল্লেখ কৰি ন্যায়াধীশগৰাকীয়ে ভৱনটি ৰক্ষণাবেক্ষণ আৰু স্বচ্ছতা ৰক্ষা কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। সভাত আন এগৰাকী বক্তা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গৃহ আৰু আন্তঃগাঁথনি সমিতিৰ অধ্যক্ষ ন্যায়াধীশ সঞ্জয় কুমাৰ মেধিয়ে নৱ-নিৰ্মিত ভৱনটিত থকা সা-সুবিধাই ন্যায়িক বিষয়াকে নহয় অধিবক্তা আৰু লিটিজেণ্টক ন্যায় প্ৰদান ব্যৱস্থাত সুবিধা আগবঢ়াব। ভাষণ প্ৰসংগত ন্যায়াধীশগৰাকীয়ে অসমীয়া নৱবৰ্ষ আৰু ব’হাগ বিহুৰ শুভেচ্ছা জনাই নৱ-নিৰ্মিত আদালত গৃহটিয়ে ন্যায়ৰ মন্দিৰ হিচাপে থিয় হৈ থাকিব বুলি আশা প্ৰকাশ কৰি সৰস্বতী বন্দনাৰে সভা আৰম্ভ হোৱাত সন্তোষ প্ৰকাশ কৰি ইয়াৰ ঠাইত বৰগীত পৰিৱেশন কৰিলে ন্যায়াধীশগৰাকী অধিক সুখী হ’লহেঁতেন বুলি কয়। ন্যায়িক বিষয়া জাহ্নবী দাসে পৰিৱেশন কৰা সৰস্বতী বন্দনা আৰু মঙলদৈ উকীল সন্থাৰ সদস্যসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে সভা আৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰী, ন্যায়াধীশ উন্নীকৃষ্ণন নায়াৰ আৰু ন্যায়াধীশ সঞ্জীৱ কুমাৰ শৰ্মা আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। সভাত দৰং জিলাৰ আয়ুক্ত আয়ুসী জৈন আৰু মঙলদৈ উকীল সন্থাৰ সভাপতি মাধৱ চন্দ্ৰ ৰাজবংশীও অতিথি হিচাপে উপস্থিত থাকে। সভাৰ আৰম্ভণিতে দৰং জিলাৰ সত্ৰ আৰু জিলা ন্যায়াধীশ ৰত্নদীপ ভট্টাচাৰ্যই আদৰণী ভাষণ পাঠ কৰি ন্যায়াধীশ আৰু অভ্যাগতসকলক আদৰণি জনায়। মঙলদৈ উকীল সন্থাৰ সভাপতি মাধৱ ৰাজবংশীয়ে আদৰণী ভাষণ আগবঢ়াই দৰং জিলা আৰু মঙলদৈ উকিল সন্থাৰ ইতিহাস সম্পৰ্কত সংক্ষিপ্ত তথ্য দাঙি ধৰে। সভাৰ আৰম্ভণিতে ন্যায়াধীশ আৰু অভ্যাগতসকলক দৰং জিলা জুডিচিয়াৰী আৰু মঙলদৈ উকীল সন্থাৰ তৰফৰ পৰা শৰাই-গামোচা আদিৰে আদৰণি জনায়। সভাত দৰং জিলাৰ ন্যায়িক বিষয়া, মঙলদৈ উকীল সন্থাৰ সদস্য, জিলা আইন সেৱাৰ সদস্য-বিষয়া, প্ৰাক্তন ন্যায়িক বিষয়া, ৰাইজ আদি উপস্থিত আছিল। ৰাখী চক্ৰবৰ্তীয়ে আঁত ধৰা সভাত দৰং জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশ লক্ষ্মীনন্দন পেগুই শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতে ৰাষ্ট্ৰীয় সংগীতৰে সভাৰ সামৰণি পৰে।

বিশিষ্ট লেখক তথা সাংবাদিক চিৰাজ খানৰ গ্ৰন্থ উন্মোচন

# চিন্তা মঞ্চৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**অসম বাৰ্তা, তেজপুৰ সদৰ, ২ মে' ঃ** যোৱা কালি ১ মে তাৰিখে সমাজ সাহিত্য আৰু সংস্কৃতিমূলক স্বেচ্ছাসেৱী সংগঠন চিন্তামঞ্চ, পাঁচমাইল ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। নপাম মজলীয়া বিদ্যালয়ত অনুষ্ঠিত চিন্তা মঞ্চৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা ৮.৪৫ বজাত মঞ্চৰ পতাকা উত্তোলন কৰে মঞ্চ সভাপতি মন বাহাদুৰ চুব্বাই। স্মৃতি তৰ্পণ অনুষ্ঠানত মুখ্য তৰ্পক হিচাপে অংশগ্ৰহণ কৰে নপাম মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক বিপুল কুমাৰ গগৈয়ে। ১০ বজাৰ পৰা আৰম্ভ হোৱা মূল সভাত সভাপতিত্ব কৰে মঞ্চ সভাপতি মন বাহাদুৰ চুব্বাই। গ্ৰন্থ উন্মোচক তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° জ্যোতিষ্মান দাসে কয় যে, তেজপুৰ উত্তৰ পূৰ্বাঞ্চলত কেবাগৰাকীও জ্যেষ্ঠ ব্যক্তি, শাৰীৰিক ভাবে সক্ষম কেবাজনো আৰু উদীয়মান যুব ছাত্ৰৰ গতিশীল বাটৰ নানা দিশ সামৰি ৰচনা কৰা গ্ৰন্থখনত বৃহত্তৰ অঞ্চলটোৰ সামগ্ৰিক ছবি তুলি ধৰা হৈছে। বৃহত্তৰ অঞ্চলটোত বসবাস কৰা বিভিন্ন ধৰ্ম আৰু ভাষা ভাষীৰ লোকৰ কথা লেখকে গ্ৰন্থ খনত তুলি ধৰিছে। এয়া প্ৰশংসনীয় কৰ্ম বুলি সাৱলীল ভাষাৰে বক্তব্য আগবঢ়াই চিন্তা মঞ্চই প্ৰকাশ কৰা চিৰাজ খানৰ "বৰেণ্য আৰু প্ৰতিভাৰ আলোকত" গ্ৰন্থখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা তেজপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা তথা কবি মিতালী শইকীয়াই প্ৰান্তীয় এলেকাৰ ভাষা চৰ্চাৰ সংগঠন চিন্তামঞ্চই অঞ্চলটোত ৰূপায়ণ কৰি থকা কৰ্মসূচীবোৰ নিশ্চয় ইতিবাচক সঁহাৰি লাভ কৰিবলৈ সক্ষম হ'ব। প্ৰসংগক্ৰমে উল্লেখ কৰে যে, সংগঠনৰ লগত ছাত্ৰ-ছাত্ৰী সকলক জড়িত কৰাব পাৰিলে ভাল হয়। তেওঁ অঞ্চলটোত চিন্তা মঞ্চই কৰি যোৱা কামবোৰ সময়ত ইতিহাস হ'ব বুলি উল্লেখ কৰে। সভাত বৰঘাটৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰিয়াজ উদ্দিন আকন্দ, পাঁচমাইল কন্যা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক অৱসৰপ্ৰাপ্ত আলা উদ্দিন আহমেদ, চাহ জনগোষ্ঠী সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি সঞ্জয় কুমাৰ তাঁতী আৰু দৰদী দিচাং প্ৰকাশনৰ স্বত্বাধিকাৰ চিৰঞ্জীৱ বৰুৱা অতিথি হিচাপে উপস্থিত থাকে। বিশিষ্ট লেখক সাংবাদিক চিৰাজ খানে প্ৰকাশ কৰা বৰেণ্য আৰু প্ৰতিভাৰ আলোকত শীৰ্ষক গ্ৰন্থখনত ৩৬ গৰাকী বিশিষ্ট ব্যক্তিৰ জীৱন বৈচিত্ৰ্যৰ বিভিন্ন দিশ উন্মোচন কৰিছে। নিজা প্ৰচেষ্টাত প্ৰকাশ কৰা গ্ৰন্থখন উন্মোচন কৰাৰ পিছত অনুভৱ ব্যক্ত কৰি কয় যে মই তেজপুৰৰ ব্যক্তিসকলৰ বিষয়ে জানিবলৈ যত্ন কৰিছিলোঁ জনাবলৈ যত্ন কৰা নাছিলোঁ। পিছত বন্ধুবৰ্গৰ কথাত আমি গ্ৰন্থ হিচাপে প্ৰকাশ কৰিছোঁ।

অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ইদ্ৰিছ আলীক জন্মদিনৰ ওলগ জ্ঞাপন

# দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলদৈ সাহিত্য সভাৰ আতিথ্যত কবি সন্মিলন

**অসম বাৰ্তা, মঙলদৈ, ২ মে' ঃ** আধুনিক কবিতা যদি দুৰ্বোধ্যই হয়, তেনেহলে তেনে দুৰ্বোধ্য কবিতাই পঢ়ক, যিমান পাৰে সিমান পঢ়ক- এই ভাষ্য দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলদৈ সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত কবি সন্মিলন বিহু গ'লে বিনাবা কাকৰ পৰ্যালোচক বিশিষ্ট অনাতাঁৰ গীতিকাৰ, কবি আব্দুল মালিকৰ। দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলদৈ সাহিত্য সভাৰ আতিথ্যত মঙলদৈ সনাতন ধৰ্ম সভা প্ৰাংগনত শুকুৰবাৰে অনুষ্ঠিত কবি সন্মিলনত প্ৰয্যালোচক আব্দুল মালিকে কবিতা পৰ্যালোচনা কৰি এনেদৰে মন্তব্য কৰে। দৰং জিলা সাহিত্য সভাৰ কবি সন্মিলনখনি অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে। অসম সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিৰ আহবায়ক নৱ ৰাজন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰখাৰ লগতে দুটি স্বৰচিত দুটি পাঠ কৰি উপস্থিত কবি সমাজক উৎসাহিত কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ সাংস্কৃতিক উপশমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ মৃণ্ময় কুমাৰ নাথ আমন্ত্ৰিত কবি হিচাপে উপস্থিত থকাৰ উপৰিও পৰ্যালোচকৰ গুৰুদ্বায়িত্বও পালন কৰে। দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ দেৱে সভাপতিত্ব কৰা কবি সন্মিলনখন সঞ্চালনা কৰে দৰং জিলা সাহিত্য সভাৰ কবি সন্মিলন উপ সমিতিৰ কাৰ্যকৰী সভাপতি বিশিষ্ট কবি ডাঃ কমলা কান্ত শৰ্মাই। কবি সন্মিলনখনি উদ্বোধক হিচাবে উপস্থিত থাকে বিশিষ্ট লেখক, দৰং জিলা সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক অখিল ৰঞ্জন ভট্টৰ গাম্ভীৰ্যপূৰ্ণ কবিতাৰ বিশ্লেষণৰে উদ্বোধন কৰা সভাখনৰ আঁত ধৰে জিলা সম্পাদক মৃণাল কুমাৰ ৰাজবংশীয়ে। মঙলদৈ সাহিত্য সভাৰ সম্পাদক অখিল চৌধুৰীৰ নেতৃত্বত সুন্দৰভাৱে আয়োজন কৰা অনুষ্ঠানত কবিতা পাঠ কৰে ক্ৰমে হৰেন্দ্ৰ ৰাজবংশী, ডাঃ যুগব্ৰত নাথ, ধীৰেন্দ্ৰ নাথ শইকীয়া, ধীৰাজ কলিতা, বীৰাজ ডেকা, পপী চহৰীয়া, যতীন ভট্ট, শাশ্বতী শৰ্মা, প্ৰফুল্ল দেৱ শৰ্মা, চন্দ্ৰমা শৰ্মা, অনিমা ডেকা, বুমনি কুমাৰ ডেকা, মহাদেৱন বৰুৱা, প্ৰফুল্ল চহৰীয়া, শশীমা দেৱী, নেচিমুদ্দিন আহমেদ, দেৱ কুমাৰ শইকীয়া, এম হাফিজ আলি, বিচ্ছুমনি দেৱী, দিপালী চহৰীয়া, অনিমা চহৰীয়া, সোণেশ্বৰী দাস, আফুজা ইয়াচমিন, অনামিকা ৰয় হাজৰিকা, বসন্ত শইকীয়া, শিশুকবি নিবিৰ কাশ্যপ, প্ৰমোদ চন্দ্ৰ শৰ্মা, ধৰ্ম কান্ত বৰুৱা আদি কৰি প্ৰায় পঞ্চাশ গৰাকীৰো অধিক কবিয়ে। অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৃথুৰাম বৰুৱা, ভাৰপ্ৰাপ্ত প্ৰাক্তন সভাপতি বৰদা শইকীয়া, অসম সাহিত্য সভাৰ সংবাদ সাহিত্য উপশমিতি সহঃ আহ্বায়ক প্ৰবীণ বৰুৱা উপস্থিত থাকে। কবি সন্মিলনৰ আগমুহূৰ্তত অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম চৰকাৰৰ মৰ্যাদাপূৰ্ণ পাৰ্বতী প্ৰসাদ বৰুৱা বঁটা প্ৰাপক, মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক, দৰংৰত্ন, প্ৰখ্যাত কবি গীতিকাৰ, সাহিত্যাচাৰ্য ইদ্ৰিছ আলিৰ আজি ৮৬ সংখ্যক ওপজা দিনটোত দৰং জিলা সাহিত্য সভাৰ তৰফৰ পৰা এটি সঁজাতি দলে গৈ তেখেতৰ ২নং ৱাৰ্ডৰ বাসগৃহত জন্মদিনৰ ওলগ আৰু শুভকামনা জনায়।

## গছ ৰোপণ কৰি প্ৰতিপালন কৰা সকলোৰে দায়িত্ব হ'ব লাগে ঃ গোপাল দেৱ শৰ্মা

# টংলা-দেৱৰ পথত গোপাল দেৱ শৰ্মাৰ প্ৰচেষ্টাত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২ মে' ঃ** ওদালগুৰি জিলাৰ এটা ব্যস্ত পথ টংলা-দেৱৰ পথ। টংলা চহৰৰ পৰা ঐতিসাহিক শক্তি পীঠ মুৱাদেৱৰ সংযোগী এই গুৰুত্বপূৰ্ণ পথটোৰ নাওকাটা- বেংবাৰী অসম মালা-২ আঁচনিৰ অধীনত টংলাৰ পৰা চৈৱাৰিলৈ নিৰ্মিয়মান অৱস্থাত থকা সময়তে জলাহ গাঁও নিবাসী সমাজসেৱক, প্ৰকৃতিপ্ৰেমী গোপাল দেৱ শৰ্মাই নিজৰ একক প্ৰচেষ্টাৰে টংলা-দেৱৰ পথত বৃক্ষ ৰোপণ কৰাৰ মানসেৰে আজি পলাহগড়ত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। টংলা-দেৱৰ পথৰ প্ৰথম পৰ্যায়ত টংলাৰ পৰা চৈৱাৰিলৈ বৃক্ষ ৰোপণ কৰাৰ পৰিকল্পনাৰে আজিৰ পৰা এই বৃক্ষ ৰোপণ আৰম্ভ কৰা হৈছে। বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণিৰ পূৰ্বে পলাহগড়ত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত টংলাৰ জ্যেষ্ঠ নাগৰিক তথা সমাজসেৱক বলি ৰাম ডেকা, জ্যেষ্ঠ সাংবাদিক গৌৰিশংকৰ দাস প্ৰমুখ্যে বহু কেইগৰাকী স্থানীয় জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে। বৃক্ষৰোপণ কাৰ্যসূচীৰ পৃষ্ঠপোষক গোপাল দেৱ শৰ্মাই উপস্থিত সকলোকে গামোচা পিন্ধাই আদৰণি জনায়। সভাত ভাষণ প্ৰদান কৰি বলি ৰাম ডেকাই ৰাইজক গছ পুলি ৰোপণ কৰিবলৈ আহবান জনায়। গৌৰী শংকৰ দাসে ভাষণ প্ৰদান কৰি কয় যে গছক আমি আদৰ কৰিব লাগে। বৃক্ষৰোপণ কাৰ্যসূচীৰ পৃষ্ঠপোষক গোপাল দেৱ শৰ্মাই উপস্থিত ৰাইজক উদ্দেশ্যে দিয়া ভাষণত কয় যে, আমি গছ এজোপা ৰোপণ কৰাৰ সমানে গছজোপা প্ৰতিপালন কৰাটো আমাৰ প্ৰধান দায়িত্ব হব লাগে। কেৱল দেখুৱাই গছ পুলি ৰোপণ কৰিলে আমাৰ দায়িত্ব শেষ নহয়। গছ জোপাক আমাৰ সন্তানৰ দৰে প্ৰতিপালন কৰি এজোপা বৃহৎ গছ কৰিব পাৰিলেহে আমাৰ উদ্দেশ্য সফল হব। উল্লেখযোগ্য যে, বৃক্ষ ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা ৰাইজে হাতে হাতে একোজোপাকৈ গছ পুলি আনি মাংগলিক অনুষ্ঠানেৰে বৃক্ষ ৰোপণৰ শুভাৰম্ভণি কৰে। প্ৰকৃতিক সেউজ আৰু জীপাল কৰি ৰাখিবলৈ পথৰ দুই কাষে গছপুলি ৰোপণ কৰি লোৰ নেট আৰু বাঁহৰ চেকুৱাৰ বহুৱাই সংৰক্ষণ কৰা গোপাল দেৱ শৰ্মাৰ এনে প্ৰশসনীয় পদক্ষেপক শলাগ লয়।

# মাজুলী আৰক্ষীৰ বৃহৎ সফলতা, ৬জন গাঞ্জা ব্যৱসায়িক আটক

## আৰক্ষীৰ অভিযানত পেৰাভাৰী গাঁৱৰ পৰা ১১৪ কেজি গাঞ্জা আৰু প্ৰায় ৪ লাখ টকা নগদ ধন জব্দ



**অসম বাৰ্তা, উজনী মাজুলী, ২ মে' ঃ** মাজুলী জিলা আৰক্ষীয়ে অবৈধ গাঞ্জা ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলাই এক বৃহৎ সফলতা লাভ কৰিছে। জিলা খনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক চুমালীন শুভ দৰ্শীনিৰ তত্ত্বাৱধানত দীৰ্ঘদিন ধৰি মাজুলীত চলি থকা অবৈধ গাঞ্জা ব্যৱসায়ৰ এটা বৃহৎ ঘাটি উৎখাত কৰি আৰক্ষীয়ে গাঞ্জা সৰবৰাহৰ লগত জড়িত ৬ জনকৈ ব্যক্তিক আটক কৰে আৰু তেওঁলোকক সোধ-পোছ অব্যাহত ৰাখিছে। মাজুলী আৰক্ষীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধান্দিয়াৰ নেতৃত্বত যোৱা এটা দলে বনগাঁও আৰক্ষী চকীৰ অন্তৰ্গত পূব মাজুলী অঞ্চলৰ পেৰাভাৰী গাঁৱৰ অনিল বৰাৰ ঘৰত আজি অতৰ্কিতে অভিযান চলাই ১১৪ কেজি গাঞ্জা আৰু প্ৰায় ৪ লাখ টকা নগদ ধন জব্দ কৰে। লোকজনৰ গোসাঁই ঘৰৰ থাপনা, আলমিৰা, বিছনাৰ তুলিৰ তলৰ লগতে অন্যান্য স্থান আৰু এটা নিৰ্দিষ্ট কোঠাত বিক্ৰীৰ বাবে বিভিন্ন পদ্ধতিত সাজু কৰি ৰখা গাঞ্জা সমূহ আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ লগতে গাঞ্জা সৰবৰাহত ব্যৱহৃত তিনিখন বিলাসী বাহন-স্কৰপিঅ', বলেন' আৰু গ্ৰেণ্ড ভিটাৰা-আৰক্ষীয়ে জব্দ কৰে। বাহনসমূহৰ নম্বৰ হৈছে AS-01-FP-3184, AR-01U-4534 আৰু AS-01-GF-4599। এই ঘটনাৰ সৈতে জড়িত হৈ আটক হোৱা ব্যক্তি কেইজন হৈছে পেৰাভাৰী গাঁৱৰ অনিল বৰা (৪৫), ৰাহুল টাণ্টি(২০), লক্ষ্মীমপুৰৰ মহম্মদ বাবু আলি (২৭), বশিষ্ঠ চাৰিআলিৰ বিকি বৰ্মণ (২৬), গোগামুখৰ ফুলম গগৈ (২২) আৰু ধেমাজিৰ দীপদুল চুতীয়া(২৫) বুলি জানিব পৰা গৈছে। প্ৰাথমিক অনুসন্ধানত প্ৰকাশ পোৱা মতে, এইসকলে দীৰ্ঘদিন ধৰি মাজুলীসহ বিভিন্ন স্থানত অবৈধ গাঞ্জা ব্যৱসায় চলাই আহিছিল। আৰক্ষীৰ মতে, এনে কাৰ্যকলাপে যুৱ প্ৰজন্মক বিপথে লৈ যোৱাৰ আশংকা বৃদ্ধি কৰে। উল্লেখ্য যে, আৰক্ষীয়ে জব্দ কৰা ১১৪ কেজি গাঞ্জাৰ বজাৰ মূল্য প্ৰায় ৫০ লাখ টকাৰো অধিক বুলি অনুমান কৰা হৈছে। মাজুলী আৰক্ষীৰ এই সফল অভিযান অঞ্চলটোত অবৈধ মাদক দ্ৰব্যৰ ব্যৱসায়ৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ হিচাপে বিবেচিত হৈছে। ইফালে আটক কৰা এইসকল ব্যক্তি আন কোনো অপৰাধমূলক কাৰ্যকলাপৰ লগত জড়িত আছে নেকি তথা এই অবৈধ গাঞ্জা ব্যৱসায়ৰ সৈতে আৰু কোন কোন ব্যক্তি জড়িত আছে, সেই বিষয়ে তদন্ত অব্যাহত আছে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

## মঙলদৈৰ জনাৰামচৌকাত দুৰ্ঘটনাত নিহত দুজন, এগৰাকী আহত

**অসম বাৰ্তা, মঙলদৈ, ২ মে' ঃ** মঙলদৈ থানাৰ অন্তৰ্গত জনাৰামচৌকাত সন্ধিয়া হোৱা এক পথ দুৰ্ঘটনাত দুজন যুৱক থিতাতে নিহত হোৱাৰ লগতে আন এগৰাকী গুৰুতৰভাৱে আহত হয়। ঘটনাৰ প্ৰত্যক্ষদৰ্শীৰ মতে এটা ছাগলীক খুন্দিয়াই দিকবিদিক হেৰুৱাই চলোৱা বাহন এখনে পাছত এখন ই-ৰিস্কাক পাৰ হ'বলৈ যোৱা অৱস্থাত দুখন দুচকীয়া মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষ হয়। ফলত হৰিণখোজাৰ আৰফান আলীৰ পুত্ৰ মহিদুল ইছলাম (১৯) নামৰ যুৱক এজন থিতাতে নিহত হোৱাৰ লগতে জনাৰামচৌকাৰ তালিপাৰাৰ অঞ্চলৰ ৰাজীৱ ডেকা নামৰ লোকজনো হস্পিতলত নিয়ে যদিও পিছত মৃত বুলি ঘোষনা কৰে। আৰু আন এগৰাকীক সংকটজনক অৱস্থাত গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে। দুয়োগৰাকী যুৱকৰ মৃত্যুত অঞ্চলজুৰি শোকৰ চা পৰে।

সুৰক্ষামূলক পদক্ষেপ গ্ৰহণ কৰাৰ দাবী

# আচলপাৰাত উন্মুক্ত বৈদ্যুতিক ট্ৰেন্সমিটাৰ

**অসম বাৰ্তা, গৌৰীমাৰী, ২ মে' ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত আচলপাৰা গাঁৱৰ বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰটো উন্মুক্ত হৈ থকাত যিকোনো সময়ত দুৰ্ঘটনাৰ আশংকা ঘণীভূত হৈ পৰিছে। জানিব পৰামতে ছয়গাঁও বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ আচলপাৰা বজাৰৰ সমীপত থকা ব্যস্ত পথৰ কাষত উন্মুক্ত অৱস্থাত উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে। উন্মুক্ত বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰৰ নিচেই কাষত থকা পথেৰে দৈনিক ভালেসংখ্যক স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ পথচাৰীয়ে যাতায়াত অব্যাহত ৰাখি আহিছে। ট্ৰেন্সফৰ্মাৰৰ পৰা সঘনাই বিদ্যুৎ স্ফুলিংগ ওলাই থকাৰ উপৰি ইয়াৰ সুৰক্ষাৰ বাবে কোনো বিশেষ সতৰ্কতামূলক ব্যৱস্থা নাই। ইপিনে ট্ৰেন্সফৰ্মাৰখন ইমানেই তলত আছে যে ভুলবশতঃ কোনোৰে স্পৰ্শ কৰিলেই দুৰ্ঘটনাৰ আশংকা ঘণীভূত হৈ পৰিছে। বিশেষকৈ বাৰিষা বতৰত উক্ত স্থানটো অধিক বিপদজ্জনক হৈ পৰিছে। আচলপাৰাৰ পথৰ দাঁতিত থকা উন্মুক্ত বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ সুৰক্ষামূলক পদক্ষেপ লৈ ভয়াৱহ দুৰ্ঘটনাৰ পৰা জনসাধাৰণক ৰক্ষা কৰিবলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# বঙাইগাঁৱৰ ইকৰাবাৰীৰ হত্যাকাণ্ড সন্দৰ্ভত তিনিজনক আটক

**অসম বাৰ্তা, সৃজনগ্ৰাম, ২ মে' ঃ** এগৰাকী বোৱাৰীক স্বামীয়ে জ্বলাই নৃশংসভাৱে হত্যা কৰা ঘটনাই জোকাৰি গৈছে উত্তৰ শালমাৰা। বঙাইগাঁও জিলাৰ অভয়াপুৰী থানা তথা উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত ইকৰাবাৰীত সংঘটিত হৈছিল এই ঘটনা। আজি উত্তৰ শালমাৰা এলাকাৰ পৰা পলাতক কৃষ্ণ মণ্ডলৰ একমাত্ৰ ৫ বছৰীয়া পুত্ৰক উদ্ধাৰ কৰাৰ লগতে এই সন্দৰ্ভত ৩ অভিযুক্তক আটক কৰিছে। আৰক্ষীয়ে অভিযান চলাই পলাতক কৃষ্ণ মণ্ডলৰ পিতৃ নৰেশ মণ্ডল, মাতৃ বান্না মণ্ডল, কৃষ্ণ মণ্ডলৰ ভাতৃ তুষ্ট মণ্ডলক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। আনহাতে উদ্ধাৰ হোৱা সন্তানটি শিশু কল্যাণ গৃহলৈ প্ৰেৰণ কৰা হৈছে। মন কৰিবলগীয়া যে আৰক্ষীয়ে পত্নী হত্যাত অভিযুক্ত কৃষ্ণ মণ্ডলৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়তে লগত ৰখা সন্তানটিক জংঘলত এৰি থৈ পলায়ন কৰিছিল। পাছত শিশুটিক উদ্ধাৰ কৰা হয়। উল্লেখ্য যে ইকৰাবাৰীৰ দুৰ্গা মণ্ডল নামৰ বোৱাৰী এগৰাকী নিৰুদ্দেশ হৈ থকাৰ পাছত দুৰ্গাৰ পৰিয়ালে দুৰ্গাক জ্বলাই দিয়া বুলি অভিযোগ কৰাৰ পাছতে আৰক্ষীয়ে তদন্ত চলাই দাহ কৰা স্থানৰ পৰা বোৱাৰী গৰাকীয়ে ব্যৱহাৰ কৰা সা-সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল।

# চেলেংহাটত ধোদৰ আলি নিৰ্মাণত জড়িত বহিৰাগত কৰ্মচাৰীৰ গুণ্ডাগিৰি

## থলুৱা দুই যুৱকক নিৰ্মম প্ৰহাৰ

**অসম বাৰ্তা, চেলেংহাট, ২ মে' ঃ** যোৰহাট জিলাৰ চেলেংহাট আৰক্ষী চকী এলেকাৰ কলীয়াপানী নগা পুখুৰীৰ সমীপত আজি বিয়লি ধোদৰ আলি নিৰ্মাণত জড়িত কেইজন মান বহিৰাগত কৰ্মচাৰীয়ে স্থানীয় দুজন যুৱকক নিৰ্মম ভাবে প্ৰহাৰ কৰে। স্থানীয় লোকে জানিবলৈ দিয়া মতে বিয়লি ধোদৰ আলি নিৰ্মাণ কৰি থকা ডিচিচি ইনফ্ৰা প্ৰজেক্ট নামৰ নিৰ্মাণ সংস্থাটোৰ এখন গাড়ীয়ে মাটি পেলোৱাক লৈ ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰী তথা নকচাৰীৰ হেমন্ত বৰা (৩৫) আৰু নগাপুখুৰীৰ বিমান গগৈ(২৫) ৰ লগত তৰ্কা তৰ্কিত লিপ্ত হয়। তৰ্কা তৰ্কিৰ মাজতেই পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ গুণ্ডাৰূপী গাড়ী চালক পঞ্চানন কুমাৰ আৰু চাঁন্দ উপাধিৰ দুজন লোকে বাহনৰ পৰা ৰ'ড উলিয়াই আনি স্থানীয় দুই যুৱকক পথৰ ওপৰতে উপযুৰ্পৰি নিৰ্মমভাৱে প্ৰহাৰ কৰে। আনহাতে তেজে তুমুৰুলি হোৱা দুই যুৱকক পথৰ মাজতে পেলাই গুণ্ডাবাহিনীৰ দলটো সেই স্থানৰ পৰা পলায়নৰ চেষ্টা কৰে যদিও স্থানীয় ৰাইজে কৰায়ত্ত কৰা লগতে লপা থপা দি চেলেংহাট আৰক্ষী চকীত চমজাই দিয়ে। উক্ত ঘটনাৰ পিছতে চেলেংহাট অঞ্চলত তীব্ৰ উত্তেজনাই বিৰাজ কৰে। স্থানীয় ৰাইজৰ লগতে দল সংগঠনে এই ঘটনাত জড়িত কোম্পানীটোৰ কৰ্মচাৰী সকলৰ দৃষ্টান্তমূলক শাস্তিৰ দাবী কৰি চেলেংহাট আৰক্ষী চকীত এক উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰে। আনহাতে শীৰ্ষ আৰক্ষী বিষয়াৰ হস্তক্ষেপত পিছত পৰিস্থিতি শাম কাটে। আটাছুৰ যোৰহাট জিলা সমিতিৰ সম্পাদক মণ্টু ফুকনে উক্ত হাৰিয়ানাৰ কোম্পানীটোৱে গুণ্ডাবাহিনীৰ দ্বাৰা স্থানীয় ৰাইজক ভয়-ভাবুকি দেখুৱাই ময়মতালিৰে অতি নিম্ন মানৰ কাম কৰি থকা বুলি অভিযোগ উত্থাপন কৰে। সমগ্ৰ ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰি ঘটনাত জড়িত দোষীৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে আটাছুৱে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে।

# মাজুলীৰ বৰটানী গাঁৱত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা অবিৰত ভাগৱত পাঠৰ সামৰণি

**অসম বাৰ্তা, উজনী মাজুলী, ২ মে' ঃ** মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু পূৰ্বৰ পৰম্পৰা ৰীতি-নীতি ৰক্ষা কৰি বৰপানী গাঁৱৰ ৰাইজে যোৱা ৩০ এপ্ৰিলৰ পৰা অত্যন্ত উৎসাহেৰে আয়োজন কৰা ধৰ্মীয় অনুষ্ঠানভাগি অবিৰত ভাগৱত পাঠৰ আজি বিয়লি সামৰণি পৰে। ভাগৱত পাঠৰ জৰিয়তে সমাজৰ মংগল আৰু শান্তিৰ কামনা কৰা হয়। গাঁৱৰ পুৰুষ-মহিলাৰ লগতে কণকণ ল'ৰা-ছোৱালীবোৰেও এই পৱিত্ৰ অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সেই উপলক্ষে আজি পুৱা ১১বজাত ভাগৱত পাঠৰ আনুষ্ঠানিক সামৰণিৰ সমান্তৰালভাৱে নাম কীৰ্তন, নামঘৰ, মণিকুটৰ চৌদিশে তিনিবাৰকৈ ভাগৱত পৰিভ্ৰমণ কৰা হয়। ভাগৱত পাঠৰ সামৰণিৰ লগত সংগতি ৰাখি গাঁৱৰ লগতে কমলাবাৰী অঞ্চলৰ তিনি শতাধিক পুৰুষ-মহিলাই ভাগৱত বেদীৰ সামগ্ৰী লুইতত বিসৰ্জন দি নদীৰ পাৰত সমবেত হৈ হৰিনামে মুখৰিত কৰে। সামৰণি কাৰ্যসূচীত গাঁৱৰ পৰিচালনা সমিতিৰ সভাপতি ৰুদ্ৰ কান্ত শৰ্মা, নামাচাৰ্য হেমন্ত শৰ্মা, মূল পাঠক জগত হাজৰিকা, সহযোগী শশীন্দ্ৰ হাজৰিকা, দুৰ্গা প্ৰসাদ হাজৰিকা, জুগুনীধাৰী গাঁৱৰ পাঠক ব্ৰজেন বৰা, ধীৰেন বৰা প্ৰমুখ্যে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। মাজুলীৰ দৰে সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰত এনেধৰণৰ অনুষ্ঠানে নতুন প্ৰজন্মৰ মাজত ধৰ্মীয় আৰু সাংস্কৃতিক চেতনা জাগ্ৰত কৰাত সহায় কৰিব বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে। শৰাই অৰ্পণ আৰু আশীৰ্বাদ গ্ৰহণেৰে এই তিনিদিনীয়া আধ্যাত্মিক যাত্ৰাৰ আনুষ্ঠানিক সামৰণি পৰে।

# নগাঁৱৰ বিভিন্ন উদ্যানত পৌৰসভাৰ প্ৰৱেশ মাছুল নিৰ্ধাৰণ

**অসম বাৰ্তা, পুৰণিগুদাম, ২ মে' ঃ** নগাঁও পৌৰসভাৰ দ্বাৰা মুকলি কৰা চহৰৰ উদ্যান সমূহত প্ৰৱেশৰ বাবে এতিয়াৰে নাগৰিকে মাছুল দিব লাগিব। পৌৰসভাৰ তৰফৰ পৰা আজি প্ৰকাশিত এখন জাননীত কোৱা হৈছে যে, অহা ৩ মে'ৰ পৰা জুবিন পাৰ্কত ১০ টকা আৰু শ্ৰদ্ধাঞ্জলি উদ্যানত ২০ টকা প্ৰৱেশ মাছুল ধাৰ্য কৰা হৈছে। নিয়মিত দৰ্শনাৰ্থীৰ বাবে ৩০০ টকাৰ মাহিলী পাছ আৰু ২, ২০০ টকাৰ বাৰ্ষিক পাছৰ সুবিধা থাকিব যদিও ৫ বছৰৰ তলৰ শিশু আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে প্ৰৱেশ বিনামূলীয়া হ'ব। উদ্যানৰ ভিতৰত সুৰা তথা ধঁপাত জাতীয় সামগ্ৰী আৰু প্লাষ্টিকৰ ব্যৱহাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ কৰা হৈছে। এই নিয়ম উলংঘা কৰিলে ৫০০ টকাৰ পৰা ২, ০০০ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব। উদ্যানসমূহৰ উন্নয়ন আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ স্বাৰ্থতে এই মাছুল আৰোপ কৰিব লগীয়া হৈছে বুলি জাননীখনত কোৱা হৈছে। চহৰখন নিকা আৰু সুন্দৰ কৰি ৰাখিবলৈ নগাঁও পৌৰসভাই সকলোৰে সহযোগিতা কামনা কৰিছে।

# যোৰহাট ঢেঁকৰগড়াত অষ্টপ্ৰহৰ নাম প্ৰসংগ, পালনাম আৰম্ভ, স্মৃতিগ্ৰন্থ উন্মোচন




**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২ মে' ঃ** উত্তৰ-পশ্চিম যোৰহাটৰ ৪৩খন গাঁৱৰ ৰাইজে মনাইমাজিস্থিত ভোগদৈঘাট কেন্দ্ৰীয় খেলপথাৰত আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে অষ্টপ্ৰহৰ নাম-প্ৰসঙ্গ আৰু পালনামৰ অনুষ্ঠিত কৰিছে। প্ৰথম দিনাৰ মুকলি সভাৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি নৰেন চন্দ্ৰ বৰাৰ সম্পাদনাত উদ্‌যাপন সমিতিয়ে কৰা 'জ্ঞানামৃত' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। স্মৃতিগ্ৰন্থখন উন্মোচক কৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ যোৰহাট আঞ্চলিকৰ সঞ্চালক ড° অনিল চন্দ্ৰ বৰাই। স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰাৰ বাবে তেওঁ আয়োজকসকলৰ শলাগ লয়। আয়োজক সমিতিৰ সভাপতি প্ৰবীণ বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে মুখ্য আলোচক, অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত গোস্বামী বিশিষ্ট অতিথি, ধৰ্মপৰায়ণ ব্যক্তি সোণাৰাম ভাগৱতীয়ে আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তৃতা প্ৰদান কৰে। বাহ্না মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দেৱজ্যোতি ভূঞাই উদ্বোধন কৰা সভাখনত ভালে সংখ্যক ভকত-বৈষ্ণৱ আৰু স্থানীয় লোকসকল উপস্থিত থাকে তাৰ পাছতে সন্ধিয়া বন্তি প্ৰজ্বলন আৰু অষ্টপ্ৰহৰ নাম-প্ৰসঙ্গ আৰু পালনাম আৰম্ভ হৈছে। পুৱা মূল পতাকাৰ লগতে ৪০খন গাঁৱৰ ৪০ গৰাকীয়ে একোখনকৈ পতাকা উত্তোলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে।

# ন-পাম বাৰুৱতী কলিয়াপানীৰ ছাত্ৰী প্ৰয়াসী দুৱৰাৰ সফলতা

**অসম বাৰ্তা, গেলেকী, ২ মে' ঃ** নাজিৰা সম-জিলাৰ অন্তৰ্গত গেলেকী ন-পাম বাৰুৱতী কলিয়াপানী গাঁৱৰ নিবাসী পিতৃ বিদ্যুৎ বিকাশ দুৱৰা মাতৃ মিনু ফুকন দুৱৰাৰ কন্যাৰ সফলাই সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰয়াসী দুৱৰাই সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৬টা বিষয়ত লেটাৰ মাৰ্ক নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হবলৈ সক্ষম হৈছে। প্ৰয়াসী দুৱৰাই সৰ্বমুঠ ৬০০ নম্বৰৰ ভিতৰত ৫০৩ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে গেলেকী পৰীক্ষা কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। গদাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰী গৰাকীয়ে অসমীয়াত বিষয়ত ৯০, ইংৰাজীত ৮০, গণিতত ৮১, সাধাৰণ বিজ্ঞানত ৮০, সমাজ বিজ্ঞানত ৯২ আৰু ভূগোল বিষয়ত ৮০ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰীগৰাকীৰ এই প্ৰদৰ্শনে পিতৃ-মাতৃৰ লগতে পৰিয়ালবৰ্গই যথেষ্ট সুখী অনুভৱ কৰিছে। ছাত্ৰীগৰাকীয়ে অধ্যয়ন কৰা বিদ্যালয়খনৰ সমূহ শিক্ষক শিক্ষয়িত্ৰীলৈ লগতে ছাত্ৰীগৰাকীক আশীৰ্বাদ জনোৱা প্ৰতিগৰাকী শুভাকাংক্ষীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃয়ে।

বিশিষ্ট লেখক তথা সাংবাদিক চিৰাজ খানৰ গ্ৰন্থ উন্মোচন

# চিন্তা মঞ্চৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**অসম বাৰ্তা, তেজপুৰ সদৰ, ৪ মে' :** যোৱা কালি ১ মে তাৰিখে সমাজ সাহিত্য আৰু সংস্কৃতিমূলক স্বেচ্ছাসেৱী সংগঠন চিন্তামঞ্চ, পাঁচমাইল ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। নপাম মজলীয়া বিদ্যালয়ত অনুষ্ঠিত চিন্তা মঞ্চৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা ৮.৪৫ বজাত মঞ্চৰ পতাকা উত্তোলন কৰে মঞ্চ সভাপতি মন বাহাদুৰ চুব্বাই। স্মৃতি তৰ্পণ অনুষ্ঠানত মুখ্য তৰ্পক হিচাপে অংশগ্ৰহণ কৰে নপাম মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক বিপুল কুমাৰ গগৈয়ে। ১০ বজাৰ পৰা আৰম্ভ হোৱা মূল সভাত সভাপতিত্ব কৰে মঞ্চ সভাপতি মন বাহাদুৰ চুব্বাই। গ্ৰন্থ উন্মোচক তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° জ্যোতিষ্মান দাসে কয় যে, তেজপুৰ উত্তৰ পূৰ্বাঞ্চলত কেবাগৰাকীও জ্যেষ্ঠ ব্যক্তি, শাৰীৰিক ভাবে সক্ষম কেবাজনো আৰু উদীয়মান যুৱ ছাত্ৰৰ গতিশীল বাটৰ নানা দিশ সামৰি ৰচনা কৰা গ্ৰন্থখনত বৃহত্তৰ অঞ্চলটোৰ সামগ্ৰিক ছবি তুলি ধৰা হৈছে। বৃহত্তৰ অঞ্চলটোত বসবাস কৰা বিভিন্ন ধৰ্ম আৰু ভাষা ভাষীৰ লোকৰ কথা লেখকে গ্ৰন্থ খনত তুলি ধৰিছে। এয়া প্ৰশংসনীয় কৰ্ম বুলি সাৱলীল ভাষাৰে বক্তব্য আগবঢ়াই চিন্তা মঞ্চই প্ৰকাশ কৰা চিৰাজ খানৰ "বৰেণ্য আৰু প্ৰতিভাৰ আলোকত" গ্ৰন্থখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা তেজপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা তথা কবি মিতালী শইকীয়াই প্ৰান্তীয় এলেকাৰ ভাষা চৰ্চাৰ সংগঠন চিন্তামঞ্চই অঞ্চলটোত ৰূপায়ণ কৰি থকা কৰ্মসূচীবোৰ নিশ্চয় ইতিবাচক সঁহাৰি লাভ কৰিবলৈ সক্ষম হ'ব। প্ৰসংগক্ৰমে উল্লেখ কৰে যে, সংগঠনৰ লগত ছাত্ৰ-ছাত্ৰী সকলক জড়িত কৰাব পাৰিলে ভাল হয়। তেওঁ অঞ্চলটোত চিন্তা মঞ্চই কৰি যোৱা কামবোৰ সময়ত ইতিহাস হ'ব বুলি উল্লেখ কৰে। সভাত বৰঘাটৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰিয়াজ উদ্দিন আকন্দ, পাঁচমাইল কন্যা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক অৱসৰপ্ৰাপ্ত আলা উদ্দিন আহমেদ, চাহ জনগোষ্ঠী সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি সঞ্জয় কুমাৰ তাঁতী আৰু দৰদী দিচাং প্ৰকাশনৰ স্বত্বাধিকাৰ চিৰঞ্জীৱ বৰুৱা অতিথি হিচাপে উপস্থিত থাকে। বিশিষ্ট লেখক সাংবাদিক চিৰাজ খানে প্ৰকাশ কৰা বৰেণ্য আৰু প্ৰতিভাৰ আলোকত শীৰ্ষক গ্ৰন্থখনত ৩৬ গৰাকী বিশিষ্ট ব্যক্তিৰ জীৱন বৈচিত্ৰ্যৰ বিভিন্ন দিশ উন্মোচন কৰিছে। নিজা প্ৰচেষ্টাত প্ৰকাশ কৰা গ্ৰন্থখন উন্মোচন কৰাৰ পিছত অনুভৱ ব্যক্ত কৰি কয় যে মই তেজপুৰৰ ব্যক্তিসকলৰ বিষয়ে জানিবলৈ যত্ন কৰিছিলোঁ জনাবলৈ যত্ন কৰা নাছিলোঁ। পিছত বন্ধুবৰ্গৰ কথাত আমি গ্ৰন্থ হিচাপে প্ৰকাশ কৰিছোঁ।

অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ইদ্ৰিছ আলীক জন্মদিনৰ ওলগ জ্ঞাপন

# দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলদৈ সাহিত্য সভাৰ আতিথ্যত কবি সন্মিলন

**অসম বাৰ্তা, মঙলদৈ, ৪ মে' :** আধুনিক কবিতা যদি দুৰ্বোধ্যই হয়, তেনেহলে তেনে দুৰ্বোধ্য কবিতাই পঢ়ক, যিমান পাৰে সিমান পঢ়ক- এই ভাষ্য দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলদৈ সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত কবি সন্মিলন বিহু গ'লে বিনাবা কাকৰ পৰ্যালোচক বিশিষ্ট অনাতাঁৰ গীতিকাৰ, কবি আব্দুল মালিকৰ। দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলদৈ সাহিত্য সভাৰ আতিথ্যত মঙলদৈ সনাতন ধৰ্ম সভা প্ৰাংগনত শুকুৰবাৰে অনুষ্ঠিত কবি সন্মিলনত প্ৰয্যালোচক আব্দুল মালিকে কবিতা পৰ্যালোচনা কৰি এনেদৰে মন্তব্য কৰে। দৰং জিলা সাহিত্য সভাৰ কবি সন্মিলনখনি অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে। অসম সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিৰ আহবায়ক নৱ ৰাজন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰখাৰ লগতে দুটি স্বৰচিত দুটি পাঠ কৰি উপস্থিত কবি সমাজক উৎসাহিত কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ সাংস্কৃতিক উপশমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ মৃণ্ময় কুমাৰ নাথ আমন্ত্ৰিত কবি হিচাপে উপস্থিত থকাৰ উপৰিও পৰ্যালোচকৰ গুৰুদায়িত্বও পালন কৰে। দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ দেৱে সভাপতিত্ব কৰা কবি সন্মিলনখন সঞ্চালনা কৰে দৰং জিলা সাহিত্য সভাৰ কবি সন্মিলন উপ সমিতিৰ কাৰ্যকৰী সভাপতি বিশিষ্ট কবি ডাঃ কমলা কান্ত শৰ্মাই। কবি সন্মিলনখনি উদ্বোধক হিচাবে উপস্থিত থাকে বিশিষ্ট লেখক, দৰং জিলা সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক অখিল ৰঞ্জন ভট্টৰ গাম্ভীৰ্যপূৰ্ণ কবিতাৰ বিশ্লেষণৰে উদ্বোধন কৰা সভাখনৰ আঁত ধৰে জিলা সম্পাদক মৃণাল কুমাৰ ৰাজবংশীয়ে। মঙলদৈ সাহিত্য সভাৰ সম্পাদক অখিল চৌধুৰীৰ নেতৃত্বত সুন্দৰভাৱে আয়োজন কৰা অনুষ্ঠানত কবিতা পাঠ কৰে ক্ৰমে হৰেন্দ্ৰ ৰাজবংশী, ডাঃ যুগব্ৰত নাথ, ধীৰেন্দ্ৰ নাথ শইকীয়া, ধীৰাজ কলিতা, বীৰাজ ডেকা, পপী চহৰীয়া, যতীন ভট্ট, শাশ্বতী শৰ্মা, প্ৰফুল্ল দেৱ শৰ্মা, চন্দ্ৰমা শৰ্মা, অনিমা ডেকা, বুমনি কুমাৰ ডেকা, মহাদেৱন বৰুৱা, প্ৰফুল্ল চহৰীয়া, শশীমা দেৱী, নেচিমুদ্দিন আহমেদ, দেৱ কুমাৰ শইকীয়া, এম হাফিজ আলি, বিচ্ছুমনি দেৱী, দিপালী চহৰীয়া, অনিমা চহৰীয়া, সোণেশ্বৰী দাস, আফুজা ইয়াচমিন, অনামিকা ৰয় হাজৰিকা, বসন্ত শইকীয়া, শিশুকবি নিবিৰ কাশ্যপ, প্ৰমোদ চন্দ্ৰ শৰ্মা, ধৰ্ম কান্ত বৰুৱা আদি কৰি প্ৰায় পঞ্চাশ গৰাকীৰো অধিক কবিয়ে। অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৃথুৰাম বৰুৱা, ভাৰপ্ৰাপ্ত প্ৰাক্তন সভাপতি বৰদা শইকীয়া, অসম সাহিত্য সভাৰ সংবাদ সাহিত্য উপশমিতি সহঃ আহ্বায়ক প্ৰবীণ বৰুৱা উপস্থিত থাকে। কবি সন্মিলনৰ আগমুহূৰ্তত অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম চৰকাৰৰ মৰ্যাদাপূৰ্ণ পাৰ্বতী প্ৰসাদ বৰুৱা বঁটা প্ৰাপক, মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, দৰংৰত্ন, প্ৰখ্যাত কবি গীতিকাৰ, সাহিত্যাচাৰ্য ইদ্ৰিছ আলিৰ আজি ৮৬ সংখ্যক ওপজা দিনটোত দৰং জিলা সাহিত্য সভাৰ তৰফৰ পৰা এটি সঁজাতি দলে গৈ তেখেতৰ ২নং ৱাৰ্ডৰ বাসগৃহত জন্মদিনৰ ওলগ আৰু শুভকামনা জনায়।

## গছ ৰোপণ কৰি প্ৰতিপালন কৰা সকলোৰে দায়িত্ব হ'ব লাগে ঃ গোপাল দেৱ শৰ্মা

# টংলা-দেৱৰ পথত গোপাল দেৱ শৰ্মাৰ প্ৰচেষ্টাত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ মে' :** ওদালগুৰি জিলাৰ এটা ব্যস্ত পথ টংলা-দেৱৰ পথ। টংলা চহৰৰ পৰা ঐতিহাসিক শক্তি পীঠ মুৰাদেৱৰ সংযোগী এই গুৰুত্বপূৰ্ণ পথটোৰ নাওকাটা- বেংবাৰী অসম মালা- ২ আঁচনিৰ অধীনত টংলাৰ পৰা চৈৰাবিলৈ নিৰ্মিয়মান অৱস্থাত থকা সময়তে জলাহ গাঁও নিবাসী সমাজসেৱক, প্ৰকৃতিপ্ৰেমী গোপাল দেৱ শৰ্মাই নিজৰ একক প্ৰচেষ্টাৰে টংলা-দেৱৰ পথত বৃক্ষ ৰোপণ কৰাৰ মানসেৰে আজি পলাহগড়ত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। টংলা-দেৱৰ পথৰ প্ৰথম পৰ্যায়ত টংলাৰ পৰা চৈৰাবিলৈ বৃক্ষ ৰোপণ কৰাৰ পৰিকল্পনাৰে আজিৰ পৰা এই বৃক্ষ ৰোপণ আৰম্ভ কৰা হৈছে। বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণিৰ পূৰ্বে পলাহগড়ত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত টংলাৰ জ্যেষ্ঠ নাগৰিক তথা সমাজসেৱক বলি ৰাম ডেকা, জ্যেষ্ঠ সাংবাদিক গৌৰিশংকৰ দাস প্ৰমুখ্যে বহু কেইগৰাকী স্থানীয় জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে। বৃক্ষৰোপণ কাৰ্যসূচীৰ পৃষ্ঠপোষক গোপাল দেৱ শৰ্মাই উপস্থিত সকলোকে গামোচা পিন্ধাই আদৰণি জনায়। সভাত ভাষণ প্ৰদান কৰি বলি ৰাম ডেকাই ৰাইজক গছ পুলি ৰোপণ কৰিবলৈ আহবান জনায়। গৌৰী শংকৰ দাসে ভাষণ প্ৰদান কৰি কয় যে গছক আমি আদৰ কৰিব লাগে। বৃক্ষৰোপণ কাৰ্যসূচীৰ পৃষ্ঠপোষক গোপাল দেৱ শৰ্মাই উপস্থিত ৰাইজক উদ্দেশ্যে দিয়া ভাষণত কয় যে, আমি গছ এজোপা ৰোপণ কৰাৰ সমানে গছজোপা প্ৰতিপালন কৰাটো আমাৰ প্ৰধান দায়িত্ব হব লাগে। কেৱল দেখুৱাই গছ পুলি ৰোপণ কৰিলে আমাৰ দায়িত্ব শেষ নহয়। গছ জোপাক আমাৰ সন্তানৰ দৰে প্ৰতিপালন কৰি এজোপা বৃহৎ গছ কৰিব পাৰিলেহে আমাৰ উদ্দেশ্য সফল হব। উল্লেখযোগ্য যে, বৃক্ষ ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা ৰাইজে হাতে হাতে একোজোপাকৈ গছ পুলি আনি মাংগলিক অনুষ্ঠানেৰে বৃক্ষ ৰোপণৰ শুভাৰম্ভণি কৰে। প্ৰকৃতিক সেউজ আৰু জীপাল কৰি ৰাখিবলৈ পথৰ দুই কাষে গছপুলি ৰোপণ কৰি লোৰ নেট আৰু বাঁহৰ চেকুৱাৰ বহুৱাই সংৰক্ষণ কৰা গোপাল দেৱ শৰ্মাৰ এনে প্ৰশসনীয় পদক্ষেপক শলাগ লয়।

# মাজুলী আৰক্ষীৰ বৃহৎ সফলতা, ৬জন গাঞ্জা ব্যৱসায়িক আটক

## আৰক্ষীৰ অভিযানত পেৰাভাৰী গাঁৱৰ পৰা ১১৪ কেজি গাঞ্জা আৰু প্ৰায় ৪ লাখ টকা নগদ ধন জব্দ



**অসম বাৰ্তা, উজনী মাজুলী, ৪ মে' :** মাজুলী জিলা আৰক্ষীয়ে অবৈধ গাঞ্জা ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলাই এক বৃহৎ সফলতা লাভ কৰিছে। জিলা খনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক চুমালীন শুভ দৰ্শীনিৰ তত্ত্বাৱধানত দীৰ্ঘদিন ধৰি মাজুলীত চলি থকা অবৈধ গাঞ্জা ব্যৱসায়ৰ এটা বৃহৎ ঘাটি উৎখাত কৰি আৰক্ষীয়ে গাঞ্জা সৰবৰাহৰ লগত জড়িত ৬ জনকৈ ব্যক্তিক আটক কৰে আৰু তেওঁলোকক সোধ-পোছ অব্যাহত ৰাখিছে। মাজুলী আৰক্ষীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধান্দিয়াৰ নেতৃত্বত যোৱা এটা দলে বনগাঁও আৰক্ষী চকীৰ অন্তৰ্গত পূৱ মাজুলী অঞ্চলৰ পেৰাভাৰী গাঁৱৰ অনিল বৰাৰ ঘৰত আজি অতৰ্কিতে অভিযান চলাই ১১৪ কেজি গাঞ্জা আৰু প্ৰায় ৪ লাখ টকা নগদ ধন জব্দ কৰে। লোকজনৰ গোসাঁই ঘৰৰ থাপনা, আলমিৰা, বিছনাৰ তুলিৰ তলৰ লগতে অন্যান্য স্থান আৰু এটা নিৰ্দিষ্ট কোঠাত বিক্ৰীৰ বাবে বিভিন্ন পদ্ধতিত সাজু কৰি ৰখা গাঞ্জা সমূহ আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ লগতে গাঞ্জা সৰবৰাহত ব্যৱহৃত তিনিখন বিলাসী বাহন-স্কৰপিঅ', বলেন' আৰু গ্ৰেণ্ড ভিটাৰা-আৰক্ষীয়ে জব্দ কৰে। বাহনসমূহৰ নম্বৰ হৈছে AS-01-FP-3184, AR-01U-4534 আৰু AS-01-GF-4599। এই ঘটনাৰ সৈতে জড়িত হৈ আটক হোৱা ব্যক্তি কেইজন হৈছে পেৰাভাৰী গাঁৱৰ অনিল বৰা (৪৫), ৰাহুল টাণ্টি(২০), লক্ষ্মীমপুৰৰ মহম্মদ বাবু আলি (২৭), বশিষ্ঠ চাৰিআলিৰ বিকি বৰ্মণ (২৬), গোগামুখৰ ফুলম গগৈ (২২) আৰু ধেমাজিৰ দীপদুল চুতীয়া(২৫) বুলি জানিব পৰা গৈছে। প্ৰাথমিক অনুসন্ধানত প্ৰকাশ পোৱা মতে, এইসকলে দীৰ্ঘদিন ধৰি মাজুলীসহ বিভিন্ন স্থানত অবৈধ গাঞ্জা ব্যৱসায় চলাই আহিছিল। আৰক্ষীৰ মতে, এনে কাৰ্যকলাপে যুৱ প্ৰজন্মক বিপথে লৈ যোৱাৰ আশংকা বৃদ্ধি কৰে। উল্লেখ্য যে, আৰক্ষীয়ে জব্দ কৰা ১১৪ কেজি গাঞ্জাৰ বজাৰ মূল্য প্ৰায় ৫০ লাখ টকাৰো অধিক বুলি অনুমান কৰা হৈছে। মাজুলী আৰক্ষীৰ এই সফল অভিযান অঞ্চলটোত অবৈধ মাদক দ্ৰব্যৰ ব্যৱসায়ৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ হিচাপে বিবেচিত হৈছে। ইফালে আটক কৰা এইসকল ব্যক্তি আন কোনো অপৰাধমূলক কাৰ্যকলাপৰ লগত জড়িত আছে নেকি তথা এই অবৈধ গাঞ্জা ব্যৱসায়ৰ সৈতে আৰু কোন কোন ব্যক্তি জড়িত আছে, সেই বিষয়ে তদন্ত অব্যাহত আছে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

# মঙলদৈৰ জনাৰামচৌকাত দুৰ্ঘটনাত নিহত দুজন, এগৰাকী আহত

**অসম বাৰ্তা, মঙলদৈ, ৪ মে' :** মঙলদৈ থানাৰ অন্তৰ্গত জনাৰামচৌকাত সন্ধিয়া হোৱা এক পথ দুৰ্ঘটনাত দুজন যুৱক থিতাতে নিহত হোৱাৰ লগতে আন এগৰাকী গুৰুতৰভাৱে আহত হয়। ঘটনাৰ প্ৰত্যক্ষদৰ্শীৰ মতে এটা ছাগলীক খুন্দিয়াই দিকবিদিক হেৰুৱাই চলোৱা বাহন এখনে পাছত এখন ই-ৰিস্কাক পাৰ হ'বলৈ যোৱা অৱস্থাত দুখন দুচকীয়া মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষ হয়। ফলত হৰিণখোজাৰ আৰফান আলীৰ পুত্ৰ মহিদুল ইছলাম (১৯) নামৰ যুৱক এজন থিতাতে নিহত হোৱাৰ লগতে জনাৰামচৌকাৰ তালিপাৰাৰ অঞ্চলৰ ৰাজীৱ ডেকা নামৰ লোকজনো হস্পিতলত নিয়ে যদিও পিছত মৃত বুলি ঘোষনা কৰে। আৰু আন এগৰাকীক সংকটজনক অৱস্থাত গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে। দুয়োগৰাকী যুৱকৰ মৃত্যুত অঞ্চলজুৰি শোকৰ চা পৰে।

সুৰক্ষামূলক পদক্ষেপ গ্ৰহণ কৰাৰ দাবী

# আচলপাৰাত উন্মুক্ত বৈদ্যুতিক ট্ৰেন্সমিটাৰ

**অসম বাৰ্তা, গৰৈমাৰী, ৪ মে' :** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত আচলপাৰা গাঁৱৰ বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰটো উন্মুক্ত হৈ থকাত যিকোনো সময়ত দুৰ্ঘটনাৰ আশংকা ঘণীভূত হৈ পৰিছে। জানিব পৰামতে ছয়গাঁও বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ আচলপাৰা বজাৰৰ সমীপত থকা ব্যস্ত পথৰ কাষত উন্মুক্ত অৱস্থাত উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে। উন্মুক্ত বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰৰ নিচেই কাষত থকা পথেৰে দৈনিক ভালেসংখ্যক স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ পথচাৰীয়ে যাতায়াত অব্যাহত ৰাখি আহিছে। ট্ৰেন্সফৰ্মাৰৰ পৰা সঘনাই বিদ্যুৎ স্ফুলিংগ ওলাই থকাৰ উপৰি ইয়াৰ সুৰক্ষাৰ বাবে কোনো বিশেষ সতৰ্কতামূলক ব্যৱস্থা নাই। ইপিনে ট্ৰেন্সফৰ্মাৰখন ইমানেই তলত আছে যে ভুলবশতঃ কোনোৱে স্পৰ্শ কৰিলেই দুৰ্ঘটনাৰ আশংকা ঘণীভূত হৈ পৰিছে। বিশেষকৈ বাৰিষা বতৰত উক্ত স্থানটো অধিক বিপদজ্জনক হৈ পৰিছে। আচলপাৰাৰ পথৰ দাঁতিত থকা উন্মুক্ত বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ সুৰক্ষামূলক পদক্ষেপ লৈ ভয়াৱহ দুৰ্ঘটনাৰ পৰা জনসাধাৰণক ৰক্ষা কৰিবলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# বঙাইগাঁৱৰ ইকৰাবাৰীৰ হত্যাকাণ্ড সন্দৰ্ভত তিনিজনক আটক

**অসম বাৰ্তা, সৃজনগ্ৰাম, ৪ মে' :** এগৰাকী বোৱাৰীক স্বামীয়ে জ্বলাই নৃশংসভাৱে হত্যা কৰা ঘটনাই জোকাৰি গৈছে উত্তৰ শালমাৰা। বঙাইগাঁও জিলাৰ অভয়াপুৰী থানা তথা উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত ইকৰাবাৰীত সংঘটিত হৈছিল এই ঘটনা। আজি উত্তৰ শালমাৰা এলাকাৰ পৰা পলাতক কৃষ্ণ মণ্ডলৰ একমাত্ৰ ৫ বছৰীয়া পুত্ৰক উদ্ধাৰ কৰাৰ লগতে এই সন্দৰ্ভত ৩ অভিযুক্তক আটক কৰিছে। আৰক্ষীয়ে অভিযান চলাই পলাতক কৃষ্ণ মণ্ডলৰ পিতৃ নৰেশ মণ্ডল, মাতৃ বান্না মণ্ডল, কৃষ্ণ মণ্ডলৰ ভাতৃ তুষ্ট মণ্ডলক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। আনহাতে উদ্ধাৰ হোৱা সন্তানটি শিশু কল্যাণ গৃহলৈ প্ৰেৰণ কৰা হৈছে। মন কৰিবলগীয়া যে আৰক্ষীয়ে পত্নী হত্যাত অভিযুক্ত কৃষ্ণ মণ্ডলৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়তে লগত ৰখা সন্তানটিক জংঘলত এৰি থৈ পলায়ন কৰিছিল। পাছত শিশুটিক উদ্ধাৰ কৰা হয়। উল্লেখ্য যে ইকৰাবাৰীৰ দুৰ্গা মণ্ডল নামৰ বোৱাৰী এগৰাকী নিৰুদ্দেশ হৈ থকাৰ পাছত দুৰ্গাৰ পৰিয়ালে দুৰ্গাক জ্বলাই দিয়া বুলি অভিযোগ কৰাৰ পাছতে আৰক্ষীয়ে তদন্ত চলাই দাহ কৰা স্থানৰ পৰা বোৱাৰী গৰাকীয়ে ব্যৱহাৰ কৰা সা-সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল।

# চেলেংহাটত ধোদৰ আলি নিৰ্মাণত জড়িত বহিৰাগত কৰ্মচাৰীৰ গুণ্ডাগিৰি

থলুৱা দুই যুৱকক নিৰ্মম প্ৰহাৰ

**অসম বাৰ্তা, চেলেংহাট, ৪ মে' :** যোৰহাট জিলাৰ চেলেংহাট আৰক্ষী চকী এলেকাৰ কলীয়াপানী নগা পুখুৰীৰ সমীপত আজি বিয়লি ধোদৰ আলি নিৰ্মাণত জড়িত কেইজন মান বহিৰাগত কৰ্মচাৰীয়ে স্থানীয় দুজন যুৱকক নিৰ্মম ভাবে প্ৰহাৰ কৰে। স্থানীয় লোকে জানিবলৈ দিয়া মতে বিয়লি ধোদৰ আলি নিৰ্মাণ কৰি থকা ডিচিচি ইনফ্ৰা প্ৰজেক্ট নামৰ নিৰ্মাণ সংস্থাটোৰ এখন গাড়ীয়ে মাটি পেলোৱাক লৈ ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰী তথা নকচাৰীৰ হেমন্ত বৰা (৩৫) আৰু নগাপুখুৰীৰ বিমান গগৈ(২৫) ৰ লগত তৰ্কা তৰ্কিত লিপ্ত হয়। তৰ্কা তৰ্কিৰ মাজতেই পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ গুণ্ডাৰূপী গাড়ী চালক পঞ্চানন কুমাৰ আৰু চাঁন্দ উপাধিৰ দুজন লোকে বাহনৰ পৰা ৰ'ড উলিয়াই আনি স্থানীয় দুই যুৱকক পথৰ ওপৰতে উপৰ্যুপৰি নিৰ্মমভাৱে প্ৰহাৰ কৰে। আনহাতে তেজে তুমুৰুলি হোৱা দুই যুৱকক পথৰ মাজতে পেলাই গুণ্ডাবাহিনীৰ দলটো সেই স্থানৰ পৰা পলায়নৰ চেষ্টা কৰে যদিও স্থানীয় ৰাইজে কৰায়ত্ত কৰা লগতে লপা থপা দি চেলেংহাট আৰক্ষী চকীত চমজাই দিয়ে। উক্ত ঘটনাৰ পিছতে চেলেংহাট অঞ্চলত তীব্ৰ উত্তেজনাই বিৰাজ কৰে। স্থানীয় ৰাইজৰ লগতে দল সংগঠনে এই ঘটনাত জড়িত কোম্পানীটোৰ কৰ্মচাৰী সকলৰ দৃষ্টান্তমূলক শাস্তিৰ দাবী কৰি চেলেংহাট আৰক্ষী চকীত এক উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰে। আনহাতে শীৰ্ষ আৰক্ষী বিষয়াৰ হস্তক্ষেপত পিছত পৰিস্থিতি শাম কাটে। আটাছুৰ যোৰহাট জিলা সমিতিৰ সম্পাদক মণ্টু ফুকনে উক্ত হাৰিয়ানাৰ কোম্পানীটোৱে গুণ্ডাবাহিনীৰ দ্বাৰা স্থানীয় ৰাইজক ভয়-ভাবুকি দেখুৱাই ময়মতালিৰে অতি নিম্ন মানৰ কাম কৰি থকা বুলি অভিযোগ উত্থাপন কৰে। সমগ্ৰ ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰি ঘটনাত জড়িত দোষীৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে আটাছুৱে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে।

# মাজুলীৰ বৰটানী গাঁৱত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা অবিৰত ভাগৱত পাঠৰ সামৰণি

**অসম বাৰ্তা, উজনী মাজুলী, ৪ মে' :** মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু পূৰ্বৰ পৰম্পৰা ৰীতি-নীতি ৰক্ষা কৰি বৰপানী গাঁৱৰ ৰাইজে যোৱা ৩০ এপ্ৰিলৰ পৰা অত্যন্ত উৎসাহেৰে আয়োজন কৰা ধৰ্মীয় অনুষ্ঠানভাগি অবিৰত ভাগৱত পাঠৰ আজি বিয়লি সামৰণি পৰে। ভাগৱত পাঠৰ জৰিয়তে সমাজৰ মংগল আৰু শান্তিৰ কামনা কৰা হয়। গাঁৱৰ পুৰুষ-মহিলাৰ লগতে কণকণ ল'ৰা-ছোৱালীবোৰেও এই পৱিত্ৰ অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সেই উপলক্ষে আজি পুৱা ১১বজাত ভাগৱত পাঠৰ আনুষ্ঠানিক সামৰণিৰ সমান্তৰালভাৱে নাম কীৰ্তন, নামঘৰ, মণিকুটৰ চৌদিশে তিনিবাৰকৈ ভাগৱত পৰিভ্ৰমণ কৰা হয়। ভাগৱত পাঠৰ সামৰণিৰ লগত সংগতি ৰাখি গাঁৱৰ লগতে কমলাবাৰী অঞ্চলৰ তিনি শতাধিক পুৰুষ-মহিলাই ভাগৱত বেদীৰ সামগ্ৰী লুইতত বিসৰ্জন দি নদীৰ পাৰত সমবেত হৈ হৰিনামে মুখৰিত কৰে। সামৰণি কাৰ্যসূচীত গাঁৱৰ পৰিচালনা সমিতিৰ সভাপতি ৰুদ্ৰ কান্ত শৰ্মা, নামাচাৰ্য হেমন্ত শৰ্মা, মূল পাঠক জগত হাজৰিকা, সহযোগী শশীন্দ্ৰ হাজৰিকা, দুৰ্গা প্ৰসাদ হাজৰিকা, জুগুনীধাৰী গাঁৱৰ পাঠক ব্ৰজেন বৰা, ধীৰেন বৰা প্ৰমুখ্যে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। মাজুলীৰ দৰে সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰত এনেধৰণৰ অনুষ্ঠানে নতুন প্ৰজন্মৰ মাজত ধৰ্মীয় আৰু সাংস্কৃতিক চেতনা জাগ্ৰত কৰাত সহায় কৰিব বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে। শৰাই অৰ্পণ আৰু আশীৰ্বাদ গ্ৰহণেৰে এই তিনিদিনীয়া আধ্যাত্মিক যাত্ৰাৰ আনুষ্ঠানিক সামৰণি পৰে।

# নগাঁৱৰ বিভিন্ন উদ্যানত পৌৰসভাৰ প্ৰৱেশ মাছুল নিৰ্ধাৰণ

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ মে' :** নগাঁও পৌৰসভাৰ দ্বাৰা মুকলি কৰা চহৰৰ উদ্যান সমূহত প্ৰৱেশৰ বাবে এতিয়াৰে নাগৰিকে মাছুল দিব লাগিব। পৌৰসভাৰ তৰফৰ পৰা আজি প্ৰকাশিত এখন জাননীত কোৱা হৈছে যে, অহা ৩ মে'ৰ পৰা জুবিন পাৰ্কত ১০ টকা আৰু শ্ৰদ্ধাঞ্জলি উদ্যানত ২০ টকা প্ৰৱেশ মাছুল ধাৰ্য কৰা হৈছে। নিয়মিত দৰ্শনাৰ্থীৰ বাবে ৩০০ টকাৰ মাহিলী পাছ আৰু ২, ২০০ টকাৰ বাৰ্ষিক পাছৰ সুবিধা থাকিব যদিও ৫ বছৰৰ তলৰ শিশু আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে প্ৰৱেশ বিনামূলীয়া হ'ব। উদ্যানৰ ভিতৰত সুৰা তথা ধঁপাত জাতীয় সামগ্ৰী আৰু প্লাষ্টিকৰ ব্যৱহাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ কৰা হৈছে। এই নিয়ম উলংঘা কৰিলে ৫০০ টকাৰ পৰা ২, ০০০ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব। উদ্যানসমূহৰ উন্নয়ন আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ স্বাৰ্থতে এই মাছুল আৰোপ কৰিব লগীয়া হৈছে বুলি জাননীখনত কোৱা হৈছে। চহৰখন নিকা আৰু সুন্দৰ কৰি ৰাখিবলৈ নগাঁও পৌৰসভাই সকলোৰে সহযোগিতা কামনা কৰিছে।

# যোৰহাট ঢেঁকৰগড়াত অষ্টপ্ৰহৰ নাম প্ৰসংগ, পালনাম আৰম্ভ, স্মৃতিগ্ৰন্থ উন্মোচন



**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৪ মে' :** উত্তৰ-পশ্চিম যোৰহাটৰ ৪৩খন গাঁৱৰ ৰাইজে মনাইমাজিস্থিত ভোগদৈঘাট কেন্দ্ৰীয় খেলপথাৰত আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে অষ্টপ্ৰহৰ নাম-প্ৰসঙ্গ আৰু পালনামৰ অনুষ্ঠিত কৰিছে। প্ৰথম দিনাৰ মুকলি সভাৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি নৰেন চন্দ্ৰ বৰাৰ সম্পাদনাত উদ্‌যাপন সমিতিয়ে কৰা 'জ্ঞানামৃত' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। স্মৃতিগ্ৰন্থখন উন্মোচক কৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ যোৰহাট আঞ্চলিকৰ সঞ্চালক ড° অনিল চন্দ্ৰ বৰাই। স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰাৰ বাবে তেওঁ আয়োজকসকলৰ শলাগ লয়। আয়োজক সমিতিৰ সভাপতি প্ৰবীণ বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে মুখ্য আলোচক, অসম সাহিত্যে সভাৰ সভাপতি ড° বসন্ত গোস্বামী বিশিষ্ট অতিথি, ধৰ্মপৰায়ণ ব্যক্তি সোণাৰাম ভাগৱতীয়ে আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তৃতা প্ৰদান কৰে। বাহ্না মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দেৱজ্যোতি ভূঞাই উদ্বোধন কৰা সভাখনত ভালে সংখ্যক ভকত-বৈষ্ণৱ আৰু স্থানীয় লোকসকল উপস্থিত থাকে তাৰ পাছতে সন্ধিয়া বন্তি প্ৰজ্বলন আৰু অষ্টপ্ৰহৰ নাম-প্ৰসঙ্গ আৰু পালনাম আৰম্ভ হৈছে। পুৱা মূল পতাকাৰ লগতে ৪০খন গাঁৱৰ ৪০ গৰাকীয়ে একোখনকৈ পতাকা উত্তোলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে।

# ন-পাম বাৰুৱতী কলিয়াপানীৰ ছাত্ৰী প্ৰয়াসী দুৱৰাৰ সফলতা

**অসম বাৰ্তা, গেলেকী, ৪ মে' :** নাজিৰা সম-জিলাৰ অন্তৰ্গত গেলেকী ন-পাম বাৰুৱতী কলিয়াপানী গাঁৱৰ নিবাসী পিতৃ বিদ্যুৎ বিকাশ দুৱৰাৰ মাতৃ মিনু ফুকন দুৱৰাৰ কন্যাৰ সফলাই সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰয়াসী দুৱৰাই সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৬টা বিষয়ত লেটাৰ মাৰ্ক নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হবলৈ সক্ষম হৈছে। প্ৰয়াসী দুৱৰাই সৰ্বমুঠ ৬০০ নম্বৰৰ ভিতৰত ৫০৩নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে গেলেকী পৰীক্ষা কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। গদাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰী গৰাকীয়ে অসমীয়াত বিষয়ত ৯০, ইংৰাজীত ৮০, গণিতত ৮১, সাধাৰণ বিজ্ঞানত ৮০, সমাজ বিজ্ঞানত ৯২ আৰু ভূগোল বিষয়ত ৮০ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰীগৰাকীৰ এই প্ৰদৰ্শনে পিতৃ-মাতৃৰ লগতে পৰিয়ালবৰ্গই যথেষ্ট সুখী অনুভৱ কৰিছে। ছাত্ৰীগৰাকীয়ে অধ্যয়ন কৰা বিদ্যালয়খনৰ সমূহ শিক্ষক শিক্ষয়িত্ৰীলৈ লগতে ছাত্ৰীগৰাকীক আশীৰ্বাদ জনোৱা প্ৰতিগৰাকী শুভাকাংক্ষীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃয়ে। ছাত্ৰীগৰাকীৰ এই প্ৰদৰ্শনে অন্যান্য শিক্ষাৰ্থী সকলক উৎসাহিত কৰিব।

## অজেয় হিমন্ত

সমীকৰণ সম্পূৰ্ণৰূপে সলনি কৰি দিছে। সমগ্ৰ ৰাজ্যৰ বিভিন্ন সমষ্টিত বিজয়ী হোৱা বিধায়ক সকলৰ তালিকাখন নিম্নে দিয়া হ'ল। ধেমাজি সমষ্টিত বিজয়ী হৈছে বিজেপিৰ ডাঃ ৰণোজ পেগু, মাজবাট সমষ্টিত বিজয়ী হৈছে বিপিএফ-ৰ চৰণ বড়ো। নিউ গুৱাহাটী সমষ্টিৰ পৰা বিজেপিৰ দীপ্লুৰঞ্জন শৰ্মা জয়ী হৈছে, আনহাতে মাজুলী সমষ্টিত বিজেপিৰ ভুবন গামে জয় সাব্যস্ত কৰিছে। যোৰহাট সমষ্টিৰ পৰা বিজেপিৰ হিতেন্দ্ৰ নাথ গোস্বামী, জাগীৰোড সমষ্টিৰ পৰা পীযুষ হাজৰিকা, খুমটাই সমষ্টিৰ পৰা মৃণাল শইকীয়া আৰু সৰুপথাৰ সমষ্টিৰ পৰা বিশ্বজিৎ ফুকন বিজয়ী হৈছে। গোলাঘাট সমষ্টিত অজন্তা নেওগ, দেৰগাঁও সমষ্টিত মৃদুল কুমাৰ দত্ত বিজেপিৰ হৈ জয়ী হয়। দোতমা সমষ্টিৰ পৰা বিপিএফৰ ৰবিৰাম নাৰ্জাৰী, চিচিবৰগাঁও সমষ্টিৰ পৰা বিজেপিৰ জীৱন গগৈ জয়লাভ কৰে। টংলা সমষ্টিত বিজেপিৰ বিকন চন্দ্ৰ ডেকা, পশ্চিম গোৱালপাৰাত পবিত্ৰ ৰাভা বিজয়ী হয়। নাহৰকটীয়াত বিজেপিৰ তৰংগ গগৈ, লক্ষ্মীপুৰত কৌশিক ৰায়, টিংখাংত বিমল বৰা, অভয়াপুৰীত ভূপেন ৰায়, বিহালী সমষ্টিত বিজেপিৰ মুনীন্দ্ৰ দাস (বাপ্টি) জয়লাভ কৰে। ভেৰগাঁও সমষ্টিৰ পৰা বিপিএফৰ মহেশ্বৰ বড়ো, মৰিগাঁৱত বিজেপিৰ ৰমাকান্ত দেউৰী বিজয়ী হয়। ডিমৰীয়া সমষ্টিত অসম গণ পৰিষদৰ ড° তপন দাস, মাহমৰাত বিজেপিৰ সূৰুয দিহিঙীয়া, ডুমডুমাত ৰূপেশ গোৱালা, উদাৰবন্দত ৰাজদীপ গোৱালা, নগাঁও-বটদ্ৰৱাত ৰূপক শৰ্মা, ৰঙানদীত ঋষিৰাজ হাজৰিকা জয়ী হয়। জোনাই সমষ্টিত ভুবন পেগু, ভৱানীপুৰ-সৰভোগ সমষ্টিত ৰণজিৎ কুমাৰ দাস, দিছপুৰ সমষ্টিত প্ৰদ্যুত বৰদলৈ বিজেপিৰ হৈ জয়লাভ কৰে। ওদালগুৰিত ৰিহন দৈমাৰী, মঙলদৈত নীলিমা দেৱী, ৰংখাংত তুলিৰাম ৰংহাং, ছিদলী চিৰাংত বিপিএফৰ পানীৰাম ব্ৰহ্ম বিজয়ী হয়। জালুকবাৰী সমষ্টিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, নদুৱাৰ সমষ্টিত পদ্ম হাজৰিকা, দুধনৈত টংকেশ্বৰ ৰাভা, ৰামকৃষ্ণ নগৰত বিজয় মালাকাৰ, বৰখলাত কিশোৰ নাথ, ধলাইত অমিয় কান্তি দাস, মধ্য গুৱাহাটীত বিজয় কুমাৰ গুপ্তা, বোকাজানত সূৰ্য ৰংফাৰ, লখিমপুৰত মানৱ ডেকা বিজেপিৰ হৈ জয়লাভ কৰে। আনহাতে ৰূপহীহাট সমষ্টিত কংগ্ৰেছৰ নুৰুল হুদা, শিৱসাগৰ সমষ্টিত ৰাইজৰ দলৰ অখিল গগৈ, দক্ষিণ কৰিমগঞ্জ সমষ্টিত কংগ্ৰেছৰ আমিনুৰ ৰছিদ চৌধুৰী বিজয়ী হয়। টীয়ক সমষ্টিত অসম গণ পৰিষদৰ বিকাশ শইকীয়া, কাটিগড়াত বিজেপিৰ কমলাক্ষ দে পুৰকায়স্থ, সোণাইত কংগ্ৰেছৰ আমিনুল হক লস্কৰ, লামডিংত বিজেপিৰ শিবু মিশ্ৰ, পূব গোৱালপাৰাত কংগ্ৰেছৰ আবুল কালাম ৰছিদ আলম, উত্তৰ কৰিমগঞ্জত কংগ্ৰেছৰ জাকাৰিয়া আহমেদ আৰু বীৰসিং-জৰুৱা সমষ্টিত কংগ্ৰেছৰ ৰাজেদ আলী চৌধুৰীয়ে যথাক্ৰমে জয়লাভ কৰে। এই ফলাফলে অসমৰ বিধানসভাত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ একচ্ছত্ৰ আধিপত্য স্পষ্ট কৰি তুলিছে।

## দিল্লীৰ বিজেপি মুখ্য কাৰ্যালয়ৰ পৰা দেশবাসীক

আৰু অভূতপূৰ্ব। তেওঁ অসম, পশ্চিম বংগ আৰু পুডুচেৰীৰ জনতাৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। একেদৰে তামিলনাডু আৰু কেৰালাৰ জনতালৈও তেওঁ কৃতজ্ঞতা যাচে, কাৰণ সেই ৰাজ্যসমূহত বিজেপিয়ে বিস্তাৰিত সফলতা অৰ্জন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে বিজেপিৰ কাৰ্যকৰ্তাসকলৰ প্ৰশংসা কৰি কয় যে তেওঁলোকে নতুন ইতিহাস ৰচনা কৰিলে। বিশেষভাৱে ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনক উচ্চ প্ৰশংসা কৰি তেওঁ কয় যে নীতিন নবীন দায়িত্ব গ্ৰহণ কৰাৰ পিছত এই জয় দলটোৰ বাবে বহু মূল্যৱান। কেইবাখনো ৰাজ্যৰ উপ-নিৰ্বাচনতো বিজেপিয়ে সফলতা লাভ কৰিছে বুলি তেওঁ গৰ্বভাৱে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী গৰাকীৰ মতে কেইবাবছৰ ধৰি কৰা সাধনা আজি পূৰ্ণ হ'ল। তথাপি জয়-পৰাজয়ক সাধাৰণ দৃষ্টিৰে চাই প্ৰধানমন্ত্ৰী গৰাকীয়ে কয় যে লোকতন্ত্ৰ আৰু ৰাজনৈতিক প্ৰেক্ষাপটত জয়-পৰাজয় সাধাৰণ কথা। কিন্তু লোকতন্ত্ৰ আমাৰ তেজত বৈ থকা এক সংস্কাৰ, আৰু আজি ভাৰতৰ সংবিধানৰো জয় হৈছে। আমাৰ লোকতান্ত্ৰিক প্ৰক্ৰিয়াই এই নিৰ্বাচনত এক বৃহৎ জয় সাব্যস্ত কৰিছে। তেওঁ কয় যে এইবাৰৰ নিৰ্বাচনত ভোটদানে নিজেই নতুন ইতিহাস ৰচনা কৰিলে। ইয়াৰ লগতে নিৰ্বাচন আয়োগৰ প্ৰতিগৰাকী বিষয়া আৰু কৰ্মচাৰীলৈ তেওঁ ধন্যবাদ জ্ঞাপন কৰে। ভাষণৰ এক ধৰ্মীয় আভাস দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে গংগা, ব্ৰহ্মপুত্ৰ আৰু মা কামাখ্যাৰ আশীৰ্বাদৰ বাবেই এই জয় সম্ভৱ হৈছে। তদুপৰি তৃতীয়বাৰৰ বাবে অসমত বিজেপিৰ চৰকাৰ গঠন হোৱাৰ কথা বিশেষভাৱে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী গৰাকীৰ এই ভাষণে সমগ্ৰ দেশৰ কাৰ্যকৰ্তাৰ মাজত উৎসাহ আৰু উদ্দীপনাৰ সৃষ্টি কৰে।

## সিদ্ধাৰ্থ শৰ্মাৰ জামিন

চৰকাৰৰ বিশেষ লোক অধিবক্তাৰ ভাষ্য শুনি শেষত আদালতে সিদ্ধাৰ্থ শৰ্মাক জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ জনায়। আদালতে কয় যে অভিযুক্তজনক জামিন দিলে গোচৰৰ সাক্ষীক প্ৰভাৱিত কৰাৰ সম্ভাৱনা থাকে। লগতে তেওঁ গোচৰৰ তদন্তৰ অগ্ৰগতিৰ প্ৰক্ৰিয়াত বাধাগ্ৰস্ত কৰিব পাৰে আৰু পলায়ন কৰাৰো যথেষ্ট আশংকা আছে। এই সম্ভাৱনাসমূহৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিশেষ ফাষ্টট্ৰেক আদালতে আজি সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন খাৰিজ কৰে। উল্লেখ্য যে ২৮ এপ্ৰিলত অনুষ্ঠিত শুনানিৰ অন্তত আদালতে অভিযুক্তজনৰ জামিন আবেদনৰ ৰায়ৰ বাবে দেওবাৰৰ দিনটো ধাৰ্য্য কৰিছিল। কিন্তু সেইদিনা ন্যায়াধীশ শৰ্মিলা ভূএগ ছুটীত থকাৰ বাবে আজি তাৰিখত ৰায় প্ৰদান কৰা হয়। আজিৰ শুনানিত আদালতে অভিযুক্তজনৰ বিৰুদ্ধে আৰোপ কৰা গোচৰৰ বিভিন্ন ধাৰা সন্দৰ্ভত পক্ষদুয়োৰে যুক্তি শুনে। ইয়াৰ পূৰ্বে, ফাষ্টট্ৰেক আদালতে ২৯ এপ্ৰিলত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ 'মহাবীৰ একুৱা' নামৰ এটা ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ছটাকৈ বেংক একাউণ্ট জব্দ কৰিবলৈ নিৰ্দেশ দিছিল। লগতে, যোৱা ৩০ এপ্ৰিলত আদালতে এই একে গোচৰৰ আন এজন অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনো খাৰিজ কৰিছিল। এই ঘটনাক্ৰমে গোচৰটোৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়াত নতুন মেৰ পেলাইছে।

## বড়োভূমিত হাগ্ৰামাৰ যাদু

সম্পূৰ্ণৰূপে নিশ্চিহ্ন হৈ পৰিছে। বিটিচি পৰিষদীয় নিৰ্বাচনতো দলটোৱে চৰম পৰাজয় বৰণ কৰিছিল যদিও বিধানসভা নিৰ্বাচনখনক শেষ ভৰসা হিচাপে লৈ অকলেই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ৰাইজে সেই আশাকো চূৰ্ণবিচূৰ্ণ কৰি দিলে। বিটিচিৰ ভিতৰত ১৫টা আৰু বাহিৰত ৩টাকৈ মুঠ ১৮টা বিধানসভা সমষ্টিত ইউপিপিএলে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছিল। কিন্তু দলটোৰ কোনো প্ৰাৰ্থীয়েই জয়লাভ কৰিব নোৱাৰিলে। শোচনীয় পৰাজয়ে ইউপিপিএলৰ অস্তিত্ব সংকটৰ সৃষ্টি কৰিছে। দলটোৰ সভাপতি তথা ৰাজ্যসভাৰ সাংসদ প্ৰমোদ বড়ো, সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰী, তথা জনপ্ৰিয় প্ৰাক্তন ছাত্ৰনেতা দ্বিপেন বড়োৰ দৰে গুৰুত্বপূৰ্ণ নেতাসকলে ৰাইজৰ পৰা প্ৰত্যাশিত সঁহাৰি লাভ কৰাত ব্যৰ্থ হয়। আনফালে, হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ) দলে অভাৱনীয় সাফল্য অৰ্জন কৰে। এনডিএৰ অংশ হিচাপে বিজেপিক চাৰি আসন এৰি দি বিপিএফে ১১টা সমষ্টিত প্ৰাৰ্থী থিয় কৰাইছিল। সেইবোৰৰ ভিতৰত পৰ্বতঝোৰা সমষ্টিটো বাদ দি বাকী দহখন আসনতে বিপিএফ জয়ী হয়। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত বিটিচিৰ অধীনত বিধানসভা সমষ্টিৰ সংখ্যা ১২ৰ পৰা ১৫লৈ বৃদ্ধি পোৱা প্ৰেক্ষাপটত এই জয় বিপিএফৰ বাবে বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। উল্লেখনীয় যে ২০২১ চনৰ নিৰ্বাচনত ইউপিপিএলে সাতখন আসন পাইছিল যদিও এইবাৰ প্ৰমোদ বড়োৰ দলটো সম্পূৰ্ণ পৰাস্ত হৈছে। বিপৰীতে, ২০১৬ আৰু ২০২১ৰ নিৰ্বাচনত মাত্ৰ তিনিখনকৈ আসন লাভ কৰা বিপিএফে এইবাৰ বিজেপিৰ সৈতে মিত্ৰতা কৰি বিটিচি অঞ্চলৰ মুখ্য শক্তিলৈ পৰিণত হৈছে। ইউপিপিএলে বিটিচি পৰিষদীয় নিৰ্বাচনৰ দৰেই বিধানসভা নিৰ্বাচনতো ৰাইজৰ ভাষ্য প্ৰত্যাখ্যান কৰিব নোৱাৰিলে। এই পৰাজয়ে প্ৰমোদ বড়ো আৰু তেওঁৰ দলৰ বাবে এক ডাঙৰ আঘাত হিচাপে চিহ্নিত হৈছে।

## পৰাজয় স্বীকাৰ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈৰ

প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে এক আনুষ্ঠানিক বক্তব্য প্ৰকাশ কৰিছে। তেওঁ এই পৰাজয় সম্পূৰ্ণ বিনম্ৰতাৰে গ্ৰহণ কৰি ৰাইজৰ ৰায়ক নতশিৰে মেনে লোৱাৰ কথা জ্ঞাপন কৰে। গৌৰৱ গগৈয়ে কয়, "আজি ঘোষণা হোৱা অসম বিধানসভা নিৰ্বাচনৰ ফলাফলত প্ৰকাশ পোৱা অসমবাসী ৰাইজৰ ৰায় আমি সম্পূৰ্ণ বিনম্ৰতাৰে গ্ৰহণ কৰিছোঁ আৰু এই নিৰ্বাচনত আমাৰ পৰাজয় স্বীকাৰ কৰিছোঁ। যিসকল ভোটাৰে বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ ওপৰত বিশ্বাস ৰাখি ভোটদান কৰিলে, তেওঁলোকলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।" তেওঁ নিৰ্বাচনত জয়ী হোৱা প্ৰতিগৰাকী প্ৰাৰ্থীলৈ অভিনন্দন জনাই কয়, "আশা কৰোঁ তেওঁলোকে ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰি ৰাজ্যখনৰ উন্নতি, শান্তি আৰু সমৃদ্ধিৰ স্বাৰ্থত নিষ্ঠাৰে কাম কৰিব। আমি এই পৰাজয়ৰ অভিজ্ঞতাৰ পৰা শিক্ষা লৈ আগন্তুক দিনসমূহত আত্মবিশ্লেষণ কৰি দলক শক্তিশালী কৰি তোলাৰ লগতে অধিক দৃঢ়তা আৰু প্ৰতিশ্ৰুতিৰে ৰাইজৰ সেৱাত নিয়োজিত হ'ম।" যোৰহাট সমষ্টিত নিজৰ পৰাজয় প্ৰসঙ্গত কংগ্ৰেছ সভাপতি গৰাকীয়ে কয়, "যোৰহাটৰ ৰাইজে দিয়া সিদ্ধান্তও মই নতশিৰে গ্ৰহণ কৰিছোঁ। ৰাইজৰ জনাদেশ অনুসৰি আমি এক দায়িত্বশীল বিৰোধী দল হিচাপে নিষ্ঠাৰে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিম। চৰকাৰৰ ভাল কামত আমি সহযোগ কৰিম আৰু চৰকাৰৰ জনবিৰোধী নীতি সমূহৰ ক্ষেত্ৰত সদায় ৰাইজৰ পক্ষত থাকি বিৰোধিতা কৰি যাম।" নিৰ্বাচনী প্ৰচাৰ আৰু বিগত কেইবামাহ ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ ৰাইজে দেখুওৱা মৰম-চেনেহৰ বাবে তেওঁ গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ কয়, "আপোনালোকৰ এই অটল বিশ্বাস, সমৰ্থন আৰু উৎসাহেই আমাৰ আগবাঢ়ি যোৱাৰ শক্তি।" লগতে দলৰ কৰ্মীসকললৈ শলাগ জ্ঞাপন কৰি গৌৰৱ গগৈয়ে কয়, 'এই নিৰ্বাচনত দিন-ৰাতি একাকাৰ কৰি বিৰোধী মিত্ৰজোঁটৰ অংশ হিচাপে দলৰ বাবে নিষ্ঠাৰে কাম কৰা প্ৰতিগৰাকী কৰ্মীলৈ আমি আন্তৰিক ধন্যবাদ আৰু গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আপোনালোকৰ অক্লান্ত পৰিশ্ৰম, ত্যাগ আৰু অটল বিশ্বাসেই আমাৰ শক্তিৰ মূল ভিত্তি। কঠিন পৰিস্থিতিৰ মাজতো আপোনালোকে যি ধৈৰ্য্য, একতা আৰু দৃঢ়তা প্ৰদৰ্শন কৰিলে, সেয়া আমাৰ বাবে সদায় প্ৰেৰণা আৰু সাহসৰ বিষয় হৈ থাকিব। "অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে এই পৰাজয়ৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি গৌৰৱ গগৈয়ে কয়, 'আদৰ্শৰ এই যুঁজখনত আমি সদায় অটল থাকিম আৰু ৰাইজৰ স্বাৰ্থ, অধিকাৰ আৰু মৰ্যাদা ৰক্ষাৰ বাবে যুঁজ অব্যাহত ৰাখিম। পৰৱৰ্তী সময়ত দলৰ শীৰ্ষ নেতৃত্বই যি দায়িত্ব দিয়ে, সেই দায়িত্ব পালন কৰিবলৈ মই সাজু।"

## বংগত মমতাৰ পতন !

কৰিবলৈ সক্ষম হয়। আনহাতে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ দল তৃণমূল কংগ্ৰেছৰ আসন সংখ্যা অস্বাভাৱিকভাৱে হ্ৰাস পাইছে। দশক দশক ধৰি পূব ভাৰতৰ এই গুৰুত্বপূৰ্ণ ৰাজ্যখনত গেৰুৱা দলটোৱে নিজৰ ভেটি সুদৃঢ় কৰাত সফল হৈছে। নিৰ্বাচনী ফলাফলে প্ৰমাণ কৰে যে পশ্চিম বংগৰ ৰাইজে এইবাৰ কেৱল পৰিৱৰ্তন বিচাৰিছে। যোৱা কেইবছৰমানৰ পৰা বিজেপিৰ দুৰ্গ হিচাপে পৰিচিত উত্তৰ বংগই এইবাৰো আশানুৰূপ ফলাফল দেখুৱাইছে। ইয়াৰ লগতে তৃণমূলৰ দখলত থকা কেইবাটাও সীমান্তৱৰ্তী দুৰ্গত বিজেপিয়ে ব্যাপক সফলতা অৰ্জন কৰিছে। মেদিনীপুৰত জনজাতীয় লোকৰ বিপুল সমৰ্থন লাভ কৰি বিজেপিয়ে পঞ্চাশখনতকৈও অধিক আসনত আগবাঢ়িছে, আনহাতে তৃণমূল কংগ্ৰেছে মাত্ৰ পাঁচখন আসনতে সীমাবদ্ধ থাকিবলগীয়া হৈছে। বৰ্ধমান, কলকাতা আৰু হাওৰাৰ দৰে ঐতিহ্যবাহী তৃণমূল দুৰ্গসমূহতো বিজেপিয়ে একপ্ৰকাৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে। ৰাজ্যখনৰ প্ৰেচিডেন্সি অঞ্চল আৰু মালদাহতো বিজেপিৰ প্ৰভাৱ স্পষ্টভাৱে পৰা দেখা গৈছে। অৱশ্যে দক্ষিণ কলকাতাৰ ভৱানীপুৰ সমষ্টিত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে প্ৰায় ১৭ হাজাৰ ভোটত অগ্ৰগতি অক্ষুণ্ণ ৰাখিছে। এই সমগ্ৰ নিৰ্বাচনী পৰিস্থিতিৰ সন্দৰ্ভত বিজেপিৰ ৰাজ্যিক সভাপতি সমীক ভট্টাচাৰ্যই কয়, 'এই বাৰৰ নিৰ্বাচন হৈছে প্ৰত্যাখ্যানৰ নিৰ্বাচন।' শিক্ষক নিযুক্তি কেলেংকাৰীৰ পৰা আৰম্ভ কৰি ৰাজ্যখনৰ তীব্ৰ নিবনুৱা সমস্যা — বিভিন্ন কাৰণতে ৰাইজে তৃণমূল কংগ্ৰেছক নাকচ কৰিছে বুলি তেওঁ মত প্ৰকাশ কৰে। ৩৪ বছৰীয়া শক্তিশালী বাঁওপন্থী শাসনৰ অন্ত পেলাই বাঘিনীৰ দৰে আৱিৰ্ভাৱ হোৱা মমতা বেনাৰ্জীৰ এই পতন সঁচাকৈয়ে আচৰিত। তেওঁৰ ১৫ বছৰীয়া শাসনকালত সংঘটিত হোৱা বিভিন্ন কেলেংকাৰী আৰু গুণ্ডাগিৰিয়েই এই পৰাজয়ৰ মূল কাৰণ বুলি ৰাজনৈতিক বিশ্লেষকসকলে ধাৰণা কৰিছে। বিশেষকৈ কলকাতাত চলি থকা ইউনিয়ন সংস্কৃতি আৰু শেহতীয়া আৰ জি কৰ চিকিৎসালয়ৰ ঘটনাই সাধাৰণ মানুহৰ মনত তীব্ৰ ক্ষোভ আৰু ভয়ৰ সৃষ্টি কৰিছিল। সংখ্যালঘু তোষণৰ ৰাজনীতিয়ে ৰাজ্যখনৰ বৃহৎ সংখ্যক হিন্দু ভোটাৰক অসন্তুষ্ট কৰি তুলিছিল। এই সকলোবোৰ কাৰণে বিজেপিৰ সপক্ষে এক শক্তিশালী জনমত গঢ়ি তুলিবলৈ সহায় কৰিলে। নিৰ্বাচনী প্ৰচাৰৰ সময়ত তৃণমূল কংগ্ৰেছেবঙালী আৱেগক মূল অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছিল। 'বংগই নিজৰ কন্যাকহে বিচাৰে' বুলি শ্লোগান দিয়াৰ লগতে বিজেপিয়ে ক্ষমতালৈ আহিলে মাছ-মঙহ খোৱাত বাধা আৰোপ কৰিব বুলি ৰাইজৰ মাজত ভয় সৃষ্টি কৰিবলৈ বিচাৰিছিল। তৃণমূলৰ দাবী আছিল যে বিজেপিৰ আগমনে বঙালী ভাষা আৰু সংস্কৃতিলৈ ভাবুকি কঢ়িয়াই আনিব আৰু হিন্দী সংস্কৃতি জাপি দিব। কিন্তু ফলাফলে দেখুৱালে যে সাহিত্য, সংস্কৃতি আৰু চাহ-আড্ডাৰ এই ৰাজ্যখনৰ জনসাধাৰণে এতিয়া এই অপপ্ৰচাৰত গুৰুত্ব নিদি কেৱল পৰিৱৰ্তন বিচাৰে। নিবনুৱা সমস্যা, ভয় আৰু দুৰ্নীতিৰ পৰা পৰিত্ৰাণ পাবলৈ ৰাইজে বিজেপিক আঁকোৱালি লৈছে।

## ধূলিস্যাৎ বিৰোধী মিত্ৰজোঁট

প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও মাত্ৰ ২১খন আসন লাভ কৰিছে যাৰ কংগ্ৰেছে ১৯খন আসন লাভ কৰিবলৈ সক্ষম হ'ল। বিৰোধী মিত্ৰজোঁটে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক সন্মুখত ৰাখি এইবাৰ ৰাজ্যত চৰকাৰ গঠনৰ সপোন দেখিছিল। কিন্তু সেই সপোন মাটিত পৰিণত হয় যেতিয়া গৌৰৱ গগৈয়ে নিজৰ যোৰহাট সমষ্টিত বিজেপি প্ৰাৰ্থীগৰাকীৰ হাতত শোচনীয় পৰাজয় বৰণ কৰিবলগীয়া হয়। একেদৰে বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই নাজিৰা সমষ্টিত ৪৬ হাজাৰ ৭০১টা ভোটৰ ব্যৱধানত পৰাজিত হয়। দলটোৰ অন্যতম জ্যেষ্ঠ নেতা তথা প্ৰাক্তন সভাপতি ৰিপুন বৰা বৰচলা সমষ্টিত পৰাজিত হয়। বিৰোধী মিত্ৰজোঁটৰ আন এটা অংশীদাৰ ৰাইজৰ দলৰ মাত্ৰ দুগৰাকী প্ৰাৰ্থীহে নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছে। অতি লক্ষণীয়ভাৱে, মিত্ৰজোঁটৰ আন এক গুৰুত্বপূৰ্ণ অংশীদাৰ অসম জাতীয় পৰিষদে এতিয়ালৈকে এখনো আসনত জয়লাভ কৰিব নোৱাৰিলে। দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈয়েও খোৱাং সমষ্টিত বিজেপি প্ৰাৰ্থীগৰাকীৰ হাতত পৰাজয় স্বীকাৰ কৰিবলগীয়া হয়। এই সামগ্ৰিক পৰাজয়ে স্পষ্ট কৰি দিছে যে বিৰোধী মিত্ৰজোঁটৰ একত্ৰিত যুঁজ বিজেপিৰ গেৰুৱা ঢৌৰ সন্মুখত সম্পূৰ্ণৰূপে বিফল হৈছে।

## কেৰালাত কংগ্ৰেছ নেতৃত্বাধীন

মুঠ ১৪০খন আসনৰ কেৰালা বিধানসভালৈ অনুষ্ঠিত নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত গণতান্ত্ৰিক মৰ্চা (ইউ ডি এফ)এ সংখ্যাগৰিষ্ঠতা লাভ কৰে। মৰ্চাটোৱে ১০০খন আসন দখল কৰে। অন্যহাতে, কমিউনিষ্ট পাৰ্টী (মাৰ্বাদী) নেতৃত্বাধীন বাম গণতান্ত্ৰিক মৰ্চা (এল ডি এফ)য়ে ৩৫খন আসন লাভ কৰে। বিজেপি নেতৃত্বাধীন জাতীয় গণতান্ত্ৰিক মৰ্চা (এন ডি এ)ই কেৰালাত মুখ থেকেঁচা খাই কেৱল ২খন আসনতে সীমাবদ্ধ থাকে। বাকী ২খন আসন অন্য দলে লাভ কৰে। এই ফলাফলৰ লগে লগে কংগ্ৰেছ নেতৃত্বাধীন ইউ ডি এফ-ৰ চৰকাৰ গঠনৰ পথ প্ৰশস্ত হৈ উঠে।

## অসমৰ জনতাক কৃতজ্ঞতা জ্ঞাপন ড° হিমন্ত বিশ্ব শৰ্মাৰ

কৰ্মীসকলৰ মাজত। এই বৃহৎ জনাদেশৰ পিছতে মোমবাৰে বিয়লি গুৱাহাটীৰ বশিষ্ঠস্থিত বাজপেয়ী ভৱনত এখন সংবাদমেল সম্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংবাদমেল আৰম্ভ কৰিয়েই মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ জনতালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয়, 'নিৰ্বাচনত ৰাইজক দিয়া প্ৰতিটো প্ৰতিশ্ৰুতি নিষ্ঠাৰে পালন কৰিবলৈ আমি কাম কৰিম। নিৰ্বাচনত আমি ১০০খনতকৈও অধিক আসন লাভ কৰিব পাৰিম বুলি ভাৰতীয় জনতা পাৰ্টিয়ে বিশ্বাস কৰিছিল, সেই বিশ্বাসেৰে আমি ৰাইজৰ মাজলৈ গৈছিলোঁ।' জুবিন গাৰ্গৰ বিষয়টো নিৰ্বাচনী ইছ্যু হিচাপে লোৱা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, 'মই নাভাবো জুবিন গাৰ্গৰ বিষয়টো কিবা ইছ্যু আছিল। জুবিন গাৰ্গ সদায় ৰাজনীতিৰ উৰ্ধত বুলি মই বিশ্বাস কৰো। কিন্তু কংগ্ৰেছে তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰত জুবিন গাৰ্গৰ বিষয়টো উল্লেখ কৰি অসমীয়া ৰাইজৰ পৰা বহু দূৰৈলৈ গুচি গ'ল। কংগ্ৰেছে পৰাজয় বৰণ কৰাৰ এটা প্ৰধান কাৰণ হৈছে অসমৰ ৰাইজক লৈ কৰা নিকৃষ্ট ৰাজনীতি। এই নিকৃষ্ট ৰাজনীতিৰ বাবেই ৰাইজে তেওঁলোকক এক প্ৰকাৰ শাস্তি প্ৰদান কৰিছে। 'গৌৰৱ গগৈ, অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈ — এই তিনিগগৈৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে কয়, "মই আগতে কৈছিলো যে এই তিনি গগৈ শব্দটোৱে অসমীয়া জাতিটোক বিখণ্ডিত কৰাৰ এক ষড়যন্ত্ৰ চলাইছিল। অসমৰ ৰাজনীতিত কেতিয়াও জাতি-বৰ্ণ লৈ ৰাজনীতি হোৱা নাছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পৰা সৰ্বানন্দ সোণোৱাললৈকে এই দীঘলীয়া ৰাজনৈতিক ইতিহাসত উপাধিৰ ৰাজনীতি কৰাৰ এইটো এক অভূতপূৰ্ব প্ৰচেষ্টা আছিল। অসমৰ ৰাইজে এই গগৈ ৰাজনীতিক প্ৰত্যাখ্যান কৰাৰ লগতে দুজন গগৈক পৰাস্তও কৰিলে।" মুখ্যমন্ত্ৰীয়ে কয়, "নিৰ্বাচনৰ সময়ত এটা বা দুটা প্ৰচাৰ মাধ্যমে জেন-জি প্ৰাৰ্থীৰ ক্ষেত্ৰত একপক্ষীয় নীতি গ্ৰহণ কৰা পৰিলক্ষিত হৈছিল। তেওঁলোকৰ মতে জেন-জিৰ সকলো অধিকাৰ বিৰোধী পক্ষৰ লগতহে আছিল, বিজেপিৰ লগত নাছিল। কিন্তু বিজেপিয়ে আগবঢ়োৱা প্ৰতিগৰাকী জেন-জি প্ৰাৰ্থী এই নিৰ্বাচনত জয়ী হৈছে।" মুখ্যমন্ত্ৰীয়ে টোকা মাৰি কয়, 'মই ভাবোঁ বিৰোধী পক্ষত এইবাৰ হয়তো হিন্দু বিধায়ক নাথাকিব। জয় প্ৰকাশ দাস আৰু অখিল গগৈৰ বাহিৰে বিৰোধীত আন হিন্দু বিধায়ক নাথাকিব। মই আগতেও কৈছিলো যে কংগ্ৰেছত হিন্দু সমাজ থকাৰ পৰিৱেশ নাই। সেইবাবেই ভূপেন বৰা, প্ৰদ্যুৎ বৰদলৈক আমি মাতি আনিছিলো। অনাগত দিনত কংগ্ৰেছত যিসকল অধ্যয়নপুষ্ট বা সমাজৰ কথা চিন্তা কৰা হিন্দু লোক আছে, তেওঁলোকক ভাৰতীয় জনতা পাৰ্টীত একত্ৰিত কৰি জাতিটোক বহিৰাগত বিদেশী বাংলাদেশীৰ পৰা ৰক্ষা কৰিব লাগিব।" তেওঁ কয়, "উচ্ছেদৰ নচলাৰ কথাটো কেতিয়াও হোৱা নাই। যোৱাবাৰ ডেৰ লাখ বিঘা মাটি উচ্ছেদ কৰিছিলো, এইবাৰ আমাৰ লক্ষ্য তাতকৈ বেছি। "পৱন খেড়াক অসমত আহি থানাত উপস্থিত হ'বলৈ সুপ্ৰিম কোৰ্টে নিৰ্দেশ দিছে। এবাৰ হিমন্ত বিশ্ব শৰ্মাই কৰিম বুলি ক'লে সাধাৰণতে পিছলৈ উভতি নাচাও। পৱন খেড়াক মই ধন্যবাদ জনাব বিচাৰিম — তেওঁ অসমীয়া নাৰীৰ ওপৰত উত্থাপন কৰা অভিযোগে অসমীয়া ৰাইজক আবেগিক কৰি তুলিছিল। তেওঁ সম্বোধন কৰা সংবাদমেলত যদি গৌৰৱ গগৈ নবহিলহেঁতেন, তেন্তে তেওঁ হয়তো আজি জয়ী হ'লহেঁতেন। অসমৰ ৰাইজে তেওঁক ইতিমধ্যে পেৰা বনাই দিছে, আগলৈ মোৰো কিছুমান দায়িত্ব থাকিব — সেই দায়িত্ব মই পালন কৰিম।" পশ্চিম বংগত বিজেপিৰ বিজয় অসমৰ বাবে অত্যন্ত ইতিবাচক বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে শপতগ্ৰহণৰ তাৰিখ পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব বুলি জনায়।

## APCCৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙৰ পদত্যাগ,

কমিটিৰ তত্ত্বাৱধায়ক পদ ত্যাগ কৰিছে। তেওঁ লিখে, "শেহতীয়া নিৰ্বাচনৰ ফলাফল গভীৰভাৱে হতাশাজনক হৈ পৰিছে, আৰু এই ফলাফলত মোৰ ভূমিকাৰ সম্পূৰ্ণ দায়িত্ব মই গ্ৰহণ কৰিছো। যৎপৰোনাস্তি চেষ্টা কৰিও আমি যিসকল অসমবাসীক সেৱা আগবঢ়াব বিচাৰিছিলো, তেওঁলোকৰ আশা পূৰণ কৰিব নোৱাৰিলো।" চিঠিখনত তেওঁ আৰু উল্লেখ কৰে যে কংগ্ৰেছ দলৰ হৈ সেৱা আগবঢ়োৱাৰ সুযোগ আৰু কাৰ্যকালত তেওঁৰ ওপৰত অৰ্পিত আস্থাৰ বাবে তেওঁ কৃতজ্ঞ। জিতেন্দ্ৰ সিঙে অসমৰ ৰাইজকে ধৰি ৰাজ্যৰ কংগ্ৰেছ কৰ্মী আৰু নেতাসকলক তেওঁলোকে দেখুওৱা মৰম আৰু সন্মানৰ বাবে আন্তৰিক ধন্যবাদ জনায়। তেওঁ প্ৰতিজ্ঞা কৰে যে কংগ্ৰেছ দলৰ মূল্যবোধ আৰু দৃষ্টিভংগীৰ প্ৰতি তেওঁ দায়বদ্ধ হৈ থাকিব আৰু উপযুক্ত বুলিবলগীয়া যিকোনো ক্ষমতাত দলৰ প্ৰচেষ্টাক সমৰ্থন কৰি যাব। উল্লেখনীয় যে বিগত বিধানসভা নিৰ্বাচনত অসম প্ৰদেশ কংগ্ৰেছে মুঠ ৯৯খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও তাৰ ভিতৰত মাত্ৰ ১৯খন আসনহে লাভ কৰিবলৈ সক্ষম হয়। এই চৰম পৰাজয়ৰ পিছতেই দলটোৰ ভিতৰত পুনৰ নিৰীক্ষণ আৰু দায়িত্ব গ্ৰহণৰ প্ৰৱণতা দেখা যায়, যাৰ পৰিপ্ৰেক্ষিতত জিতেন্দ্ৰ সিঙে আজি পদত্যাগ পত্ৰ জমা দিয়ে।

## খোৱাঙত পৰাজয় স্বীকাৰ

গগৈয়ে সামাজিক মাধ্যমযোগে এক শুভেচ্ছা বাৰ্তা প্ৰকাশ কৰে। তেওঁ সমষ্টিৰ জনমতক সন্মান জনাই এই পৰাজয় হৃদয়ংগম কৰি লোৱাৰ কথা উল্লেখ কৰে। গগৈয়ে লিখে, "যিসকল সন্মানীয় ভোটাৰে মোৰ ওপৰত অত্যন্ত আস্থা ৰাখি ভোটদান কৰিলে, তেখেতসকললৈ মোৰ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা ৰয়েছে।" লগতে তেওঁ অসমবাসী ৰাইজক ধন্যবাদ জনাই কয় যে ভোটদাতাসকলৰ সঁহাৰিয়ে আগন্তুক দিনত তেওঁলৈ সাহস, শক্তি আৰু প্ৰেৰণা হৈ থাকিব। ইয়াৰ উপৰিও তেওঁ লিখে, "এই সময়ছোৱাত যিসকলে মোক বিশ্বাস কৰিলে, সমৰ্থন দিলে আৰু লগত থাকিল— আপোনালোকলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আমি যি মূল্যবোধ লৈ আগবাঢ়িছিলোঁ, সেই একেই আদৰ্শ আৰু দৰ্শনেৰে আগলৈও আগুৱাই যাম।" গগৈয়ে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াত সহায়-সহযোগিতা আগবঢ়োৱা বিৰোধী ঐক্যমঞ্চৰ অন্তৰ্ভুক্ত প্ৰতিটো ৰাজনৈতিক দলৰ নেতৃবৰ্গ আৰু কৰ্মী-সহযোদ্ধালৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। শেষত তেওঁ আশা প্ৰকাশ কৰে যে নৱনিৰ্বাচিত প্ৰতিগৰাকী বিধায়কে জাতি আৰু অসমৰ উন্নত ভৱিষ্যতৰ বাবে কাম কৰি যাব।

## ১৭, ২৭২ ভোটৰ ব্যৱধানত

অৱশেষত শিৱসাগৰ সমষ্টিত অখিল গগৈয়ে সেই আস্থাৰ প্ৰতিদান দি পুনৰ জয়লাভ কৰিবলৈ সক্ষম হয়। তেওঁ বিজেপিৰ প্ৰাৰ্থী কুশল দুৱৰীক ১৭, ২৭২টা ভোটৰ ব্যাপক ব্যৱধানত পৰাস্ত কৰে। অখিল গগৈয়ে মুঠ ৮৬, ৫২১টা ভোট লাভ কৰে, আনহাতে কুশল দুৱৰীয়ে পায় ৬৯, ২৪৯টা ভোট। এই ফলাফলৰ পিছতে শিৱসাগৰত ৰাইজৰ দলৰ সমৰ্থকসকল উৎফুল্ল হৈ পৰে। অখিল গগৈৰ এই জয় বিশেষভাৱে উল্লেখযোগ্য, কাৰণ ইতিমধ্যে বিৰোধী শিবিৰৰ আন দুগৰাকী প্ৰধান মুখ - কংগ্ৰেছ সভাপতি গৌৰৱ গগৈ আৰু অজপ সভাপতি লুৰীণজ্যোতি গগৈ নিজ নিজ সমষ্টিত পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। কিন্তু অখিল গগৈয়ে সেই প্ৰবাহৰ বিপৰীতে গৈ নিজৰ দলটোৰ অস্তিত্ব অটুট ৰাখিছে। সমষ্টিটোত অসম গণ পৰিষদৰ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাই ১৪, ৭৫৭টা ভোট লাভ কৰি তৃতীয় স্থান দখল কৰে। তেওঁৰ উপস্থিতিয়ে ভোটৰ কিছু ভাগ বিভাজন ঘটালেও অখিল গগৈৰ জয়ত বাধা দিব নোৱাৰিলে। অখিল গগৈৰ এই বিজয়ে শিৱসাগৰত ৰাইজৰ দলৰ শক্তি পুনৰ প্ৰতিষ্ঠা কৰিছে। আনহাতে, কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদৰ বাবে এই পৰাজয় এক গুৰুতৰ আঘাত হিচাপে চিহ্নিত হৈছে। নিৰ্বাচনৰ পিছৰ পৰিসংখ্যান অনুসৰি, শিৱসাগৰৰ ৰাইজে অখিল গগৈৰ নেতৃত্ব আৰু কাম-কাজৰ মূল্যায়ন কৰি তেওঁক পুনৰ সুযোগ দিবলৈ সাজু হৈছে।

## অপাৰেচন সেন্দূৰৰ প্ৰথম

সকলৰ বিৰুদ্ধে কেনেকৈ উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ কৰিছিল তাৰ এক 'অনন্য' উদাহৰণ বুলি অভিহিত কৰে। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত এক অনুষ্ঠানত ভাষণ দি মন্ত্ৰী সিঙে জোৰ দি কয় যে, সশস্ত্ৰ বাহিনীয়ে ধৈৰ্য্য দেখুৱাইছে। লগতে সন্ত্ৰাসবাদীৰ আত্মগোপন স্থান ধ্বংস কৰাৰ ক্ষেত্ৰতো তেওঁলোকে সম্পূৰ্ণ নিখুঁত আৰু নিৰ্ণায়কতাৰে কাম কৰিছিল। এই অভিযান ভাৰতীয় সেনাৰ সামৰ্থ্যাৰ কথা বিশ্ববাসীক সোঁৱৰাই দিয়া এক বিশ্বব্যাপী বাৰ্তা বুলি তেওঁ উল্লেখ কৰে। যোৱা বছৰৰ ২২ এপ্ৰিলত পহলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতি সঁহাৰি জনাই ভাৰতে ৭ মে'ত 'অপাৰেচন সেন্দূৰ' আৰম্ভ কৰিছিল। এই অভিযানত পাকিস্তানৰ নিয়ন্ত্ৰিত অঞ্চলত অৱস্থিত সন্ত্ৰাসবাদী আত্মগোপন স্থানসমূহক লক্ষ্য কৰি লোৱা হৈছিল। আক্ৰমণৰ পিছত চাৰিদিন ধৰি তীব্ৰ সংঘৰ্ষৰ সৃষ্টি হয়। শেষত ১০ মে'ত সামৰিক ব্যৱস্থা বন্ধ কৰাৰ পাৰস্পৰিক চুক্তিৰে পৰিস্থিতিৰ সমাধান ঘটে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, "আমাৰ সৈন্যই সন্ত্ৰাসবাদী আৰু তেওঁলোকৰ পৃষ্ঠপোষকসকলক যি নিৰ্ণায়ক সঁহাৰি দিছিল, সেইটোৱে সমগ্ৰ দেশখনকে গৌৰৱান্বিত কৰিছে। ভাল কথা আছিল যে আমি ধৈৰ্য্য ধৰি কেৱল সন্ত্ৰাসবাদীকে লক্ষ্য কৰি লৈছিলোঁ। নহ'লে আমাৰ সশস্ত্ৰ বাহিনী কি কৰিবলৈ সক্ষম, সেই কথা সমগ্ৰ বিশ্বই জানে।" প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এই অভিযানক প্ৰযুক্তিৰ ব্যৱহাৰৰ এক অনন্য নিদৰ্শন বুলি অভিহিত কৰে। তেওঁ কয় যে অপাৰেচন সেন্দূৰত 'আকাশ' আৰু 'ব্ৰহ্মোছ'ৰ দৰে আধুনিক ক্ষেপণাস্ত্ৰ ব্যৱস্থাৰ লগতে বিভিন্ন ধৰণৰ অত্যাধুনিক সঁজুলি ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে ভাৰতীয় বাহিনীয়ে পৰিৱৰ্তিত পৰিস্থিতি বুজি পোৱাই নহয়, সম্পূৰ্ণ আত্মবিশ্বাসেৰেও ইয়াক ব্যৱহাৰ কৰে। বৰ্তমানৰ ভূ-ৰাজনৈতিক পৰিৱেশৰ কথা উল্লেখ কৰি ৰাজনাথ সিঙে জোৰ দি কয় যে সেনাই সকলো সময়তে সজাগ হৈ থাকিব লাগিব আৰু পৰিৱৰ্তিত পৰিৱেশৰ লগত অহৰহ খাপ খাব লাগিব। তেওঁ কয়, "আজিৰ জটিল আৰু দ্ৰুতগতিত পৰিৱৰ্তিত পৰিৱেশত প্ৰগতিৰ বাবে এটাই মন্ত্ৰ হ'ল: অভিযোজন ক্ষমতা। অভিযোজন ক্ষমতা আমাৰ শীৰ্ষ অগ্ৰাধিকাৰ হ'ব লাগিব।" আৰু বিশদভাৱে উল্লেখ কৰি তেওঁ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ যিকোনো সম্ভাব্য প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ 'সক্ৰিয় প্ৰস্তুতি'ৰ আহ্বান জনায়। তেওঁ কয়, "ইতিহাসে সাক্ষ্য দিছে যে যুদ্ধত নিৰ্ণায়ক সুবিধা সদায় সেই পক্ষলৈ যায় যিয়ে আশ্চৰ্যকৰ উপাদানৰ অধিকাৰী। মই নিশ্চিত যে আমাৰ সশস্ত্ৰ বাহিনীয়ে এই দিশত অধ্যৱসায়ীভাৱে কাম কৰি আছে। কিন্তু আমি আৰু অধিক সক্ৰিয় হৈ এই দিশত কাম কৰি যাব লাগিব।"

## তামিলনাডুত ছুপাৰষ্টাৰ বিজয়ৰ

জনপ্ৰিয় দল হিচাপে আত্মপ্ৰকাশ কৰিছে, আনহাতে শাসনত থকা ডিএমকে-এ লাভ কৰিছে ২৪.২০ শতাংশ আৰু বিৰোধী এআইএডিএমকে-এ ২১.৩৫ শতাংশ ভোটহে লাভ কৰিবলৈ সক্ষম হৈছে। দলৰ মুৰব্বী বিজয় নিজে দুয়োটা গুৰুত্বপূৰ্ণ সমষ্টিত বৃহৎ জয় সাব্যস্ত কৰিছে। পেৰাম্বুৰ সমষ্টিত বিজয়ে ১, ০৫, ৭৪৩টা ভোট লাভ কৰি ডিএমকে-ৰ প্ৰাৰ্থী আৰ ডি শেখৰক ৪৬, ৬২৪টা ভোটৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। একেদৰে তিৰুচিৰাপল্লী (পূব) সমষ্টিত বিজয়ে ৬৯, ০১৭টা ভোট লাভ কৰি তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বীক ২২, ০৯২টা ভোটত পিছ পেলাইছে। কিন্তু এই নিৰ্বাচনৰ আটাইতকৈ চাঞ্চল্যকৰ খবৰটো আহিছে কোলাথুৰ সমষ্টিৰ পৰা। ২০০৮ চনৰ পৰা নিজৰ দখলত থকা এই দুৰ্গত পৰাজয় বৰণ কৰিছে স্বয়ং মুখ্যমন্ত্ৰী এম কে ষ্টালিনে। টিভিকে-ৰ প্ৰাৰ্থী ভি এছ বাবুৱে ষ্টালিনক ৮, ৭৯৫টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি এক ঐতিহাসিক মুহূৰ্তৰ সূচনা কৰিছে। তামিলনাডুৰ ২৩৪খন বিধানসভা আসনৰ ভিতৰত সংখ্যাগৰিষ্ঠতাৰ বাবে প্ৰয়োজন হোৱা ১১৮খন আসনৰ একেবাৰে ওচৰ চাপিছে বিজয়ৰ দল। বৰ্তমানৰ পৰিসংখ্যান অনুসৰি টিভিকে-এ ১০৮খন আসনত জয় বা অগ্ৰগতি অৰ্জন কৰিছে, আনহাতে ডিএমকে-এ ৬১খন আৰু এআইএডিএমকে-এ ৪৪খন আসন লাভ কৰি পিছ পৰি আছে। নিচামুক্তি, সামাজিক ন্যায় আৰু যুৱ প্ৰজন্মৰ আশা-আকাংক্ষাক মূল ইছ্যু হিচাপে লৈ চলোৱা অভিযানে বিজয়ক এই বিশাল সফলতা প্ৰদান কৰিছে। বিশেষকৈ যুৱ ভোটাৰ আৰু সংখ্যালঘু সম্প্ৰদায়ৰ মাজত তেওঁৰ গ্ৰহণযোগ্যতাই পুৰণি দ্ৰাবিড় ৰাজনীতিক প্ৰত্যাহ্বান জনাইছে। তামিলনাডুৰ ৰাজনৈতিক চিত্ৰনাট্যত এতিয়া এক নতুন নায়কৰ উদয় হৈছে। বিজয়ৰ এই অভিষেক কেৱল এক 'কেমিঅ' নহয়, বৰঞ্চ ৰাজ্যখনৰ ভৱিষ্যত নিৰ্ণয়ৰ এক পূৰ্ণকালীন 'ব্লকবাষ্টাৰ' প্ৰদৰ্শন বুলি বিশেষজ্ঞসকলে অভিহিত কৰিছে।

## অসম-বংগত ভোট চুৰিৰ অভিযোগ পুনৰ উত্থাপন

জনায়। মমতা বেনাৰ্জীয়ে দাবী কৰিছিল যে পশ্চিম বংগত ১০০তকৈ অধিক সমষ্টিৰ ভোট চুৰি হৈছে। সেই অভিযোগত সহমত প্ৰকাশ কৰি ৰাহুল গান্ধীয়ে এক্সত লিখে: অৰ্থাৎ, অসম আৰু বংগত নিৰ্বাচন আয়োগৰ সহযোগত বিজেপিয়ে ভোট চুৰি কৰাৰ স্পষ্ট নিদৰ্শন আছে। তেওঁ কয় যে মধ্যপ্ৰদেশ, হাৰিয়ানা, মহাৰাষ্ট্ৰ আৰু ২০২৪ চনৰ লোকসভা নিৰ্বাচনতো একে কৌশল দেখা গৈছে। উল্লেখ্য, অসম আৰু পশ্চিম বংগ বিধানসভা নিৰ্বাচনত বিৰোধী মিত্ৰজোঁট চৰমভাৱে পৰাজিত হোৱাৰ পাছতে ৰাহুল গান্ধীয়ে এই অভিযোগ উত্থাপন কৰে। নিৰ্বাচন আয়োগে এতিয়ালৈকে এই দাবীৰ কোনো সত্যতা নাপালে বুলি স্পষ্ট কৰা নাই।

## গোসাঁইগাঁৱৰ সাপকাটা আৰক্ষীৰ অভিযান, নকল সোণৰ মূৰ্তি ৰাখি ধন দাবী কৰা দুষ্টচক্ৰক আৰক্ষীৰ জালত, চাৰিটা নকল সোণৰ মূৰ্তি উদ্ধাৰ

**অসম বাৰ্তা, গোসাঁইগাঁও, ৪ মে' ঃ** গোসাঁইগাঁও মহকুমাৰ সাপকাটা অঞ্চলত এক চাঞ্চল্যকৰ ঘটনাৰ পোহৰলৈ আহিছে। সোণৰ নকল মূৰ্তি বনাই মানুহৰ ঘৰত ৰাখি ফোনযোগে প্ৰলোভন দেখুৱাই ধন দাবী কৰা এক দুষ্টচক্ৰৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই দুজনক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি স্থানীয় ৰাইজৰ সহযোগত সাপকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ২ নং হাউৰীয়াপেট অঞ্চলত অভিযান চলাই আৰক্ষীয়ে ঘৰৰ পৰা কদ্দুছ আলীক আটক কৰে। ইফালে এই ঘটনাৰ সৈতে সাপকাটাৰ আন এজন জড়িত অভিযুক্ত আৰক্ষীৰ উপস্থিতি উমান পাই ঘৰৰ খিৰিকি ভাঙি পলায়ন কৰে যদিও সক্ৰিয় ভূমিকালৈ ৰকমত আলীকো আটক কৰে। উল্লেখযোগ্য যে এই বৃহত দুষ্টচক্ৰটোৱে নকল সোণৰ মূৰ্তি মানুহৰ ঘৰৰ আশে পাশে গোপনে ৰাখি ফোনযোগে বিভিন্ন প্ৰলোভন দিয়ে। ঘৰৰ আশে-পাশে দেৱতা বা আল্লাহ থকা বুলি কৈ সাধাৰণ লোকৰ মাজত আতংক সৃষ্টি কৰি বহুদিনৰ পৰা ধন দাবী কৰি আহিছিল। উক্ত ঘটনাৰ খবৰ পাই গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰাই উক্ত বিষয়টো গুৰুত্ব সহকাৰে লৈ খাপ পিঠি থাকে। আজি আৰক্ষী কৰা অভিসন্ধি মতে আৰক্ষীৰ জালত পৰে দুজনক কৈ লোক। ঘটনা সন্দৰ্ভত আৰক্ষী তদন্ত অব্যাহত ৰাখিছে।

# সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে মেধাৱী ছাত্ৰ-ছাত্ৰীৰ উৎসাহ বৃদ্ধি

**অসম বাৰ্তা, চাপৰ, ৪ মে’ ঃ** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত নিউ হাতিপোতা হাই স্কুলত “THE LITTLE BUTTERFLY FOUNDATION”ৰ উদ্যোগত ২০২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুনাম অৰ্জন কৰি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱা হয়। সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতা অৰ্জন কৰা হাতিপোতা অঞ্চলৰ মুঠ ২৯ গৰাকী ছাত্ৰ-ছাত্ৰীক এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। ইয়াৰে ১০ গৰাকী উচ্চতৰ মাধ্যমিক আৰু ১৯ গৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী আছিল। সংস্থাটোৰ তৰফৰ পৰা প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, এটি কলম, এখনি মানপত্ৰ আৰু এখনকৈ ইংৰাজী অভিধান প্ৰদান কৰা হয়। সংস্থাটোৰ নেতৃত্ববৃন্দই জনোৱা মতে, এই সম্বৰ্ধনা অনুষ্ঠানৰ মূল উদ্দেশ্য হৈছে উঠি অহা ছাত্ৰ-ছাত্ৰী সকলক অধিক উৎসাহিত কৰি আগন্তুক দিনত তেওঁলোকক উচ্চ শিখৰত উপনীত হ’বলৈ অনুপ্ৰাণিত কৰা। উক্ত অনুষ্ঠানত নিউ হাতিপোতা হাই স্কুলৰ প্ৰধান শিক্ষক, হাতিপোতা গাঁও পঞ্চায়তৰ পঞ্চায়ত সচিব, সভানেত্ৰী, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, বহু জেষ্ঠ ব্যক্তি, ছাত্ৰ-ছাত্ৰী আৰু সংস্থাটোৰ বিষয়-ববীয়া সকল উপস্থিত থাকে।

নিজ গৃহত উপস্থিত হোৱাৰ পাছতে বিভিন্নজনৰ শুভেচ্ছা

# ৰাজ্যিক পৰ্যায়ৰ ভলীবল প্ৰতিযোগিতাত শ্ৰেষ্ঠ বজালী

## শ্ৰেষ্ঠ খেলুৱৈৰ সন্মানৰে বজালীলৈ গৌৰৱ কঢ়িয়াই আনিলে পুঠিমাৰীৰ সংগীতা দাসে

**অসম বাৰ্তা, বজালী, ৪ মে’ ঃ** গুৱাহাটী ভলীবল কোচিং চেণ্টাৰ আৰু ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ সহযোগত অলপতে গুৱাহাটীত অনুষ্ঠিত হোৱা BVL Plus Challenger Series 2026 ৰ শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হৈছে বজালী ভলীবল দল। উল্লেখ্যযে তিনিচুকীয়া আৰু বজালীৰ মাজত অনুষ্ঠিত হোৱা ফাইনেল খেলখনত বজালী দলটোৱে চেম্পিয়নৰ খিতাপ লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বজালী জিলাৰ ওদালগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত পুঠিমাৰী নিৱাসী বাবুল দাস আৰু নিজৰা দাসৰ কন্যা সংগীতা দাসে। পুঠিমাৰী নিৱাসী অতিকৈ দুখীয়া পৰিয়ালৰ সন্তান সংগীতাৰ এই সফলতাত নিজ গৃহত আনন্দৰ জোঁৱাৰ উঠিছে। আজি বজালীৰ পুঠিমাৰীৰ গৃহত উপস্থিত হোৱাৰ পাছতে বিভিন্নজনে খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে। বজালী ভলীবল দলৰ প্ৰশিক্ষক গোপেশ্বৰ কলিতাৰ নেতৃত্বত যোৱা দলটোৱে এই সন্মানৰে বজালীলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱাৰ উপৰি প্ৰশিক্ষক গোপেশ্বৰ কলিতাই কয় পূৰ্বতেও কেবাটাও শিতানত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিবলৈ সক্ষম হোৱা সংগীতাই ২০২১ চনৰ পৰাই বজালী ভলীবল দলত যোগদান কৰি অতি উন্নত প্ৰদৰ্শন দাঙি ধৰিছে। সংগীতাৰ এই প্ৰদৰ্শনক লৈ যথেষ্ট সুখী প্ৰশিক্ষকগৰাকীয়ে দলটোৰ সকলো খেলুৱৈকে শুভেচ্ছা আৰু অভিনন্দন জনায়। বিজয় দলটোৱে ট্ৰফীসহ নগদ ডেৰ লাখ টকা আৰু শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত সংগীতা দাসে এটা TV পুৰস্কাৰ হিচাপে লাভ কৰে।

# গোৰেশ্বৰৰ ভূটান সীমান্তৰ গাঁও সমূহত গোৰ্খা জনগোষ্ঠীৰ সংসাৰী পূজা

**অসম বাৰ্তা, গোৰেশ্বৰ, ৪ মে’ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ আজি তামোলপুৰ জিলাৰ অন্তৰ্গত গোৰেশ্বৰ অঞ্চলৰ ভাৰত-ভূটান সীমান্তৱৰ্তী গোৰ্খা অধ্যুষিত দেউচুঙা, উপৰখুটি, বাঙালীপাৰা, ডোঙাৰগাওঁ, সুৱাগপুৰ আদি বিভিন্ন গাঁৱৰ গোৰ্খা লোকসকলে জনগোষ্ঠীটোৰ ঐতিহ্যবাহী সংসাৰী পূজা পালন কৰে। প্ৰতি বছৰৰ দৰে এই বছৰো অঞ্চলটোৰ বাঙালীপাৰাৰ দেউচুঙা নৈৰ পাৰত বাঙালীপাৰা আৰু উপৰখুটিৰ শতাধিক গোৰ্খা পৰিয়ালে সমূহীয়াকৈ পালন কৰে এই পূজা। জনগোষ্ঠীটোৰ লোকসকলে নিজস্ব মৌলিক পৰম্পৰা অক্ষুণ্ণ ৰাখি পৰম্পৰাগত নীতি-নিয়ম অনুসৰি আয়োজন কৰা এই পূজাত গাঁওবাসীয়ে প্ৰকৃতি, কুল আৰু গ্ৰামদেৱতাৰ আৰাধনা কৰে। উল্লেখ্য যে, প্ৰকৃতিপ্ৰেমী গোৰ্খা জনগোষ্ঠীয়ে অতীজৰে পৰা পালন কৰি অহা এই পূজা প্ৰতিবছৰে ব’হাগ মাহৰ যিকোনো এটা শনিবাৰে পালন কৰা হয়। সাধাৰণতে জনবসতিৰ পৰা কিছু দূৰৈত নদ-নদী, জান-জুৰিৰ পাৰত অথবা কোনো নিৰ্জন হাবিৰ মাজত ধামী (ওজা)ৰ দ্বাৰা এই পূজা সম্পন্ন কৰা হয়। ধামিয়ে মন্ত্ৰোউচ্চাৰণে ঢ্যাংৰো (গোৰ্খাসকলে ব্যৱহাৰ কৰা এবিধ বাদ্যযন্ত্ৰ) বজাই এযোৰ পাৰ চৰাই পাহাৰৰ ওপৰৰ পৰা মুকলি আকাশলৈ উৰুৱাই দিয়াৰো নিয়ম আছে। এই পাৰ চৰাই যোৱা পূজা আগবঢ়োৱা লোকসকলৰ পূজাৰ বতৰা প্ৰকৃতিৰ বিভিন্ন দেৱ-দেৱীৰ ওচৰলৈ লৈ যায় বুলি বিশ্বাস কৰা হয়। পূজাৰ বেদীত প্ৰতিঘৰ মানুহে কণিও উচ্ছৰ্গা কৰে। প্ৰকৃতিক সন্তুষ্ট কৰা আৰু অপায়-অমংগলৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে গোৰ্খা জনগোষ্ঠীৰ লোকসকলে এই পূজাভাগ আয়োজন কৰি আহিছে। পূৰ্বতে এই পূজাত পাৰ চৰাই, ছাগলী আদি বলি দিয়াৰ প্ৰথা প্ৰচলিত আছিল যদিও বৰ্তমান সময়ত সেই প্ৰথা প্ৰায় লোপ পাইছে। দেৱীক সন্তুষ্ট কৰাৰ নামত জীৱ হত্যা অনুচিত বুলি বিবেচনা কৰি বহুতে এতিয়া ধূপ-ধূনা আৰু মাহ-প্ৰসাদেৰেই পূজা সম্পন্ন কৰে। পূজাৰ অন্তত সকলোৱে প্ৰসাদ গ্ৰহণ কৰি সমূহীয়াকৈ ভোজ-ভাত খাই আনন্দ উলাহেৰে ঘৰলৈ উভতি যায়।

কুখ্যাত ড্ৰাগছ মাফিয়া আলী হুছেইনক আটক

# তাৰাবাৰী আৰক্ষীৰ বৃহৎ সফলতা



**অসম বাৰ্তা, চেঙা, ৪ মে’ ঃ** বৰপেটা জিলাত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অব্যাহত আৰু ধাৰাবাহিক অভিযানৰ ফলত পুনৰ এবাৰ উল্লেখযোগ্য সফলতা লাভ কৰিছে তাৰাবাৰী আৰক্ষীয়ে। সমাজৰ বাবে এক গুৰুত্বপূৰ্ণ সমস্যা হিচাপে পৰিগণিত হোৱা ড্ৰাগছৰ অবৈধ বেহা ৰোধ কৰাৰ লক্ষ্যৰে চলোৱা এই অভিযানত কুখ্যাত ড্ৰাগছ ব্যৱসায়ী আলী হুছেইনক আটক কৰিবলৈ সক্ষম হোৱাটো আৰক্ষীৰ বাবে এক উল্লেখযোগ্য সাফল্য হিচাপে বিবেচিত হৈছে। আৰক্ষীৰ সূত্ৰে জানিবলৈ দিয়া মতে, বহৰিৰ হৰিপুৰ গাঁৱৰ বাসিন্দা আলী হুছেইনে দীৰ্ঘদিন ধৰি তাৰাবাৰী তথা ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলসমূহত ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই আহিছিল। তেওঁৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ মাজত বহুদিন ধৰি অসন্তোষ আৰু অভিযোগ উত্থাপিত হৈছিল যদিও তেওঁ বহুদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি এই অবৈধ ব্যৱসায় চলাই গৈছিল বুলি জানিব পৰা গৈছে। ইয়াৰ পিছতেই গোপন সূত্ৰৰ পৰা লাভ কৰা এক গুৰুত্বপূৰ্ণ তথ্যৰ ভিত্তিত তাৰাবাৰী আৰক্ষীয়ে এক সুপৰিকল্পিত অভিযান চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত উপ-পৰিদৰ্শক কল্যাণ বণিক আৰু বিশ্বজিৎ দাসসহ এটি অভিজ্ঞ আৰক্ষী দল গঠন কৰা হয়। এই দলটোৱে সূক্ষ্মভাৱে পৰিকল্পনা কৰি বহৰি হৰিপুৰ গাঁৱত থকা অভিযুক্ত আলী হুছেইনৰ বাসগৃহত হঠাৎ অভিযান চলায়। অভিযান চলোৱাৰ সময়ত আৰক্ষীয়ে সন্দেহজনক কিছুমান সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰু ড্ৰাগছ ভৰ্তি এটা পেকেট আৰু দুটা কণ্টেইনাৰ জব্দ কৰা হয়। ইয়াৰ উপৰিও আৰক্ষীয়ে নগদ প্ৰায় ৬৫ হাজাৰ টকা আৰু এটা মোবাইল ফোনো জব্দ কৰে, যাক এই অবৈধ ব্যৱসায়ৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ প্ৰমাণ হিচাপে গণ্য কৰা হৈছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত এইটো স্পষ্ট হৈছে যে আলী হুছেইন একেলগে এই কাৰ্যকলাপত জড়িত নাছিল, বৰং ইয়াৰ সৈতে এটা বৃহৎ চক্ৰ জড়িত থকাৰ সম্ভাৱনা আছে। আৰক্ষীয়ে ইতিমধ্যে এই চক্ৰৰ আন সদস্যসকলক চিনাক্ত কৰাৰ প্ৰচেষ্টা আৰম্ভ কৰিছে আৰু শীঘ্ৰে এই অবৈধ কাৰ্যৰ লগত জড়িত থকা লোক সকলক অতি সোনকালে গ্ৰেপ্তাৰৰ সম্ভাৱনা উত্থাপন কৰিছে। ধৃত আলী হুছেইনৰ বিৰুদ্ধে তাৰাবাৰী আৰক্ষী থানাত প্ৰযোজ্য আইনী ধাৰাৰ অধীনত গোচৰ ৰজু কৰা হৈছে। বৰ্তমান তেওঁক আৰক্ষীৰ জিম্মাত ৰাখি অধিক জিজ্ঞাসাবাদ চলোৱা হৈছে যাতে এই ড্ৰাগছ নেটৱৰ্কৰ সম্পূৰ্ণ তথ্য উন্মোচিত কৰিব পৰা যায়। ইফালে, তাৰাবাৰী অঞ্চলৰ সচেতন ৰাইজে আৰক্ষীৰ এই অভিযানক আদৰণি জনাইছে আৰু ড্ৰাগছৰ বিৰুদ্ধে অধিক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে। স্থানীয় লোকসকলে মত প্ৰকাশ কৰিছে যে ড্ৰাগছৰ দৰে ভয়ংকৰ সমস্যাই অঞ্চলটোৰ যুৱ প্ৰজন্মক বিপথে নিয়াৰ আশংকা বৃদ্ধি কৰিছে, সেয়ে আৰক্ষীৰ এনে পদক্ষেপ সময়োপযোগী আৰু প্ৰশংসনীয়। তাৰাবাৰী আৰক্ষীয়ে স্পষ্টকৈ জনাইছে যে ড্ৰাগছৰ বিৰুদ্ধে এই অভিযান আগলৈও অব্যাহত থাকিব আৰু কোনো ধৰণৰ আপোচ নকৰাকৈ এই অবৈধ ব্যৱসায় সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ লক্ষ্যৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। আৰক্ষীয়ে সাধাৰণ ৰাইজকো এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে, যাতে সমাজখনক ড্ৰাগছমুক্ত কৰাৰ এই যুঁজ অধিক ফলপ্ৰসূ কৰি তোলা যায়।

# গোলকগঞ্জত নিশা চুৰিকাণ্ড; আৰক্ষীৰ নাকৰ তলতে ই-ৰিস্কা চুৰি, বিয়া বাতিলৰ আশংকা

**অসম বাৰ্তা, গোলকগঞ্জ, ৪ মে’ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ ঘোষ পাৰাত সংঘটিত হোৱা এক চুৰিকাণ্ডই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা ২৯ এপ্ৰিলৰ গভীৰ নিশা, প্ৰায় ৩ঃ০০ বজাৰ সময়ত, দুষ্টচক্ৰই এটা গৃহত প্ৰৱেশ কৰি এখন ই-ৰিস্কা (টোটো) চুৰি কৰি লৈ যায়। প্ৰাপ্ত তথ্য অনুসৰি, ভুক্তভোগী অভিজিৎ বিশ্বাস (পিতা- অজিৎ বিশ্বাস)ৰ ঘৰত এই ঘটনা সংঘটিত হয়। অভিযোগ অনুসৰি, সেই সময়ত হোৱা বৰষুণৰ সুযোগ লৈ চোৰে নতুনকৈ নিৰ্মাণ কৰা গেটৰ ফাঁক ব্যৱহাৰ কৰি ঘৰত প্ৰৱেশ কৰে আৰু চুৰিকাণ্ড সংঘটিত কৰে। এই ঘটনাই পৰিয়ালটোক গভীৰভাৱে আঘাত কৰিছে, কাৰণ চুৰি হোৱা ই-ৰিস্কাখনেই আছিল তেওঁলোকৰ একমাত্ৰ উপাৰ্জনৰ মাধ্যম। উল্লেখযোগ্য যে, ৩ মে’ তাৰিখে পৰিয়ালটোত এক বিয়াৰ অনুষ্ঠান অনুষ্ঠিত হ’ব লাগিছিল। এই অপ্ৰত্যাশিত ঘটনাৰ পিছত বিয়াখন বাতিল হোৱাৰ আশংকা সৃষ্টি হৈছে। ঘটনাৰ পিছতেই পৰিয়ালৰ লোকসকলে গোলকগঞ্জ থানাত AS17-GR-1190 নম্বৰৰ ই-ৰিস্কাখন উদ্ধাৰৰ বাবে এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈকে কোনো সুফল লাভ কৰা হোৱা নাই। ইফালে, স্থানীয় ৰাইজৰ মাজত তীব্ৰ অসন্তোষ দেখা গৈছে। উল্লেখযোগ্য যে, ঘটনাস্থল আৰক্ষী থানাৰ পৰা মাত্ৰ প্ৰায় ২০০ মিটাৰ দূৰত অৱস্থিত আৰু নিশা সময়ত আৰক্ষীৰ নিয়মীয়া পহৰা থাকে বুলি জনা যায়। তাৰ মাজতে একেৰাহে সংঘটিত হৈ থকা চুৰি ঘটনাই আৰক্ষীৰ ভূমিকা আৰু সতৰ্কতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। স্থানীয় ৰাইজে ঘটনাটোৰ সঠিক তদন্ত কৰি দোষীক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ লগতে চুৰি হোৱা বাহনখন উদ্ধাৰৰ বাবে আৰক্ষীক জোৰদাৰ পদক্ষেপ ল’বলৈ দাবী জনাইছে।

# নিজৰ কষ্ট উপাৰ্জনেৰে নিৰ্মাণ কৰিলে পিতৃ-মাতৃৰ সোঁৱৰণত হৰগৌৰী মন্দিৰৰ আদৰণি তোৰণ

**অসম বাৰ্তা, অভয়াপুৰী, ৪ মে’ ঃ** বাদান্যতা এক অনন্য নিদৰ্শন ৰূপে অভয়াপুৰী দেওহাটীৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰী শিক্ষক নিত্যানন্দ সিংহই নিজ পিতৃ-মাতৃৰ সোঁৱৰণত নিজৰ কষ্ট উপাৰ্জিত গাঁঠিৰ ধনেৰে তেওঁ সাজি উলিয়ালে শতবৰ্ষ গৰকা হৰগৌৰী মন্দিৰৰ এখন সুন্দৰ আদৰণি তোৰণ। শুক্ৰবাৰে প্ৰায় ৭ লক্ষাধিক টকা ব্যয়ে নিৰ্মিত এই তোৰণখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে উত্তৰ অভয়াপুৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক ভূপেন ৰায়ে। তোৰণখন মুকলি কৰি তেওঁ সমাজকৰ্মী নিত্যানন্দ সিংহৰ এই উদাৰ পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে সমাজৰ উন্নয়নৰ ক্ষেত্ৰত এনে উদ্যোগ ল’বলৈ সকলোকে আহ্বান জনায়। অনুষ্ঠানটোত বঙাইগাঁও জিলা পৰিষদৰ সদস্য জ্যোতিৰ্ময় সৰকাৰ, দেওহাটী আঞ্চলিক পঞ্চায়তৰ সদস্যা প্ৰতিমা ৰায়, দেওহাটী ২য় খণ্ডৰ পঞ্চায়ত সদস্য জ্যোতিপ্ৰসাদ ৰায়, নিত্যানন্দ সিংহৰ সহধৰ্মিনী দিপ্তী ৰায়, পুত্ৰ-কন্যা ক্ৰমে ৰণদ্বীপ সিংহ, প্ৰিয়ংকা সিংহ আৰু মনদীপ সিংহৰ লগতে শতাধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। তোৰণ উন্মোচনৰ পূৰ্বে আমন্ত্ৰিত নামদলে নাম-প্ৰসঙ্গ পৰিৱেশন কৰাৰ লগতে বিহুদলে বিহু নৃত্য প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে, সমাজ আৰু সংস্কৃতিৰ প্ৰতি গভীৰ দায়বদ্ধতাৰে নিত্যানন্দ সিংহে গ্ৰহণ কৰা এই পদক্ষেপে কেৱল এখন তোৰণ নিৰ্মাণতেই সীমাবদ্ধ নহয়, ই সমাজৰ প্ৰতি তেওঁৰ অসীম ভালপোৱাৰো এক জ্বলন্ত প্ৰতিচ্ছবি হিচাপে পৰিগণিত হৈছে।

# নবস্তিত ধমধমা সংকুলৰ ক্ৰীড়া সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ৪ মে’ ঃ** শিশু শিক্ষা সমিতি অসমৰ অন্তৰ্গত ধমধমা সংকুলৰ ক্ৰীড়া সমাৰোহ খনি ২ মে’ত নবস্তিত সম্পন্ন হৈ যায়। পুৱাৰ ভাগত বন্দনা কাৰ্যসূচীৰে ক্ৰীড়া সমাৰোহৰ শুভাৰম্ভ কৰা হয়। নবস্তি নিকেতনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা বন্দনাত ধমধমা নিকেতনৰ প্ৰধান আচাৰ্য তথা ধমধমা সংকুলৰ প্ৰমুখ ৰমেন হালৈৰে বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছত বড়িকাদঙাৰ বি আৰ ব্ৰহ্ম হাইস্কুল খেল পথাৰত অনুষ্ঠিত হয় বিভিন্ন খেল ধেমালি। ক্ৰীড়া সমাৰোহ খনি উদ্বোধন কৰে নলবাৰীৰ শাৰীৰিক প্ৰমুখ তথা ধমধমা নিকেতনৰ আচাৰ্য দিলীপ কলিতাই। ক্ৰীড়া সমাৰোহত বালক আৰু কিশোৰৰ মাজত বিভিন্ন পৰ্যায়ৰ দৌৰৰ লগতে দীঘল জাম্প, ওখ জাম্প, ওজন দলিওৱা, জেফলিং আদিকে ধৰি বিভিন্ন খেল অনুষ্ঠিত কৰা হয়। এই ক্ৰীড়া সমাৰোহত ধমধমা সংকুলৰ অধীনস্থ ধমধমা, বাগানপাৰা, শান্তিপুৰ, আঙ্গাৰধোৱা, চেংনৈ, সুৱণখাটা, নমাটি, নবস্তি, ঠালকুছি নিকেতনকে ধৰি দহখন নিকেতনৰ ছাত্ৰ -ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। খেল পৰিচালনা কৰে জিৎজ্যোতি লেখাৰু আৰু দিলীপ কলিতাই। খেলৰ শেষত বিজয়ী ছাত্ৰ -ছাত্ৰী সকলক পুৰস্কাৰ সমূহ প্ৰদান কৰা হয়। এই ক্ৰীড়া সমাৰোহত ধমধমা সংকুলৰ অধীনস্থ তিনি শতাধিক ছাত্ৰ -ছাত্ৰী, আচাৰ্য আচাৰ্যা সকলে অংশগ্ৰহণ কৰে।

# এশ শতাংশ উত্তীৰ্ণৰে উজ্জ্বলিল দ্ৰোণাচাৰ্য্য উচ্চতৰ মাধ্যমিক বিদ্যালয়

**অসম বাৰ্তা, বঢ়মপুৰ, ৪ মে’ ঃ** সদ্যঘোষিত অসম উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নগাঁৱৰ বে-চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠান দ্ৰোণাচাৰ্য্য উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এইবেলি ৩৩ গৰাকী আটায়ে অৰ্থাৎ এশ শতাংশ উত্তীৰ্ণৰে উজ্জ্বলি উঠিছে। শিক্ষানুষ্ঠানখনিৰ ছাত্ৰ-ছাত্ৰীয়ে এইবাৰো বিভিন্ন বিষয়ত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰি বিদ্যালয়খনৰ গৌৰৱ বৃদ্ধি কৰিছে। শিক্ষাৰ্থীসকলৰ অধ্যৱসায়, কঠোৰ পৰিশ্ৰম আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সঠিক দিশ-নিৰ্দেশনাৰ ফলস্বৰূপে এই সফলতা সম্ভৱ হৈছে। শিক্ষানুষ্ঠানখনিৰ অধ্যক্ষ চন্দ্ৰ কান্ত বৰাই জনোৱা মতে, তেওঁলোকৰ কলা শাখাৰ ফলাফলসমূহ এনেধৰণৰ- শীৰ্যস্থান অধিকাৰীসকল ক্ৰমে- পৰি বৰা- ৯১.৬ শতাংশ, তাছনিমা তানভি হুছেইন- ৮৯ শতাংশ, মৃণ্ময়ী শইকীয়া- ৮৪ শতাংশ, অনুৰাগ কাহাৰ- ৮২.২ শতাংশ, ৰিতেশ সাহা- ৮০.২ শতাংশ, সৌৰভ দাস- ৮০ শতাংশ। আনহাতে, লেটাৰ পোৱা বিষয় আৰু শিক্ষাৰ্থীৰ সংখ্যা হৈছে এনেধৰণৰ- ভূগোল- ১০ জন, অসমীয়া- ০৮ জন, শিক্ষা- ০৪ জন, তৰ্কবিজ্ঞান আৰু দৰ্শন- ০৩ জন, ঐচ্ছিক হিন্দী- ০৩ জন, সমাজতত্ত্ব- ০২ জন, ইংৰাজী- ০২ জন, ৰাজনীতি বিজ্ঞান- ০১ জন। বিদ্যালয় কৰ্তৃপক্ষই কৃতকাৰ্যতা লাভ কৰা শিক্ষাৰ্থীসকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰিছে।

# তিনিচুকীয়া জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাত দুগৰাকী জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ৪ মে’ ঃ** আজি তিনিচুকীয়াৰ জিলাৰ মাকুমত অৱস্থিত বনমালী শইকীয়া ভৱনত তিনিচুকীয়া জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। জিলা সমিতিৰ সভাপতি নন্দেশ্বৰ কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত সংগঠনটোৰ বিভিন্ন সাংগঠনিক দিশৰ লগতে আগন্তুক মধ্যকালীন অধিৱেশন অনুষ্ঠিত কৰা সম্পৰ্কে বিতং আলোচনা কৰা হয়। আনহাতে জিলা সমিতিৰ সম্পাদক অচ্যুত পূজাৰীয়ে ব্যক্তিগত কাৰণত সম্পাদকৰ পদৰ পৰা পদত্যাগ কৰিছিল যদিও সকলোৰে অনুৰোধত তেখেতে পদত্যাগ পত্ৰ উঠাই লয় আৰু আজিৰে পৰা পুনৰ দায়িত্বভাৰ গ্ৰহণ কৰে। আজিৰ সভাতে



তিনিচুকীয়া জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৰফৰ পৰা তিনিচুকীয়াৰ প্ৰবীণ সাংবাদিক তথা লেখক অমূল্য খাটনিয়াৰ আৰু তিনিচুকীয়াৰ বিশিষ্ট চিকিৎসক ডাঃ হৰিনাৰায়ণ বৰকটকীক একোখনকৈ ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু সদৌ অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্যৰ জ্যেষ্ঠ নাগৰিকসকলৰ মাজত সুধাকণ্ঠৰ সৃষ্টিৰাজিৰ ওপৰত অনুষ্ঠিত কৰা প্ৰতিযোগিতাত বিজয়ী হোৱা তিনিচুকীয়া জিলাৰ প্ৰতিযোগীসকলৰ পুৰস্কাৰসমূহো আজিৰ সভাতে প্ৰদান কৰা হয়। অনুষ্ঠানত জ্যেষ্ঠ নাগৰিক তথা শিল্পী কামিনী গোঁহাইয়ে এটা গীত পৰিৱেশন কৰে।

চাকৰিত যোগদানৰ পূৰ্বে ল’লে গাঁওবাসীৰ আশীষ

# ককিলা অঞ্চলৰ প্ৰথম গৰাকী ৰেডিঅ’লজিষ্টৰ আদৰণীয় কৰ্ম

**অসম বাৰ্তা, গহপুৰ, ২ মে’ ঃ** গহপুৰ সমজিলাৰ বৃহত্তৰ ককিলা অঞ্চলৰ প্ৰথম গৰাকী ৰেডিঅ’লজিষ্টে চাকৰীত যোগদানৰ পুৰ্বে গাঁওবাসীৰ আশিস গ্ৰহণ কৰাৰ দৰে এক মহান পদক্ষেপ লোৱা পৰিলক্ষিত হয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন সমৰকলাবিদ, সমৰকলাৰ প্ৰশিক্ষক তথা জী টিভিৰ চাব্‌চ ইণ্ডিয়া অনুষ্ঠানৰ জৰিয়তে বিশেষ খ্যাতি লাভ কৰা গহপুৰ সমজিলাৰ পুৰপ্ৰান্তৰ ককিলাগুৰি গাঁৱৰ নিৱাসী চেনচাই অনন্ত বৰদলৈ আৰু চুমী ভূএগ্ৰা বৰদলৈৰ সুযোগ্য পুত্ৰ অচিন বৰদলৈয়ে ৰেডিঅ’লজিষ্ট পাঠ্যক্ৰম সফলতাৰে সম্পুৰ্ন কৰি চৰকাৰী চিকিৎসালয়ত ৰেডিঅ’লজিষ্ট হিচাপে নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীৰ প্ৰাকজ্যোতিষ হস্পিতালত ৰেডিঅ’লজিষ্ট হিচাপে ইতিমধ্যে নিযুক্তি লাভ কৰা অচিন বৰদলৈয়ে চাকৰিত যোগদানৰ পূৰ্বে গাঁওবাসীৰ আশিস লোৱাৰ উদ্দেশ্যৰে আজি এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। ককিলাগুৰি গাঁৱৰ অতীজৰ পৰম্পৰা ৰক্ষা কৰি অচিন বৰদলৈৰ লগতে পিতৃ চেনচাই অনন্ত বৰদলৈ আৰু মাতৃ চুমী ভূএগ্ৰা বৰদলৈয়ে সমজুৱা ভাৱে ৰাইজৰ আশিস গ্ৰহণ কৰি প্ৰীতি ভোজনৰ ব্যৱস্থা কৰে। চাৰিবছৰীয়া ৰেডিঅ’লজিষ্টৰ পাঠ্যক্ৰম সম্পুৰ্ণ কৰি সফলতাৰে চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰী ভাৱে নিযুক্তি লাভ কৰিবলৈ সক্ষম হোৱা অচিন বৰদলৈয়ে নিজৰ কৰ্তব্যত যোগদান কৰাৰ প্ৰাক্ ক্ষণত এইদৰে ৰাইজৰ আশিস গ্ৰহণ কৰিবলৈ পাই অতি সুখ অনুভৱ কৰিছে। নিজৰ পাঠ্যক্ৰম সম্পুৰ্ন কৰাৰ পাছত চৰকাৰী চাকৰি লাভ কৰাৰ পিছতেই গাঁৱৰ ৰাইজৰ আশিস গ্ৰহণ কৰি চাকৰিত যোগদান কৰাৰ অপুৰ্ব নিদৰ্শনৰ যি পৰম্পৰা গহপুৰ সমজিলাৰ ককিলাগুৰি অঞ্চলত দেখিবলৈ পোৱা গ’ল সেই পৰম্পৰা বৰ্তমান সময়ত অতিকৈ বিৰল। ককিলাগুৰি গাঁৱৰ এনে পৰম্পৰাই প্ৰমাণিত কৰিছে যে আমি যিমানেই আধুনিক নহওঁ কিয় আমাৰ অতিজৰ পৰম্পৰাই আমাক সমাজৰ সকলো শ্ৰেণীৰ লোকৰ লগত সম্প্ৰীতি, ভাতৃত্ববোধৰ এনাজৰীয়ে একাত্ম কৰি ৰাখে।

৪টা জুৱাৰীক আটক, জুৱাৰ সামগ্ৰী জব্দ

# চামগুৰিৰ সোণাৰীবালিত জুৱা খেলৰ ঘাটি উৎখাত

**অসম বাৰ্তা, পুৰণিগুদাম, ২ মে’ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ এটা আৰক্ষী দলে যোৱা নিশা জুৱাৰ বিৰুদ্ধে অভিযান চলাই সোণাৰীবালি অঞ্চলত এটা জুৱাৰ ঘাটি উৎখাত কৰা লগতে চাৰিটা জুৱাৰীক আটক কৰাৰ লগতে জুৱাৰ সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, এক গোপন খবৰৰ ভিত্তিত যোৱা নিশা চামগুৰি আৰক্ষী থানাৰ এটা আৰক্ষী দলে সোণাৰীবালি অঞ্চলত জুৱাৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে জুৱাখেল চলি থকা অৱস্থাত অতৰ্কিতে অভিযান চলাই আব্দুল ফালান অহিদুল, ছামচুল হ’ক আৰু ছাইদুল নামৰ জুৱাৰী কেইজনক আটক কৰাৰ লগতে জুৱাৰ সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে যোৱা নিশা আটক কৰা জুৱাৰী কেইজনক আজি নগাঁও আদালতত হাজিৰ কৰাই জেল হাজোতলৈ প্ৰেৰণ কৰা হয় বুলি আৰক্ষীৰ এক সূত্ৰ জানিবলৈ দিয়ে।

# ৰোটাৰী ডিষ্ট্ৰিক্ট গৱৰ্ণৰ ডাঃ কামেশ্বৰ সিঙ এলাংবামৰ ডুমডুমা ৰোটাৰী ক্লাব পৰিদৰ্শন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ৪ মে’ ঃ** ৰোটাৰী ইণ্টাৰনেশ্যনেল ডিষ্ট্ৰিক্ট -৩২৪০-ৰ ডিষ্ট্ৰিক্ট গৱৰ্ণৰ ডাঃ কামেশ্বৰ সিং এলাংবামে শুকুৰবাৰে এক নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি ডুমডুমা ৰোটাৰী ক্লাব পৰিদৰ্শন কৰে। তেওঁক সংগ দিয়ে জ’ন-১৪ৰ সহকাৰী গৱৰ্ণৰ ৰোটাৰীয়ান সুনীল বৰগোহাঁইয়ে। শুকুৰবাৰে বিয়লি ডুমডুমাত উপস্থিত হোৱাৰ পাছতে ডিষ্ট্ৰিক্ট গৱৰ্ণৰগৰাকীয়ে ৰূপাই চাইডিঙস্থিত ‘নৱৰূপান্তৰ শিশু গৃহ’ পৰিদৰ্শন কৰে। ই এক গৃহহীন বিশেষভাৱে সক্ষম শিশুৰ আশ্ৰয় কেন্দ্ৰ, যিটো ডুমডুমা ৰোটাৰী ক্লাবৰ সক্ৰিয় সহযোগত স্থাপন কৰা হৈছিল। পৰিদৰ্শনৰ সময়ত তেওঁ গৃহটোৰ বিশেষ ভাৱে সক্ষম ল’ৰা-ছোৱালীবোৰৰ লগত বাৰ্তালাপ কৰে আৰু গৃহটোৰ কাৰ্যকলাপৰ বুজ লয়। ইয়াৰ পিছতে ডিষ্ট্ৰিক্ট গৱৰ্ণৰে ক্লাবৰ সভ্যসকলৰ স’তে ক্লাব এছেম্বলীত ইয়াৰ কাম-কাজ সম্পৰ্কে আলোচনা কৰে। সন্ধিয়া হোটেল ৰয়েল ফিষ্টত ডুমডুমা ক্লাবৰ সভাপতি ড° ৰুমী খালেনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আনুষ্ঠানিক সভাখনত ডিষ্ট্ৰিক্ট গৱৰ্ণৰগৰাকীয়ে সহকাৰী গৱৰ্ণৰ সুনীল বৰগোহাঁইৰ লগত অংশগ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে ডুমডুমা ক্লাবৰ প্ৰাক্তন সভাপতি ৰোটাৰীয়ান সুজিত কুমাৰ বৰুৱাই জিলা গৱৰ্ণৰৰ চমু জীৱন-বৃত্তান্ত পাঠ কৰে। ইয়াৰ পিছতে সভাপতি ড° ৰুমী খালেনে আদৰণি ভাষণ আগবঢ়ায় আৰু সম্পাদক ৰোটাৰীয়ান অনান্নিয়া বৰুৱাই ২০২৫-২৬ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন উপস্থাপন কৰে। সভাত ভাষণ আগবঢ়াই সহকাৰী গৱৰ্ণৰ ৰোটাৰীয়ান সুনীল বৰগোহাঁইয়ে ৰোটাৰী ক্লাবসমূহে আগবঢ়োৱা মানৱ-সেৱামূলক কাম-কাজৰ ওপৰত আলোকপাত কৰে। ডুমডুমা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক তথা বিভাগীয় মুৰব্বী ড° অঞ্জন শইকীয়াই ও নৱৰূপান্তৰ শিশু গৃহৰ এক বিৱৰণ দাঙি ধৰি বিশেষভাৱে সক্ষম শিশুসকলৰ বাবে সমাজৰ সহায়-সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে, তেওঁ ‘নৱৰূপান্তৰ শিশু গৃহ’ৰ বাবে নিজৰ বাসগৃহটো আগবঢ়াই নিজেই এক আৰ্হি প্ৰদৰ্শন কৰিছে। ডিষ্ট্ৰিক্ট গৱৰ্ণৰ ডাঃ কামেশ্বৰ সিং এলাংবামে তেখেতৰ ভাষণত ৰোটাৰী ইণ্টাৰনেশ্যনেলে এক ক্ষুদ্ৰতম আৰম্ভণিৰ পৰা কিদৰে “দ্যা ৰোটাৰী ফাউণ্ডেচন” নামে খ্যাত পৃথিৱীৰ এক অন্যতম বৃহৎ জনহিতৈষী ন্যাসলৈ পৰিণত হ’ল তাৰ এক সংক্ষিপ্ত আভাস দাঙি ধৰে। লগতে তেওঁ ৰোটাৰীয়ানসকলক চলিত বৰ্ষৰ মূল বাণী “Unite for Good” অনুসৰি সমাজ উপযোগী কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। সভাৰ অন্তত ছাৰ্জেণ্ট-এট-আৰ্মছ ৰোটাৰীয়ান অম্বৰ দত্তই সভাৰ উপস্থিতিৰ এক বিৱৰণ দাখিল কৰে আৰু প্ৰাক্তন সহকাৰী গৱৰ্ণৰ ৰোটাৰীয়ান ধীৰেন ডেকাই ডিষ্ট্ৰিক্ট গৱৰ্ণৰকে ধৰি উপস্থিত সকলোকে শলাগ জ্ঞাপন কৰে। অৱশেষত সভাপতি ড° ৰুমী খালেঙে সভাৰ সমাপ্তি ঘোষণা কৰে।

# গহপুৰৰ কীৰ্তিমতী শৈক্ষিক ন্যাসৰ উদ্যোগত বিশেষ অভিনন্দন সভা

## ২৬ গৰাকী কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন

**অসম বাৰ্তা, গহপুৰ, ৪ মে’ ঃ** গহপুৰ সমজিলাৰ অন্তৰ্গত গহপুৰ পৌৰসভাৰ ১ নং আৰু ৭ নং ৱাৰ্ডৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত (২০২৬ বৰ্ষৰ) উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰিবৰ বাবে কালি মধ্যচত্ৰংস্থিত গোৰ্খা সংস্কৃতি বিকাশ ভৱনত কীৰ্তিমতী শৈক্ষিক ন্যাসৰ উদ্যোগত এখন বিশেষ অভিনন্দন সভা অনুষ্ঠিত হয়। বিয়লি ১ বজাৰ পৰা আৰম্ভ হোৱা সভাৰ পূৰ্বে ন্যাসৰ প্ৰতিষ্ঠাপক তথা গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত কবিৰাজ শৰ্মা আৰু অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষয়িত্ৰী প্ৰয়াত কীৰ্তিমতী শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। সমাজকৰ্মী মিত্ৰলাল শৰ্মাই মাল্যাৰ্পণ কৰে আৰু তিলক বড়োয়ে বন্তি প্ৰজ্বলন কৰে। পিছত উপস্থিত সকলোৱে পুষ্পাঞ্জলি অৰ্পণ কৰে। ৰাখী শৰ্মাৰ পৰিচালনাত স্থানীয় শিল্পীসকলৰ সমবেত সংগীতেৰে সভাৰ শুভাৰম্ভ হয়। গহপুৰ ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষক তথা ন্যাসৰ সদস্য নন্দ শৰ্মাই আঁত ধৰা সভাখন ৰাজ্যিক কৃতি শিক্ষকৰ বঁটা প্ৰাপক শিক্ষাবিদ তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জগদীশ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ন্যাসৰ সচিব আশা দেৱীয়ে। বিশিষ্ট অতিথি হিচাপে টেটোনপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নীলমণি শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে শৈক্ষিক পৰিকল্পনাৰ সিদ্ধান্ত নিজে লোৱা উচিত আৰু নিজৰ সীমাবদ্ধতা অকপটে স্বীকাৰ কৰিব লাগে। তেওঁ লগতে কয় যে লক্ষ্যপ্ৰাপ্তিৰ পথ কেতিয়াও পোনপটীয়া নহয়। আনহাতে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰদীপ দত্ত আৰু ৭ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্যা মাইনু বৰাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি আশীৰ্বাদসূচক বক্তব্য আগবঢ়ায়। সভাত সংগীতা অধিকাৰীৰ পৰিচালনাত স্থানীয় শিল্পীসকলৰ দ্বাৰা সামূহিক নৃত্য প্ৰদৰ্শন কৰা হয়। শিল্পী তপন ঘিমিৰে আৰু দীক্ষিতা পৰাজুলীয়ে গীত পৰিবেশন কৰে আৰু আভা শৰ্মাই কবিতা আবৃত্তি কৰি উপস্থিত সকলোকে আপ্লুত কৰে। সভাখনত চলিত বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ উচ্চতৰ মাধ্যমিকৰ সংঘমিত্ৰা ধৰ (বিজ্ঞান) আৰু প্ৰেৰণ ছেত্ৰী (কলা) আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ লোকাশ্ৰী পৰাশৰক সম্বৰ্ধনা জনোৱা হয়। উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ষ্টাৰ মাৰ্কসহ উত্তীৰ্ণ লোপমুদ্ৰা বৰা (বিজ্ঞান) আৰু অৰ্ণৱ উপাধ্যায় (বাণিজ্য) লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ গংগা দেৱী, আস্থাজিতা দেৱী, সনম কাৰ্কী, কংকনা ভূঞা আদিকো সম্বৰ্ধনা জনোৱা হয়। মুঠ ২৬ গৰাকী ছাত্ৰ-ছাত্ৰীক (প্ৰথম বিভাগত ১৯ আৰু দ্বিতীয় বিভাগত ৭ গৰাকী) অভিনন্দন পত্ৰ, নগদ ধন আৰু কলম প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। লগতে প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ মাতৃসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। শেষত ন্যাসৰ সংৰক্ষক ড° দীপ শৰ্মাই উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে। উক্ত সভাত গোপাল প্ৰধান, ভৱানী উপাধ্যায়, তিলোচন কটেল, কেশৱ শৰ্মা, জিতেন মহানন্দ, সোণ মণি বৰা, মুক্তি খনাল, টিকাৰাম পৰাজুলী, চন্দ্ৰ কান্ত আচাৰ্য, আনন্দ ফয়েল, তিলক শৰ্মা, লিলা অধিকাৰীসহ বহু সংখ্যক ব্যক্তি উপস্থিত থাকে।

# ৯, ১০ মে’ত নামৰূপত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ২১ সংখ্যক কেন্দ্ৰীয় ব’হাগী উৎসৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ৪ মে’ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ কেন্দ্ৰীয় সেৱাবাহিনীৰ উদ্যোগত ডিব্ৰুগড় জিলা শাখাৰ আতিথ্যত ২১ সংখ্যক কেন্দ্ৰীয় ব’হাগী উৎসৱ নামৰূপ সাৰনগৰী প্ৰাথমিক শাখাৰ নামঘৰ প্ৰাঙ্গণত অহা ৯ আৰু ১০ মে’ত অনুষ্ঠিত হ’ব। প্ৰতিজন অসমীয়াৰ প্ৰাণৰ স্পন্দিত অসমীয়া জাতিৰ বাপতি সাহোন আৰু বিশ্বৰ প্ৰান্তে প্ৰান্তে সমাদৃত আকৰ্ষণীয় লোক-কৃষ্টিৰ সম্ভাৰেৰে পৰিপূৰ্ণ এক অনুপম নিদৰ্শন। বিহু উৎসৱে বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি অসমৰ জাতীয় জীৱনক বিহুৱে সদায় উজ্জীৱিত কৰি ৰাখিছে। ড° ভূপেন হাজৰিকাই ‘অসমীয়া জাতিৰ ই আয়ুস ৰেখা’ আখ্যা দিয়া ব’হাগ মাহে প্ৰতিবছৰে ৰঙালী বিহুৰ জৰিয়তে বসন্ত পৰশা প্ৰকৃতিৰ মনোমোহা পৰিৱেশৰ মাজতে অসমভূমিলৈ কঢ়িয়াই আনে সম্প্ৰীতি আৰু সমন্বয়ৰ বাৰ্তা। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ উদাৰ মানৱতাবাদী আধ্যাত্মিক দৰ্শনৰ আধাৰত প্ৰতিষ্ঠিত ভাৰতবৰ্ষৰ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ সুবৃহৎ জাতীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘই নবৈৰ দশকৰো অধিক কাল দিগন্ত প্ৰসাৰী মহাপুৰুষ গুৰুজনাৰ ধৰ্ম-দৰ্শনৰ প্ৰচাৰ প্ৰসাৰ কৰি মহাপুৰুষ জনাৰ আদৰ্শ, সুন্দৰ সমাজ গঠনৰ কামত ব্ৰতী হৈ থকাৰ লগতে জাতীয় দায়িত্বও নিষ্ঠা সহকাৰে পালন কৰি আহিছে। ২০০৪ চনৰ পৰাই শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ যুৱ সংগঠন, কেন্দ্ৰীয় সেৱাবাহিনীৰ উদ্যোগত অনুষ্ঠিত কৰি আহিছে ‘কেন্দ্ৰীয় ব’হাগী উৎসৱ’। উল্লেখযোগ্য যে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণত সমগ্ৰ অসমবাসীৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰতিগৰাকী সঙ্গী বাপ-আই, সেৱক-সেৱিকা আজিও শোকত ম্ৰিয়মান। শ্ৰীমন্ত শংকৰদেৱৰ সংঘই জুবিন গাৰ্গৰ মৃত্যুত গভীৰভাৱে দুখ প্ৰকাশ কৰি মহান শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই অনুষ্টুপীয়াকৈ এইবাৰ অনুষ্ঠানভাগি আয়োজন কৰিছে। কাৰ্য্যসূচী মতে ৯ মে’ শনিবাৰে বিয়লি ৫-৩০ বজাত কেন্দ্ৰীয় সেৱাবাহিনী সঞ্চালনা সমিতি আৰু জিলা অধিনায়ক সকলৰ যুটীয়া বৈঠক। ১০ মে’ দেওবাৰে পুৱা ৫-০০ ডিব্ৰুগড় জিলা সভাপতি দিগন্ত গোহাঁইয়ে গছপুলি ৰোপণ কৰি কাৰ্যসূচী আৰম্ভ কৰাৰ পিছতে ৭-০০ বজাত নাম প্ৰসঙ্গ, ৮-০০ বজাত তোৰণ উন্মোচন কৰিব মূলৰ শৰণ সদস্য বুবুল হাজৰিকাই। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰাৰ পিছতে পুৱা ১০-০০ বজাত আই-মাতৃৰ সকলৰ মাজত স্থানীয় ভিত্তিত পিঠা-পনা আৰু গামোচা প্ৰতিযোগিতা। প্ৰতিযোগিতাখনি মুকলি কৰিব কেন্দ্ৰীয় শিশু, আই-মাতৃ কল্যাণ শাখা সমিতিৰ সম্পাদিকা বাসন্তী ভূঞাই। ১১-০০ বজাত আলোচনা চক্ৰ আৰু স্মৃতিগ্ৰন্থ উন্মোচন। “বিহু সংস্কৃতিত ঐতিহ্য, সমন্বয় আৰু জাতীয় চেতনা” শীৰ্ষক আলোচনা চক্ৰখনিত সভাপতিত্ব কৰিব সঙ্ঘৰ পদাধিকাৰ ড° ভৱেন্দ্ৰ নাথ ডেকাই আৰু সভাখনি উদ্বোধন কৰিব প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয় উপাচাৰ্য্য প্ৰাধ্যাপক ড° জিতেন হাজৰিকাই। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ মুখ্য উপদেষ্টা, ৰজনীকান্ত দত্তই সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ উপদেষ্টা কমলা কান্ত গগৈয়ে। আলোচক হিচাপে থাকিব গড়গাঁও মহাবিদ্যালয় অধ্যক্ষ ড° সব্যসাচী মহন্তৰ লগতে আমন্ত্ৰিত অতিথি হিচাপে থাকিব সংঘৰ সাহিত্য শাখাৰ সভাপতি ড° মৃণাল কুমাৰ বৰুৱা, সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বসন্ত গগৈ, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰাজীৱ গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক বুলবুল দত্ত আৰু দুলিয়াজান অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যবাহী সঞ্চালক মাধুৰ্য্য বৰুৱাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব সঙ্ঘৰ উপ- পদাধিকাৰ, চন্দ্ৰ হাজৰিকা, যুটীয়া সম্পাদকদ্বয়, দেৱাঞ্জন বৰা, তোযেশ্বৰ বৰা, শিক্ষা শাখা সমিতিৰ সভাপতি বিমল বুঢ়াগোহাঁই, সম্পাদক চন্দ্ৰকান্ত ভূঞা, শিশু, আই-মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী, লক্ষ্মীপ্ৰিয়া চহৰীয়া, অসম কণ্ঠৰ অধ্যক্ষ ড° যতীন চুতীয়া, খ্ৰীষ্ট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ চ’ছাইটি লিমিটেডৰ অধ্যক্ষ, হৰেন্দ্ৰ বৰা, সংস্কৃতি শাখা সমিতিৰ সভাপতি, অলিম মহন্ত, সম্পাদক, প্ৰশান্ত শইকীয়া, সাহিত্য শাখা সমিতিৰ সম্পাদক, অচ্যুত কৃষ্ণ কলিতা, প্ৰচাৰ শাখাৰ সম্পাদক ৰণ্টু খনিকৰ, ডিব্ৰুগড় জিলা মূলৰ সদস্য বীৰেণ নিৰ্মলীয়া, মূলৰ সদস্য, অজিত গগৈ, যোগাযোগ আৰু পৰিকল্পনা উপ-সমিতিৰ সভাপতি, যুগল গগৈ, কেন্দ্ৰীয় সেৱাবাহিনী প্ৰাক্তন অধিনায়ক, অঞ্জন সাধনিদাৰে। বিয়লি ২-০০ বজাৰ পৰা হুঁচৰি আৰু মুকলি বিহু প্ৰদৰ্শন। উদ্বোধন কৰিব শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ শঙ্কৰী সংস্কৃতি গৱেষণা পৰিষদৰ সভাপতি, পবিত্ৰ প্ৰাণ বৰাই। দুয়োটাদিনৰ কাৰ্যসূচীত সংঘৰ সেৱাবাহিনী, বাপ-আই, তথা বিহুপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰধান সম্পাদক, কুশল ঠাকুৰীয়া, কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক সঞ্জীৱ বৰা, সচিব চন্দন বৰা, ডিব্ৰুগড় জিলা শাখাৰ সম্পাদক ব্ৰজানন্দ ভূঞা, আদৰণী সমিতিৰ সভাপতি, কৰুণজ্যোতি শইকীয়া, কাৰ্যকৰী সভাপতি ভৱেশ হাজৰিকা-সম্পাদক অজিত মেধি, যুটীয়া সম্পাদকদ্বয় দিগন্ত শইকীয়া আৰু নৰেশ্বৰ বৰুৱাই।

### ৰাজ্যখনৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ দুই শতাধিক খেলুৱৈৰ অংশগ্ৰহণ

# বঢ়মপুৰত ফুটবল খেলুৱৈৰ নিৰ্বাচিত শিবিৰ আৰম্ভ

**অসম বাৰ্তা, পুৰণিগুদাম, ২ মে’ ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ থগী সূত ক্ৰীড়া প্ৰকল্পৰ অধীনত থকা ফুটবল খেলপথাৰত আজিৰে পৰা আৰম্ভ হৈছে ফুটবল খেলুৱৈৰ নিৰ্বাচিত শিবিৰ। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ পৰা অহা প্ৰায় দুই শতাধিক খেলুৱৈয়ে আজি এই নিৰ্বাচিত শিবিৰত অংশগ্ৰহণ কৰে। বঢ়মপুৰ ক্ৰীড়া সন্থাৰ লগতে সঞ্জীৱনী ক্লাবৰ বিশেষ উদ্যোগত আৰম্ভ হোৱা এই শিবিৰত নিৰ্বাচিত হোৱা খেলুৱৈ সকলক ভাল খেলুৱৈ হিচাপে গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলোৱা হ’ব। বিশেষকৈ বঢ়মপুৰ ফুটবল একাডেমীৰ জৰিয়তে এই নিৰ্বাচিত খেলুৱৈসকলক ফুটবল খেলুৱৈ হিচাপে গঢ়ি তোলাৰ লগতে থকা, খোৱা আৰু শিক্ষা প্ৰদানৰ বাবে বিদ্যালয়ত নামভৰ্তিৰ ব্যৱস্থা কৰিব। আজি ফুটবলৰ নিৰ্বাচিত শিবিৰৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰি খেলুৱৈসকলৰ সুবিধাৰ বিষয়ে উল্লেখ কৰে বঢ়মপুৰ ক্ৰীড়া সন্থাৰ সম্পাদক ক্ৰীড়া সংগঠক প্লাৱন বৰুৱাই।

### বিজ্ঞান শাখাত ৮৭.২ শতাংশ নম্বৰ লাভ উত্তীৰ্ণ হৈছে ৰাজিহা জামান

# তেজপুৰলৈ গৌৰৱ কঢ়িয়াই আনিছে ৰাজভঁৰালৰ ৰাজিহা জামানে

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২ মে’ ঃ** শোণিতপুৰ জিলাৰ তেজপুৰ চহৰৰ কিছু নিলগৰ ঐতিহাসিক ৰাজভঁৰাল গাঁৱৰ নিবাসী পশু চিকিৎসক ডাঃ আবেদ আলী আৰু ছিদ্দিকা জামানৰ একমাত্ৰ কন্যা ৰাজিহা জামানে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এক চমকপ্ৰদ ফলাফল প্ৰদৰ্শন কৰি তেজপুৰৰ লগতে সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিজ্ঞান শাখাত ৮৭.২ শতাংশ নম্বৰ লাভ কৰি ডিষ্টিংচনৰ সৈতে উত্তীৰ্ণ হয় নম্ৰ, ভদ্ৰ, সুশীলা, মেধাৱী ৰাহিজা জামানে। অসমীয়া মাধ্যমত হাইস্কুল শিক্ষাগ্ৰহণ কৰি পিছলৈ ইংৰাজী মাধ্যমত বিজ্ঞান শাখাত অধ্যয়ন কৰি এই সফলতা অৰ্জন কৰা ৰাজিহাই এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। বিষয়ভিত্তিকভাৱে ইংৰাজীত: ৯০, MIL-ত: ৯৫, জীৱবিজ্ঞান-(BIOLOGY): ৯২ আৰু ভূগোলত: ৯০ নম্বৰ লাভ কৰি তেওঁ নিজৰ মেধাৰ পৰিচয় দিছে। ৰাজিহা জামানৰ ফলাফল লাভ কৰাৰ লগতে ৰাজভঁৰাল গাঁওবাসী, অঞ্চলবাসীৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে ৰাজিহাৰ বাসগৃহত উপস্থিত হৈ শুভকামনা জনায়। তেজপুৰ সাংবাদিক সন্থা(আজু)ৰ সাধাৰণ সম্পাদক যুৱ সাংবাদিক ছাইদুল ইছলাম ফলাফল ঘোষণাৰ দিনাই মেধাৱী ছাত্ৰী গৰাকীৰ বাসগৃহত উপস্থিত হৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই অভিনন্দন জনাই কয় ৰাজিহা জামানৰ দৰে উচ্চ শিক্ষিত মেধাৱী ছাত্ৰী আমাৰ সমাজৰ গৌৰৱ আমাৰ দেশৰ ভৱিষ্যত আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস। ৰাজিহাৰ ভৱিষ্যত উজ্জ্বল হওক তাইৰ সপোন আৰু পৰিয়ালৰ লক্ষ্য উদ্দেশ্য পূৰণ হওক তাৰেই কামনা কৰি শুভ কামনা জনালোঁ। যুৱ সাংবাদিক ছাকিব আলীৰ ভগ্নী ৰাজিহাৰ ফলাফল শুনি ৰাজগড় গাঁও পঞ্চায়তৰ সভাপতি আব্দুল মুতালিব, গাঁও প্ৰধান ৰাজিবুল হকৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তি সকলে অভিনন্দন জনায়।

## সত্ৰীয়া নৃত্যৰ মহান সাধক ড° জগন্নাথ মহন্তক সোঁৱৰণ; হেমেন আতৈ বুঢ়াভকতৰ সন্মান

# আমগুৰিৰ জালুক গাঁৱত পূবেৰুণ শিল্পী সমাজৰ শিল্প-সন্মান



**অসম বাৰ্তা, চেলেংহাট, ৪ মে’ ঃ** শিৱসাগৰৰ জিলাৰ আমগুৰিৰ অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান পূবেৰুণ শিল্পী সমাজৰ উদ্যোগত আৰু ডক্টৰজগন্নাথ মহন্ত সোঁৱৰণী মঞ্চৰ সহযোগত ইয়াৰ জালুক গাঁও নামঘৰত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সত্ৰীয়া নৃত্য বিষয়ত অসমৰ প্ৰথম গৰাকী ডক্টৰেট, নৃত্যৰত্ন ডক্টৰ জগন্নাথ মহন্তৰ সোঁৱৰণত “ড° জগন্নাথ মহন্ত সোঁৱৰণী বঁটা” প্ৰদান কৰা হয়। প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে প্ৰদান কৰা এই বঁটা ২০২৬-২৭ বৰ্ষৰ বাবে লাভ কৰে সত্ৰীয়া সংস্কৃতিৰ অন্যতম শিল্পী বৰপেটা সত্ৰৰ হেমেন আতৈ বুঢ়াভকতে। আৰম্ভণিতে শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ নৰেন খাটনিয়াৰ বৰগায়নে জগন্নাথ মহন্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু জালুক গাঁৱৰ আয়তীসকলৰদ্বাৰা এভাগি প্ৰাৰ্থনাৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। সূত্ৰধাৰ সাংস্কৃতিক মঞ্চৰ শিল্পীসকলে এটি বৰগীতেৰে মঞ্চ উদ্বোধন কৰা হয়। এই বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সংগীত নাটক অকাডেমী বঁটা প্ৰাপক টংকেশ্বৰ হাজৰিকা বৰবায়ন, প্ৰয়াত জগন্নাথ মহন্তৰ সহধৰ্মিনী অঞ্জনা মহন্ত, অসম কৃষি বিশ্ববিদ্যালয়ৰ অনুশীলন অধ্যাপক ডক্টৰবিস্মিতা দত্তই জগন্নাথ মহন্তই অসমৰ সত্ৰীয়া সংস্কৃতিলৈ আগবঢ়োৱা বিশেষ অৱদানৰ কথা সোঁৱৰণ কৰে। অনুষ্ঠানৰ আন আন সহযোগী হিচাপে জালুক গাঁও নামঘৰ পৰিচালনা সমিতি, আঞ্চলিক আধ্যাত্মিক উত্তৰণ সমিতি, কৰাপাট সাংস্কৃতিক গোষ্ঠী, সৃষ্টিকামী শিল্প উদ্যোগ আৰু সুকুমাৰ কলা চৰ্চা কেন্দ্ৰ, সূত্ৰধাৰ সাংস্কৃতিক মঞ্চ, নৃত্যবীথিকা আৰু জালুক গাঁও নামঘৰ উন্নয়ন সমিতিৰ বিষয়ববীয়া সকলেও বঁটা প্ৰাপকক উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। সত্ৰীয়া নৃত্য পৰিৱেশন কৰে পূবেৰুণ সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ ৰিতুৰাজ ফুকনে। বিশিষ্ট ঘোষক প্ৰকাশ বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত উদয় দত্ত, হিমাদ্ৰীজ্যোতি দত্ত, কোযেশ্বৰ বৰুৱা, ইন্দ্ৰকমল ফুকন, কানু বৰকাকতি, ৰুবুল দুৱৰা, অমৰজিৎ গগৈ, দেৱৰঞ্জন বৰুৱা, সঞ্জীৱ কুমাৰ শইকীয়া, মনোজ লাহন, অভিপ্সিত শইকীয়া, ৰঞ্জিত ফুকনকে প্ৰমুখ্য কৰি অঞ্চলটোৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাত অৰিহণা যোগোৱা সকলোকে পূবেৰুণ শিল্পী সমাজৰ সভাপতি অনুপম দত্ত আৰু সম্পাদক ৰঞ্জন বৰুৱাই ধন্যবাদ জ্ঞাপন কৰিছে।

### জুৱাৰীৰ বিৰুদ্ধে ভেলৌগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল

# লাহৰীঘাটত চলিছে জুৱাৰীৰ গুণ্ডাৰাজ

■ কৰ্তব্যৰত সাংবাদিকক জুৱাৰীৰ ভয়ংকৰ আক্ৰমণ ■

**অসম বাৰ্তা, লাহৰীঘাট, ২ মে’ ঃ** লাহৰীঘাটত সংঘটিত হয় ভয়ংকৰ ঘটনা। কৰ্তব্যৰত সাংবাদিকৰ ওপৰত জুৱাৰীৰ দলবদ্ধ আক্ৰমণ। শুক্ৰবাৰে দিনৰ তিনিমান বজাত লাহৰীঘাটৰ কাঠনি বিল পাৰ নৈৰ পাৰত জোৱা খেল চলি থকাৰ খবৰ লাভ কৰি লাহৰী স্থানীয় কেবাগৰাকী সাংবাদিক বাতৰি সংগ্ৰহ কৰিবলৈ যায়। সাংবাদিক সকলে ঘটনাস্থলীত উপস্থিত হৈ জুৱা খেল চলি থকা অৱস্থাত ভিডিঅ কৰাত প্ৰথমে জোৱাৰী সকল প্ৰথমে ফৰিং চিটিকা দি পলাবলৈ চেষ্টা কৰে যদিও মাষ্টৰ মাইণ্ড জাকিৰুল আৰু খাইৰুল ইছলামৰ নেতৃত্বত একাংশ জুৱাৰীয়ে সংবাদ কৰ্মী সকলক খেদি আহি সংবাদ কৰ্মী সকলক মাৰপিট কৰি মোবাইল ফোন, বোম কাঢ়ি লৈ মাৰপিট কৰে। সাংবাদিক সকলে পৰিস্থিতি ভয়াবহ দেখি লাহৰীঘাট আৰক্ষীক ফোন যোগে অৱগত কৰে যদিও লাহৰীঘাট আৰক্ষীয়ে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ। জোৱাৰী সকলে সংবাদ কৰ্মী সকলক প্ৰায় ডেৰ-দুই ঘণ্টা সময় আৱদ্ধ কৰি ৰাখে যদিও লাহৰীঘাট আৰক্ষীয়ে কোনো খবৰ লোৱা নাই। তাতে সংবাদ কৰ্মী সকলক জুৱাৰীসকলে ডেৰ দুই ঘণ্টা শাৰীৰিকভাৱে মাৰপিট, অপদস্থ কৰি মাৰি পেলোৱাৰ ভয় ভাবুকি দি জুৱাৰী সকলে বলপূৰ্বকভাৱে সংবাদ কৰ্মী সকলক ভিডিঅ বনাই। অৱশেষত ভিডিঅ ৰেকৰ্ডিঙত সংবাদকৰ্মী সকলে প্ৰাণৰ মায়াত জুৱাৰীসকলে শিকাই দিয়াৰ দৰে স্বীকাৰোক্তি দিভ আহিবলগীয়া হয়। উল্লেখ্য যে, লাহৰীঘাট, মৈৰাবাৰী, টেঙাগুৰিৰ চৰাঞ্চলত দীৰ্ঘদিন ধৰি দিনে নিশাই জুৱাৰ ঘাটি চলি থকাৰ পিছতো আৰক্ষীয়ে কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই। ঘটনা সন্দৰ্ভত ভুক্তভোগী সংবাদ কৰ্মীসকলে ভেলৌগুৰি আৰক্ষী থানাত জুৱাৰীৰ মাণ্টাৰ মাইণ্ড জাকিৰুল আৰু খাইৰুল ইছলামৰ নামত এজাহাৰ দাখিল। ভেলৌগুৰি আৰক্ষীয়ে সংবাদ কৰ্মীক আক্ৰমণ কৰা জুৱাৰীৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে হ’ব লক্ষণীয়।

# ঐতিহ্যমণ্ডিত তিনিচুকীয়া পূজা মন্দিৰ সমিতিৰ উদ্যোগত সম্বৰ্দ্ধনা অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডুমডুমা, ৪ মে’ ঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ কলেজ পথত অৱস্থিত ঐতিহ্যমণ্ডিত তিনিচুকীয়া পূজা মন্দিৰত প্ৰতি বছৰৰ পহিলা মে’ত ৮০ ঊৰ্ধৰ পুৰোধা ব্যক্তিসকলক সম্বৰ্দ্ধনা জনোৱাৰ এক পুৰণি পৰম্পৰা আছে। সেই অনুসৰি, এইবাৰো শতাধিক ৰাইজৰ উপস্থিতিত তিনিচুকীয়াৰ তিনিগৰাকী পুৰোধা ব্যক্তিক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। তিনিচুকীয়া পূজা মন্দিৰ সমিতিৰ স্থায়ী সভাপতি নগেন বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সভাত সুৰেন্দ্ৰ নাথ ভট্টাচাৰ্য, বিজয় কুমাৰ শৰ্মা আৰু অলি শৰ্মাক ফুলাম গামোছা, চেলেং চাদৰ, স্মাৰকৰ লগতে একোখনকৈ মানপত্ৰ প্ৰদানেৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্দ্ধিত ব্যক্তিসকলে তেওঁলোকৰ ভাষণত মন্দিৰ প্ৰতিষ্ঠা কালৰ অভিজ্ঞতাৰ বৰ্ণনা কৰাৰ লগতে ৰাইজৰ সহায়-সহযোগৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সমজুৱাৰ দুআষাৰত পৰমানন্দ বৰুৱা, দুন্দুভি ভট্টাচাৰ্য, লিনু চক্ৰৱৰ্তী, অৰ্চনা বৰঠাকুৰ আদি ব্যক্তিসকলে সম্বৰ্দ্ধিত ব্যক্তিসকলৰ বৰঙনি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সভাত অনন্যা শইকীয়াই বৰগীত পৰিৱেশন কৰি উপস্থিত ৰাইজক মনোৰঞ্জন প্ৰদান কৰে। অনুষ্ঠানটি সফলভাৱে ৰূপায়ণ হোৱাত পূজা মন্দিৰ সমিতিৰ সম্পাদক মিণ্টু চক্ৰৱৰ্তীয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

## ADRE পৰীক্ষাত সফল হৈ চৰকাৰী চাকৰি লাভ কৰা সকলকো সন্মান জনালে জয়মতী নগৰ উন্নয়ন সমিতিয়ে

# মৰিয়নিত ৩৭ গৰাকী শিক্ষাৰ্থীলৈ বিশেষ সম্বৰ্ধনা

**অসম বাৰ্তা, মৰিয়নি, ২ মে’ ঃ** জয়মতী নগৰ উন্নয়ন সমিতিৰ উদ্যোগত আৰু ১ নং ৱাৰ্ডৰ জয়মতী নগৰবাসীৰ সহযোগিতাত শুক্ৰবাৰে মৰিয়নিৰ বাবা লোকেশ্বৰ ত্ৰিপুৰাৰী মন্দিৰ প্ৰাঙ্গণত এক বিশেষ অভিনন্দন অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানটোত এইবাৰৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ৩৭ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰি, ADRE পৰীক্ষা উত্তীৰ্ণ হৈ চৰকাৰী চাকৰি লাভ কৰা ব্যক্তিসকলকো এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। সমিতিৰ এই পদক্ষেপে শিক্ষাৰ্থী আৰু যুৱ প্ৰজন্মক অধিক উৎসাহ যোগোৱা বুলি মত প্ৰকাশ কৰা হয়। অনুষ্ঠানত ১০১ নং মৰিয়নি সমষ্টিৰ BJP প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মী, মৰিয়নি নগৰ সমিতিৰ পৌৰপতি বিশ্বপ্ৰভা শইকীয়া, উপ-পৌৰপতি প্ৰদীপ দাসৰ লগতে জয়মতী নগৰৰ বহু সংখ্যক ৰাইজ উপস্থিত থাকে। উপস্থিত অতিথিসকলে শিক্ষাৰ্থীসকলৰ সফলতাৰ শলাগ লৈ আগন্তুক দিনসমূহত আৰু অধিক উন্নতি কৰাৰ কামনা কৰে। সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগতে স্থানীয় ৰাইজেও শিক্ষাৰ্থীসকলৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভকামনা জ্ঞাপন কৰে। অনুষ্ঠানটো এক স্নেহময় আৰু উৎসাহব্যঞ্জক পৰিৱেশত সমাপ্ত হয়।

# ‘কৰৱী বন্ধন’ গ্ৰন্থ উন্মোচন আৰু ‘সতী ৰাধিকা শান্তি দিৱস’ পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২ মে’ ঃ** কালি ১৭ ব’হাগ, বুদ্ধ পূৰ্ণিমা তিথি, ১ মে’, শুক্ৰবাৰে ভাৰতীয় ইতিহাস সংকলন সমিতি, অসমৰ উদ্যোগত তথা কামৰূপ মহানগৰ সমিতিৰ সহযোগত ভৰলুমুখস্থিত আলোক ভৱনৰ সংঘসাধক মধুকৰ লিমেয়ে প্ৰেক্ষাগৃহত বিয়লি ৩ বজাত এখনি “গ্ৰন্থ উন্মোচনী সভা”ৰ লগতে ‘সতী ৰাধিকা শান্তি দিৱস’ উপলক্ষে বিশেষ বক্তৃতানুষ্ঠান এভাগি আয়োজন কৰা হয়। মা কামাখ্যা দেৱালয়ৰ প্ৰাক্তন দলৈ যদুনাথ শৰ্মাদেৱৰ বিৰচিত “কৰৱী বন্ধন” শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° মুকুল চন্দ্ৰ বৰাদেৱে। লগতে, “সতী ৰাধিকা শান্তি দিৱসৰ প্ৰাসংগিকতা” শীৰ্ষক বক্তৃতা প্ৰদান কৰি বিশিষ্ট শিক্ষাবিদ তথা অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সন্মানীয় সদস্য ড° নিৰঞ্জন কলিতাদেৱে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি কনক চন্দ্ৰ শৰ্মা আৰু মা কামাখ্যা দেৱালয়ৰ দলৈ কবিন্দ্ৰ প্ৰসাদ শৰ্মা। মংগালচৰণ আৰু দুৰ্গাস্তুতিৰে অনুষ্ঠানটিৰ সৌষ্ঠৱ বঢ়ায় দুই শিশুশিল্পী আৰাধ্যা বৰ্মন আৰু আশ্বাস আয়ুস্মানে। অখিল ভাৰতীয় ইতিহাস সংকলন যোজনা, নতুন দিল্লীৰ ৰাষ্ট্ৰীয় মহাসচিব হেমন্ত ধিং মজুমদাৰদেৱৰ মাৰ্গদৰ্শনত হোৱা অনুষ্ঠানটিত প্ৰায় ডেৰ শতাধিক ইতিহাসপ্ৰেমী তথা সাহিত্যানুৰাগী ৰাইজ উপস্থিত থাকে। তেখেতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতাব্দী বৰ্ষ উপলক্ষে “পঞ্চ পৰিৱৰ্তন”ৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে। বিশেষকৈ, সাম্প্ৰতিক সময়ত “সামাজিক সমৰসতা”ৰ উৎকৃষ্ট নিদৰ্শন হিচাপে ঐতিহাসিক চৰিত্ৰ সতী ৰাধিকাৰ বিষয়ে উপস্থিত দৰ্শকবৃন্দৰ সমুখত ভাষণ ৰাখে। ঘোষিকা হিচাপে অনুষ্ঠানটি সুচাৰুৰূপে চলাই নিয়ে কামৰূপ মহানগৰ সমিতিৰ মহিলা টোলীৰ সদস্যা ৰ’জী পাঠকে। শেষত “শলাগৰ শৰাই” আগবঢ়ায় ভাৰতীয় ইতিহাস সংকলন সমিতি, অসমৰ প্ৰান্তীয় প্ৰচাৰ প্ৰমুখ প্ৰাঞ্জল দাসে আৰু কল্যাণ মন্ত্ৰেৰে অনুষ্ঠানটিৰ সামৰণি মৰা হয়।




# চামগুৰিৰ কদমগুৰিত এজন লোকৰ বাসগৃহত দুৰ্বৃত্তৰ আক্ৰমণ; কেইবাজনো আহত

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ মে’ ঃ** নগাঁও জিলাৰ চামগুৰি আৰু ৰূপহী আৰক্ষী থানাৰ সীমান্তৱৰ্তী অঞ্চলৰ কদমগুৰিত যোৱা নিশা এটা দুৰ্বৃত্তৰ দলে এজন লোকৰ ঘৰত আক্ৰমণ কৰি কেইবাজনো লোকক গুৰুতৰভাৱে আহত কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কদমগুৰি অঞ্চলৰ জামালুদ্দিন নামৰ লোকজনৰ বাসগৃহত যোৱা নিশা ১০ জনীয়া এটা দুৰ্বৃত্তৰ দলে প্ৰৱেশ কৰে। পৰৱৰ্তী সময়ত দুৰ্বৃত্তৰ দলটোৱে জামালুদ্দিন আৰু হৰজতৰ পৰিয়ালৰ ওপৰত উপৰ্যুপৰি আক্ৰমণ চলায়। উক্ত আক্ৰমণৰ ফলত জামালুদ্দিন, লুকমান হেকিম, ৰুকিয়া খাতুনকে ধৰি শিশুসহ কেইবাজনো লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় বুলি জানিব পৰা গৈছে। দুৰ্বৃত্তৰ দলটোৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত লুকমান হেকিম আৰু ৰুকিয়া খাতুন বৰ্তমান নগাঁও মেডিকেল কলেজ আৰু হাস্পতালত চিকিৎসাধীন অৱস্থাত আছে বুলি জানিব পৰা গৈছে। ঘটনা সংঘটিত হোৱাৰ পাছত কাৱৈমাৰী আৰক্ষী চকীৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে উক্ত ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। আনহাতে, স্থানীয় একাংশ ৰাইজে উক্ত দুৰ্বৃত্তৰ দলটোৰ লগত জড়িত থকাৰ অভিযোগত এজন লোকক আটক কৰি আৰক্ষীৰ হাতত গতাই দিয়ে বুলি জানিব পৰা গৈছে। উক্ত দুৰ্বৃত্তৰ দলটোৱে জামালুদ্দিন আৰু হৰজতৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে বহু মূল্যবান সামগ্ৰী লুটপাত কৰি নিয়ে বুলি অভিযোগ উঠিছে। উক্ত দুৰ্বৃত্তৰ দলটোৱে কি কাৰণত উক্ত ঘটনা সংঘটিত কৰিলে সেয়া স্থানীয় ৰাইজৰ মাজত ৰহস্য সৃষ্টি হৈছে।